

राष्ट्रीय परीक्षा एजेंसी
National Testing Agency
Excellence in Assessment







তথ্য পুস্তিকা



# ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা (UG)

# NEET (UG)-2020

স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে



# ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা

(National Testing Agency)

**লক্ষ্য ঃ**

এটা প্ৰমুখ, বিশেষজ্ঞ, স্বায়ত্বশাসিত আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা হিচাপে পৰিগণিত হোৱা যিয়ে ভাৰতৰ আটাইতকৈ যোগ্য প্ৰাৰ্থীসকলক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ আৰু গৱেষণাৰ বিভিন্ন প্ৰতিষ্ঠানসমূহক সহায় কৰি ভাৰতক জনসাংখ্যিক লভ্যাংশ (demographic dividend)ৰ ফলপ্ৰসুতা অৰ্জনত সহায় কৰিব পাৰে।

**অভিযান ঃ**

- আন্তৰ্জাতিক মানৰ দক্ষতা, স্বচ্ছতা আৰু ত্ৰুটিবিহীন কাৰ্য সমাপনেৰে সমৃদ্ধ নিৰ্ণায়ক আহিলাসমূহ ব্যৱহাৰ কৰি নামভৰ্তি আৰু নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ প্ৰতিযোগিতামূলক মানসিকতাৰ মূল্যায়নৰ জৰিয়তে ভাৰতৰ উচ্চ শিক্ষা তথা গৱেষণাৰ সমতা আৰু গুণগত মান বৃদ্ধি কৰা।
- বিভিন্ন বিষয়ৰ বিশেষজ্ঞসকল, মনোবিশেষজ্ঞসকল আৰু তথ্য প্ৰযুক্তিৰ কাৰ্যকৰী আৰু নিৰাপত্তাৰ বিশেষজ্ঞসকলৰ সহায়ৰ জৰিয়তে বৰ্তমান ব্যৱহৃত মূল্যায়নৰ বিভিন্ন প্ৰথাবোৰৰ ব্যৱধান চিনাক্ত কৰি সেইবোৰ কাৰ্যক্ষম কৰি তোলা।
- শৈক্ষিক তথা পেচাদাৰী উন্নয়ন সম্পৰ্কীয় তথ্য আহৰণ আৰু গৱেষণা কাৰ্য সম্পন্ন কৰা।

**মুখ্যমান ঃ**

বিভিন্ন অভিযানসমূহ বাস্তৱত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত NTA তলত দিয়া মুখ্যমানসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে—

- গুণ, দক্ষতা, কাৰ্যকাৰিতা, সমতা আৰু নিৰাপত্তা হ'ল NTA ৰ মূল্যায়নৰ প্ৰধান আহিলা।
- হিতাধিকাৰীসকল যেনে শিক্ষাৰ্থী, অভিভাৱক, শিক্ষক, বিশেষজ্ঞ তথা সহযোগী প্ৰতিষ্ঠানসমূহৰ লগত সম্পৰ্ক স্থাপন কৰি এই ব্যৱস্থাটোত এওঁলোকৰ বিশ্বাস আৰু ভৰসা অটুত ৰখা।
- অভিযানৰ লক্ষ্যত উপনীত হোৱাৰ মূল চাবি কাঠি হ'ল মূল্যায়নৰ ওপৰত গৱেষণা হাতত লোৱা আৰু সমান্তৰালভাৱে উদ্ভাৱনামূলক অনুশীলনেৰে মূল্যায়ণৰ উন্নতি সাধন কৰা ।
- বিজ্ঞানসন্মতৰূপত পৰিকল্পিত আৰু সুনিৰ্দিষ্ট ভাৱে ৰূপায়িত মূল্যায়নে শ্ৰেণীকোঠাত শিক্ষাদান তথা শিক্ষণ প্ৰক্ৰিয়াকঅধিক সুচল কৰি তোলা।

" The information contained in the document is for the public. All rights are reserved. No modifications and changes are permitted in the document.

Although all efforts have been made to prepare a copy that contains the complete information in the information Bulletin published in English, only the information in the English copy will be valid in relation to any type of error. "



## সংক্ষিপ্ত শব্দসমূহৰ তালিকা
## LIST OF ABBREVIATIONS

| | |
|---|---|
| AACCC | AYUSH Admission Central Counselling Committee |
| AIIMS | All India Institute of Medical Sciences |
| AMU | Aligarh Muslim University |
| BAMS | Bachelor of Ayurvedic Medicine & Surgery |
| BDS | Bachelor of Dental Surgery |
| BHMS | Bachelor of Homoeopathic Medicine & Surgery |
| BHU | Banaras Hindu University |
| BoGCCH | Board of Governors of Central Council of Homoeopathy |
| BSMS | Bachelor of Siddha Medicine & Surgery |
| BUMS | Bachelor of Unani Medicine & Surgery |
| CCIM | Central Council of Indian Medicine |
| DCI | Dental Council of India |
| DGHS | Directorate General of Health Services, Govt. of India |
| DU | Delhi University |
| ESIC | Employees’ State Insurance Corporation |
| EWS | Economically Weaker Section |
| INI | Institute of National Importance |
| JIPMER | Jawaharlal Nehru Institute of Medical Education & Research |
| MBBS | Bachelor of Medicine and Bachelor of Surgery |
| MCC | Medical Counselling Committee of Directorate General of Health Services, Govt. of India |
| MCI | Medical Council of India |
| MoH&FW | Ministry of Health and Family Welfare |
| MoA | Ministry of Ayush |
| NEET (UG) | National Eligibility Cum Entrance Test for admission to Undergraduate Course |
| NMC | National Medical Commission |
| OBC-NCL | Other Backward Classes-Non Creamy Layer |
| PwD | Persons with Disabilities |
| SC | Scheduled Castes |
| ST | Scheduled Tribes |
| UT | Union Territory |



**তথ্য আৰু তাৰিখ সম্বন্ধীয় গুৰুত্বপূৰ্ণ দিশসমূহ**

**(অধিক/ বিতং তথ্যৰ বাবে তথ্য পুস্তিকা চাওক)**

১। গুৰুত্বপূৰ্ণ তাৰিখ আৰু মাচুলৰ সবিশেষ

অনলাইন প্ৰ-পত্ৰ দাখিল কৰাৰ সময় সীমা — ২ ডিচেম্বৰ ২০১৯ ৰপৰা ৩১ ডিচেম্বৰ ২০১৯ লৈ (নিশা ১১.৫০ বজা পৰ্যন্ত)

মাচুল জমা দিয়াৰ অন্তিম তাৰিখ— ২ ডিচেম্বৰ ২০১৯-ৰপৰা১ জানুৱাৰী ২০২০ লৈ (নিশা ১১.৫০ বজা পৰ্যন্ত)

(ক্ৰেডিট/ ডেবিটকাৰ্ড/ নেটবেংকিং/ UPI ৰ জৰিয়তে)

**আবেদনকাৰীসকলে প্ৰদান কৰিবলগীয়া মাচুলৰ সবিশেষ**

| | |
|---|---|
| সাধাৰণ শ্ৰেণী (General) | —১৫০০ টকা |
| General/EWS (সাধাৰণ-আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী)/ OBC/NCL* | —১৪০০ টকা |
| SC/ ST/PWD/ Transgender | —৮০০ টকা |

নিৰ্ধাৰিত Processing charge আৰু জি. এছ. টি. আবেদনকাৰীসকলে প্ৰদান কৰিব লাগিব।

| | |
|---|---|
| ৱেবছাইটত আবেদন প্ৰ-পত্ৰৰ শুধৰণিৰ অন্তিম তাৰিখ ঃ | ১৫ জানুৱাৰী ২০২০ ৰপৰা ৩১ জানুৱাৰী ২০২০ লৈ |
| NTA ৱেবছাইটৰপৰা প্ৰৱেশ পত্ৰ ডাউনলোডৰ অন্তিম তাৰিখ ঃ | ২৭-০৩-২০২০ |
| পৰীক্ষাৰ তাৰিখ ঃ | ০৩-০৫-২০২০ |
| পৰীক্ষাৰ বাবে নিৰ্ধাৰিত সময় ঃ | ১৮০ মিনিট (৩ ঘণ্টা) |
| পৰীক্ষাৰ সময়সীমা ঃ | দুপৰীয়া ২ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ |
| NEET(UG)-২০২০ পৰীক্ষাৰ কেন্দ্ৰ ঃ | প্ৰৱেশ পত্ৰৰ থকা উল্লেখ অনুসৰি |
| নথিভুক্ত সহাৰি (Recorded Response) আৰু Answer Key লাভ কৰাৰ তাৰিখ ঃ | পৰৱৰ্তী সময়ত ৱেবছাইটত ঘোষণা কৰা হ'ব। |
| ৱেবছাইটঃ | www.nta.ac.in, ntaneet. nic. in |
| NTA ৱেবছাইটত ফলাফল ঘোষণাৰ তাৰিখ ঃ | ৪ জুন, ২০২০ৰ ভিতৰত। |

*OBC/NCL- Other Backward Classes (অন্যান্য পিছপৰা শ্ৰেণী)— Non creamy Layer পিছপৰা শ্ৰেণীৰ ৰাষ্ট্ৰীয় আয়োগৰ পিছপৰা শ্ৰেণীৰ কেন্দ্ৰীয় সূচী অনুসৰি নিৰ্ধাৰিত হ'ব। সূচীত উল্লেখ থকা শ্ৰেণীৰ অধীনস্থ প্ৰাৰ্থীসকলে OBC/NCLহিচাপে নামভৰ্তি কৰিব পাৰিব। ৰাজ্যিক OBC/NCL শ্ৰেণীত অন্তৰ্ভুক্ত কিন্তু কেন্দ্ৰীয় সূচীৰ অৰ্ন্তভুক্ত নোহোৱা প্ৰাৰ্থীসকলে সাধাৰণ শ্ৰেণীতে প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব।



১। প্ৰাৰ্থীসকলে NEET(UG)-২০২০ পৰীক্ষাৰ বাবে কেৱল অনলাইন প্ৰক্ৰিয়াৰ জৰিয়তেহে প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব।

২। ntaneet. nic. in ৱেবছাইটত প্ৰাৰ্থীসকলে প্ৰ-পত্ৰ অনলাইনত পূৰণ কৰিব পাৰিব। অনলাইন প্ৰক্ৰিয়াৰ বাহিৰে আন প্ৰক্ৰিয়াৰ জৰিয়তে পূৰণ কৰা প্ৰ-পত্ৰ গ্ৰহণযোগ্য হিচাপে বিবেচিত নহ'ব।

৩। এজন প্ৰাৰ্থীয়ে কেৱল এখনহে প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব।

৪। বিভাগীয় প্ৰচাৰ পত্ৰ আৰু NTA ৱেবছাইটত উল্লেখ কৰা নিৰ্দেশাৱলীসমূহ প্ৰাৰ্থীসকলে মানি চলিব লাগিব। নিৰ্দেশনা পালন নকৰা শিক্ষাৰ্থীক অযোগ্য হিচাপে বিবেচনা কৰা হ'ব।

৫। প্ৰাৰ্থীসকলে অনলাইন প্ৰ-পত্ৰত নিজৰ বা মাক-দেউতাকৰ মোবাইল নম্বৰ আৰু ই-মেইল আই. ডি. প্ৰদান কৰাটো বাঞ্চনীয়, যিহেতু NTA যিকোনো তথ্য মোবাইল নম্বৰত মেছেজ অথবা মেইল আই. ডি.ত মেইল প্ৰদান কৰি প্ৰেৰণ কৰিব।

**৬। অনলাইন প্ৰ-পত্ৰ পূৰণ সম্পৰ্কীয় বিভিন্ন নিৰ্দেশাৱলী —**

- বিভাগীয় প্ৰচাৰ পত্ৰ আৰু প্ৰ-পত্ৰৰ আৰ্হি ডাউনলোড কৰি উল্লেখ থকা দিশবোৰ ভালদৰে পঢ়ি আপোনাৰ যোগ্যতা সম্পৰ্কে নিশ্চিত হৈ ল'ব। যদিহে এগৰাকী আবেদনকাৰীয়ে এখনতকৈ বেছি প্ৰ-পত্ৰ পূৰণ কৰে তেন্তে তেওঁক প্ৰৱেশ পত্ৰ প্ৰদান কৰাৰ পৰা বিৰত থকা হ'ব আৰু বৰ্তমান/ পৰৱৰ্তী পৰীক্ষাৰ বাবে প্ৰাৰ্থিত্ব হেৰাব।
- অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত তলত দিয়া স্তৰসমূহ অনুকৰণ কৰক—

স্তৰ - ১ ঃ নিজৰ বা মাক-দেউতাৰ ই-মেইল আই. ডি. আৰু মোবাইল নম্বৰ ব্যৱহাৰ কৰি অনলাইন পঞ্জীয়নৰ বাবে আবেদন কৰক।

স্তৰ - ২ ঃ প্ৰ-পত্ৰখন পূৰণ কৰক আৰু উৎপন্ন হোৱা Application No টো টুকি ৰাখক।

স্তৰ - ৩ ঃ প্ৰাৰ্থীয়ে স্কেন কৰা শেহতীয়াকৈ তোলা পাছপৰ্ট ফ'ট' (আকাৰ ঃ 10 kb ৰ পৰা 200 kb ৰ ভিতৰত),পষ্টকাৰ্ড আকাৰৰ ফটো (4"x6") (আকাৰ ঃ 50 kb ৰ পৰা 300 kb ৰ ভিতৰত) আৰু চহী ( 4 kb ৰপৰা 30 kb ৰ ভিতৰত আৰু JPG/ JPEG format ত), বাওঁহাতৰ বুঢ়া আঙুলিৰ টিপচহী (10 kb ৰ পৰা 50 kb ৰ ভিতৰত) ( বাওঁহাতৰ বুঢ়া আঙুলি নাথাকিলে সোঁহাতৰ বুঢ়া আঙুলিৰ টিপচহী দিব পাৰে।), দশম শ্ৰেণী উত্তীৰ্ণৰ প্ৰমাণ পত্ৰ (আকাৰ ঃ 100 kb ৰ পৰা 400 kb ৰ ভিতৰত) JPG/ JPEG format ত আপলোড কৰিব লাগিব। ফ'ট'খনৰ ফ'কাচ প্ৰাৰ্থীৰ মুখমণ্ডলত হোৱা উচিত। (বগা পশ্চাদভূমিত উঠা ফ'ট'খনে আবেদনকাৰীৰ মুখমণ্ডল ৮০ শতাংশ সামৰি লোৱাৰ লগতে কাণ দৃশ্যমাণ হৈ থাকিব লাগিব)।

স্তৰ — ৪ ডেবিট/ক্ৰেডিট কাৰ্ড/ নেট বেংকিং/ UPI ৰ জৰিয়তে মাচুল SBI/Syndicate/HDFC/ ICICI/ Paytm/Payment Gateway ব্যৱহাৰ কৰি প্ৰদান কৰিব পাৰিব আৰু লগতে ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ বাবে মাচুল প্ৰদানৰ প্ৰমাণ ৰাখি থ'ব। যদিহে নিশ্চিত পৃষ্ঠা (Confirmation page) খন আবেদনকাৰীয়ে লাভ নকৰে তেন্তে মাচুল প্ৰদানৰ



প্ৰক্ৰিয়াটো বাতিল হ'ব আৰু সমুদায় মাচুল আবেদনকাৰীৰ একাউণ্টত ঘূৰাই দিয়া হ'ব। অৱশ্যে Confirmation page খন লাভ নকৰিলে আবেদনকাৰীয়ে আকৌ এবাৰ মাচুল প্ৰদান কৰিব লাগিব।

- মাচুল প্ৰদান কৰা হোৱাৰ পিছত Confirmation page খন ডাউনলোড কৰি তাৰ প্ৰিণ্ট আউট উলিয়াই লওক আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ বাবে লগতে ৰাখক।
- ওপৰত উল্লেখ কৰা চাৰিওটা স্তৰ একেলগে এবাৰত অথবা বিভিন্ন সময়ত কৰিব পাৰিব।

৭। প্ৰাৰ্থীসকলক নিয়মিত NTA ৱেবছাইট আৰু ই-মেইল চাই থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

৮। NTA ৰ দ্বাৰা প্ৰদত্ত প্ৰৱেশ পত্ৰত উল্লেখ থকা সময়, তাৰিখ অনুসৰি আবেদনকাৰীসকলে নিজৰ খৰচত পৰীক্ষা কেন্দ্ৰত উপস্থিত হ'ব লাগিব।

৯। প্ৰৱেশ পত্ৰত উল্লেখ থকা পৰীক্ষা কেন্দ্ৰ, তাৰিখ আৰু সময় সলনিৰ যিকোনো অনুৰোধ গ্ৰহণযোগ্য হিচাপে বিবেচনা কৰা নহ'ব।

১০। প্ৰাৰ্থীসকলক বগা পশ্চাদভূমি থকা ৰঙীন ফটোৰ পাচৰ্পট আকাৰৰ ৬-৮ খন আৰু পষ্টকাৰ্ড (4"x6") আকাৰৰ ফটো৪-৬ খনকৈ উঠাবলৈ কোৱা হৈছে। পাচৰ্পট আকাৰৰ ফটোবোৰ অনলাইন আবেদনপত্ৰ আপলোড্ কৰোতে, পৰীক্ষা আৰু কাউন্সেলিং (মন্ত্ৰণা)য নামভৰ্তিবাবেও দৰকাৰ হ'ব।

**মন কৰিবলগীয়া ঃ**

১। দফা-৬ ৰ অন্তৰ্গত স্তৰ-৩ আৰু স্তৰ -৪ সম্পূৰ্ণ নকৰা অনলাইন প্ৰ-পত্ৰসমূহ আধৰুৱা হিচাপে বিবেচিত হ'ব। এই প্ৰ-পত্ৰসমূহৰ বৈধতা বাতিল কৰা হ'ব আৰু এই দিশত কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ব।

২। এবাৰ জমা দিয়া মাচুল ঘূৰাই দিয়াৰ কোনো অনুৰোধ NTA গ্ৰহণযোগ্য হিচাপে বিবেচনা নকৰে।

৩। স্কেন ফ'ট' আৰু চহী আপলোড কৰা, মাচুল জমা দিয়া, Confirmation page ৰ প্ৰিণ্ট আউট উলিওৱা আদি NEET(UG)-২০২০ ৰ প্ৰতিটো স্তৰেই অনলাইন প্ৰক্ৰিয়াৰে সম্পন্ন হ'ব। সেয়েহে প্ৰাৰ্থীসকলে কোনো তথ্য বা নথি NTAক ডাকযোগে/ ফেক্সযোগে/ সোশৰীৰে/ ই-মেইলেৰে প্ৰদান কৰিব নালাগে।

প্ৰাৰ্থীসকলে পৰীক্ষাগৃহত যিকোনো আহিলা/ জ্যামিতি বা পেঞ্চিলবক্স/ মানিবেগ/ কাগজ/ ষ্টেচনাৰী সামগ্ৰী/ লিখিত অথবা ছপা কাগজ/খোৱাপানী/ খোৱাবস্তু/ মোবাইল/ হেডফোন/ মাইক্ৰ'ফ'ন/ Pager/ কেলকুলেটৰ /Docupen/ Slide rules/ ল'গ তালিকা/ কেমেৰা / ৰেকৰ্ডাৰ/ ইলেক্ট্ৰ'নিক ঘড়ী/যিকোনো ধাতৰ সামগ্ৰী/ ইলেক্ট্ৰ'নিক সামগ্ৰী লগত দিব নোৱাৰিব।

মধুমেহ ৰোগত আক্ৰান্ত প্ৰাৰ্থীসকলক খাদ্য সামগ্ৰী যেনে Sugar Tablets/ ফলমূল (যেনে কল/ আপেল/কমল) আৰু স্বচ্ছ পানীৰ বটল পৰীক্ষা গৃহৰ ভিতৰলৈ নিবলৈ অনুমতি প্ৰদান কৰা হ'ব। অৱশ্যে তেওঁলোকক চকলেট/Candy/ Sandwich/ আদিৰ দৰে পেকেটত থকা খোৱাবস্তু নিবলৈ দিয়া নহ'ব। এই সম্পৰ্কীয় বিতং তথ্য অধ্যায় ৮ আৰু অধ্যায় ৯ ত প্ৰদান কৰা হৈছে।



আনৰ সহায় লওতে (Cyber Cafe আদিকে ধৰি) প্ৰাৰ্থীসকলে এইটো নিশ্চিত কৰা উচিত যে তেওঁলোকৰ উপস্থিতিতহে ওপৰত উল্লেখ কৰা চাৰিটা স্তৰত তথ্যৰ পূৰণ কৰা হয়। মিছা/ বিভ্ৰান্তিকৰ তথ্যই প্ৰাৰ্থীত্ব বাতিল কৰাৰ লগতে দেশৰ আইন অনুসৰি তেওঁৰ বিৰোদ্ধে অপৰাধী প্ৰক্ৰিয়া গ্ৰহণ কৰা হ'ব।

**বিধিসন্মত সতৰ্কাৱলী ঃ**

১। অনলাইন প্ৰ-পত্ৰ পূৰণ কৰাৰ আগতে প্ৰাৰ্থীসকলক www.nta.ac.in আৰু ntaneet.nic.in ৱেবছাইটত থকা তথ্য পুস্তিকা ভালদৰে পঢ়ি চাবলৈ অনুৰোধ কৰা হ'ল।

২। অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত প্ৰদান কৰা সকলো তথ্য শুদ্ধ হোৱা উচিত।

৩। অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত প্ৰদান কৰা বিভিন্ন তথ্য যেনে আবেদনকাৰীৰ নাম, ফোন নম্বৰ, ঠিকনা, শ্ৰেণী, বিশেষভাৱে সক্ষমতাৰ শ্ৰেণী, শৈক্ষিক যোগ্যতা, জন্মৰ তাৰিখ আদিবোৰ চূড়ান্ত আৰু শুদ্ধ হিচাপে গণ্য কৰা হ'ব। শুদ্ধ কৰাৰ সময়সীমা উকলি যোৱাৰ পিছত তথ্য শুদ্ধ কৰাৰ বাবে কৰা যিকোনো আবেদন NTA কোনো পৰিস্থিতিতে গ্ৰহণ নকৰে। প্ৰাৰ্থীয়ে ভুল প্ৰদান কৰাৰ প্ৰমাণ পালে তেওঁক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অনুমতি প্ৰদান কৰা নহ'ব।

৪। ভুল তথ্য পৰিৱেশনৰ ফলত উদ্ভৱ হ'ব পৰা যিকোনো বিৰূপ পৰিস্থিতিৰ বাবে NTA দায়ী নহয়।

৫। কোনো পৰিস্থিতিতে আবেদনকাৰীয়ে প্ৰদান কৰা তথ্যসমূহ NTA সলনি নকৰে। তথ্যৰ পৰিবৰ্তনৰ বাবে কৰা যিকোনো অনুৰোধ NTA গ্ৰহণ কৰাৰ পৰা বিৰত থাকিব। সেয়েহে প্ৰ-পত্ৰ পূৰণৰ সময়ত অতি সাবধানতা অৱলম্বন কৰিবলৈ প্ৰাৰ্থীসকলক অনুৰোধ জনোৱা হ'ল।

**তথ্য ব্যৱহাৰ সম্পৰ্কীয় ঘোষণা ঃ**

শেষ ব্যৱহাৰকাৰী (end user, এই ক্ষেত্ৰত পৰীক্ষা গ্ৰহণকাৰী) য়ে প্ৰদান কৰা তথ্য সমূহ বিভিন্ন অভ্যন্তৰীণ কাৰণ যেনে প্ৰশিক্ষণ, বিশ্লেষণ আৰু অন্যান্য অনুৰূপ কাৰ্যৰ বাবে NTA য়ে ব্যৱহাৰ কৰিব পাৰিব।



# সূচীপত্ৰ


| ক্ৰমিক নং | বিষয় | পৃষ্ঠা নং |
|---|---|---|
| **অধ্যায় -১** | **পৰিচয়** | 12 |
| ১.১ | NTA ৰ বিষয়ে | |
| **অধ্যায় - ২** | **ৰাষ্ট্ৰীয় যোগ্যতা ও প্ৰৱেশ পৰীক্ষা NEET(UG) - 2020** | 13-15 |
| ২.১ | NEET(UG) - 2020 ৰ বিষয় | |
| ২.২ | NEET(UG) ক্ষেত্ৰত NTAৰ ভূমিকা | |
| ২.৩ | প্ৰৱেশ পৰীক্ষাৰ তাৰিখ | |
| ২.৪ | গুৰুত্বপূৰ্ণ ৱেবছাইট | |
| ২.৫ | আইনী ক্ষেত্ৰাধিকাৰ | |
| **অধ্যায়-৩** | **সাধাৰণ তথ্য** | 16-19 |
| ৩.১ | সাধাৰণ নিৰ্দেশাৱলী | |
| ৩.২ | পৰীক্ষা পদ্ধতি | |
| ৩.৩ | পৰীক্ষাৰ ধৰণ | |
| ৩.৪ | পৰীক্ষাৰ সময়সীমা | |
| ৩.৫ | প্ৰশ্নকাকতৰ মাধ্যম | |
| ৩.৬ | পৰীক্ষা পাঠ্যক্ৰম | |
| ৩.৭ | NEET (UG) - ২০২০ ৰ পৰীক্ষাৰ কেন্দ্ৰ/ চহৰসমমূহ | |
| **অধ্যায়-৪** | **যোগ্যতা আৰু অৰ্হতা** | 20-24 |
| ৪.১ | NEET (UG) - ২০২০ ত অৱতীৰ্ণ হ'বলৈ প্ৰয়োজনীয় অৰ্হতা | |
| ৪.২ | ৰাজ্য/ প্ৰতিম বিশ্ববিদ্যালয়/ কেন্দ্ৰীয় বিশ্ববিদ্যালয়/ ESIC আৰু AFMC /দিল্লী বিশ্ববিদ্যালয় (DU), BHU/AMU/ Central Pool Qoata, AIIMS, JIPMER ৰ অধীনস্থ আসনৰ বাবে যোগ্যতা | |
| ৪.৩ | ১৫ শতাংশ সৰ্বভাৰতীয় কোটা আসনৰ বাবে নিৰ্ধাৰিত যোগ্যতা | |
| ৪.৪ | অৰ্হতা আৰু যোগ্যতাৰ পৰীক্ষাৰ সংকেতসমূহ | |
| **অধ্যায়-৫ নামভৰ্তি আৰু সংৰক্ষণ** | | 25-29 |




৫.১ নামভৰ্তিৰ প্ৰক্ৰিয়া

৫.২ সংৰক্ষণৰ আঁচনি

**অধ্যায়-৬ আবেদন পত্ৰৰ দাখিল আৰু মাচুল আদায়** 30-36

৬.১ প্ৰ-পত্ৰ পূৰণৰ বাবে প্ৰস্তুতি

৬.২ অনলাইন প্ৰ-পত্ৰৰ বাবে নিৰ্দেশাৱলী

৬.৩ অনলাইন প্ৰ-পত্ৰ পূৰণৰ বাবে সূচী (Check-list)

৬.৪ মাচুল প্ৰদানৰ প্ৰক্ৰিয়া সম্পৰ্কে সবিশেষ

**অধ্যায়-৭ অনলাইন প্ৰ-পত্ৰত পূৰণ কৰিবলগীয়া বিষয়সমূহ** 37

**অধ্যায়-৮ অনুমতি বিহীন সামগ্ৰী আৰু পোচাক সম্পৰ্কীয় নিৰ্দেশাৱলী** 38-39

৮.১ অনুমতি বিহীন সামগ্ৰী

৮.২ পৰিধান কৰিবলগীয়া পোচাক সম্পৰ্কীয় নিৰ্দেশাৱলী

**অধ্যায়-৯ পিতৃ- মাতৃ/অভিভাৱকলৈ নিৰ্দেশাৱলী** 40-41

**অধ্যায়-১০ প্ৰৱেশ পত্ৰ** 42

**অধ্যায়-১১ পৰীক্ষাগৃহত পালন কৰিবলগীয়া নীতি সম্পৰ্কীয় নিৰ্দেশাৱলী** 43-45

**অধ্যায়-১২ নীতিবিৰুদ্ধ কাৰ্যকলাপ আৰু পৰীক্ষাৰ নীতি উলংঘন** 46-47

১২.১ নীতিবিৰুদ্ধ উপায় অৱলম্বনৰ বাবে নিৰ্ধাৰিত শাস্তি

১২.২ ফলাফল বাতিলকৰণ

**অধ্যায়-১৩ মেধাৰ তালিকা আৰু যোগ্যতাৰ মাপকাঠি** 48-50

১৩.১ যোগ্যতাৰ মাপকাঠি

১৩.২ সম ফলাফল থকা প্ৰাৰ্থীৰ মেধা নিৰূপণ (inter-se-merit)

১৩.৩ ১৫ শতাংশ সৰ্বভাৰতীয় কোটাৰ অধীনত হ'বলগীয়া কাউন্সেলিংৰ বাবে মেধাৰ তালিকা

১৩.৪ ১৫ শতাংশ সৰ্বভাৰতীয় কোটাৰ বাহিৰৰ আসনৰ বাবে মেধাৰ তালিকা

**অধ্যায়- ১৪ মন্ত্ৰণা (কাউন্সেলিং) ৰ নিৰ্দেশাৱলী** 51-52

১৪.১ ১৫ শতাংশ সৰ্বভাৰতীয় কোটাৰ অধীনস্থ আসন আৰু কেন্দ্ৰীয় অতিষ্ঠান যেনে AFMC,ESI, দিল্লী বিশ্ববিদ্যালয়, BHU, AMU, AIIMS, JIPMER আৰু প্ৰতিম বিশ্ববিদ্যালয়ৰ আসনৰ বাবে মন্ত্ৰণা (কাউন্সেলিং)

১৪.২ ১৫ শতাংশ সৰ্বভাৰতীয় কোটাৰ বাহিৰৰ আসনৰ বাবে সাক্ষাৎকাৰ আৰু নামভৰ্তি




**অধ্যায়-১৫ পৰীক্ষাৰ পৰৱৰ্তী সময়ৰ কাৰ্যকলাপ আৰু ফলাফল ঘোষণা** 53-54

১৫.১ OMR শ্বীট আৰু প্ৰাৰ্থীৰ উত্তৰ ৱেবছাইটত উপলব্ধতা

১৫.২ Answer key ৰ উপলব্ধতা (প্ৰত্যাহ্বানৰ বাবে)

১৫.৩ ফলাফল ঘোষণা

১৫.৪ উত্তৰ বহীৰ পুনৰ নিৰীক্ষণ/মূল্যায়ন

১৫.৫ অন্যান্য প্ৰতিষ্ঠানে NEET (UG)-2020 ৰ ফলাফল কৰিব পৰা ব্যৱহাৰ

১৫.৬ **নীতি নিৰ্দেশনাৰ ম্যাদ**

**অধ্যায়-১৬ উমৈহতীয়া সেৱাৰ কেন্দ্ৰ/ সুবিধা প্ৰদানকাৰী কেন্দ্ৰ** 55

**পৰিশিষ্ট**

পৰিশিষ্ট-I মুখ্য পাঠ্যক্ৰম

পৰিশিষ্ট-II NEET (UG)-2020 পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া ৰাজ্য/ কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ

পৰিশিষ্ট- III জম্মু-কাশ্মীৰৰ শিক্ষাৰ্থীৰ বাবে স্বঘোষিত পত্ৰ

পৰিশিষ্ট-IV ৰাজ্যিক চিকিৎসা শিক্ষা সঞ্চালকালয় আৰু কাৰ্যালয়সমূহ য'ত সাক্ষাৎকাৰ সম্পৰ্কীয় তথ্য লাভ কৰিব পাৰিব।

পৰিশিষ্ট-V ৰাজ্যৰ সংকেত সম্পৰ্কীয় সূচী

পৰিশিষ্ট-VI NEET (UG)-2020 পৰীক্ষাৰ বৃত্তি, অৰ্হতা আৰু আয় সম্পৰ্কীয় সংকেত সূচী (কেৱল পিতৃ/অভিভাৱক/ মাতৃৰ বাবে)

পৰিশিষ্ট-VII দ্বাদশ শ্ৰেণীৰ শিক্ষা পৰিষদ সম্পৰ্কীয় সংকেত

পৰিশিষ্ট-VIII মেডিকেল /দন্ত/ আয়ুৰ্বেদ/ সিদ্ধা/ ইউনানি/ হোমিওপেথি/ চিকিৎসা মহাবিদ্যালয়ৰ সবিশেষ

পৰিশিষ্ট-IX MCI ৰ Gazette নিৰ্দেশাৱলী অনুসৰি বিশেষ ভাৱে সক্ষমতাৰ প্ৰমাণ পত্ৰ

পৰিশিষ্ট-IX-A বিশেষভাৱে সক্ষমতাৰ প্ৰমাণ পত্ৰ দিয়া কেন্দ্ৰসমূহৰ তালিকা

পৰিশিষ্ট-IX-B Gazette অধীসূচনা (Board of Governors in supersession of MCI)

পৰিশিষ্ট-IX-C প্ৰাৰ্থীৰ লিখাৰ সীমাবদ্ধতা সম্পৰ্কীয় প্ৰমাণ পত্ৰ

পৰিশিষ্ট-IX-D লিপিকাৰৰ ব্যৱহাৰ সম্পৰ্কীয় প্ৰতিশ্ৰুতি পত্ৰ

পৰিশিষ্ট-X অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰমাণ পত্ৰৰ আৰ্হি

পৰিশিষ্ট-XI OBC-NCL সকলৰ বাবে প্ৰমাণ পত্ৰৰ আৰ্হি

পৰিশিষ্ট-XII একমাত্ৰ ছোৱালী সন্তানৰ বাবে শপতনামা (Affidavit)



পৰিশিষ্ট-XIII সংখ্যালঘু সম্প্ৰদায় হিচাপে প্ৰাৰ্থীৰ স্বঘোষিত পত্ৰ

পৰিশিষ্ট-XIV ভাৰতৰ ৰাজপত্ৰ (The National Medical Commission Act, 2019)

পৰিশিষ্ট-XV বিভিন্ন প্ৰতিষ্ঠান/ ৰাজ্যিক চৰকাৰৰ পৰা প্ৰাপ্ত পৰামৰ্শসমূহ

পৰিশিষ্ট-XVI আবেদন পত্ৰৰ আৰ্হি

**নকৰিবলগীয়া কথা**

**টোকা ঃ**

"NTA ৰ এটা লিংগ নিৰপেক্ষঅন্তৰ্ভূক্তিৰ ব্যৱস্থা আছে। নিৰ্দিষ্টকৈ উল্লেখ নথকা NTA ৰ নথিৰ ব্যৱহৃত কোনো লিংগ ভিত্তিক শব্দই সকলো লিংগ (পুৰুষ / মহিলা / তৃতীয় লিংগ (Transgender)) ক বুজায়।"

**সকলো পৰিশিষ্টৰ বাবে NEET (UG)-2020 ৰ Information Bulletin খনৰ ইংৰাজী সংস্কৰণটো চাবলৈ অনুৰোধ কৰা হ'ল।**



# তথ্য পুস্তিকা

**ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা**

NEET (UG)-2020

**অধ্যায় ১ ঃ পৰিচয়**

**ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা (NTA) ৰ বিষয়ে**

ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন দপ্তৰ (MHRD) এ **NTA**এক স্বাধীন, স্বায়ত্বশাসিত আৰু স্বনিৰ্ভৰশীল সংস্থা হিচাপে সামাজিক সমিতি পঞ্জীয়ক আইন, ১৮৬০ৰ (Societies Registration Act, 1860) অধীনত গঠন কৰিছিল।

NTA ৰ লক্ষ্য সমূহ হ'ল —

(ক) নামভৰ্তিৰ বাবে শিক্ষাৰ্থীসকলৰ অৰ্হতা নিৰূপণৰ হেতু যোগ্য, স্বচ্ছ আৰু আন্তঃৰাষ্ট্ৰী স্তৰৰ পৰীক্ষা অনুষ্ঠিত কৰা।

(খ) জ্ঞানৰ প্ৰক্ৰিয়াত থকা ব্যৱধানসমূহ চিনাক্ত কৰি সেইবোৰ নাইকিয়া কৰাৰ বাবে শৈক্ষিক, পেচাদাৰী অধ্যয়ন আৰু মূল্যায়নৰ ওপৰত গৱেষণাৰ ব্যৱস্থা কৰা।

(গ) শৈক্ষিক তথা পেচাদাৰী উন্নয়ন সম্পৰ্কীয় তথ্য আহৰণ আৰু গৱেষণা কাৰ্য সম্পন্ন কৰা।

স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে হবলগা ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষাটো (NEET- UG-2020 ) NTA য়ে পৰিচালনা কৰিব।

**ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ বিষয়ে (NMC)**

ৰাষ্ট্ৰীয় চিকিৎসা অধিনিয়ম, ২০১৯ (নম্বৰ-৩০, ২০১৯) অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ (National Medical Council) নামৰ এখন আয়োগ গঠন কৰি অধিনিয়ম অনুসৰি ভাৰতৰ সকলো চিকিৎসা প্ৰতিষ্ঠানত উচ্চ সুবিধাযুক্ত চিকিৎসাৰ শিক্ষাৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ বাবে এটা উমৈহতীয়া পৰীক্ষা অনুষ্ঠিত হ'ব।

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে স্নাতক পৰ্যায়ৰ চিকিৎসা শিক্ষাত নামভৰ্তিৰ বাবে (NEET (UG)-2020) পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব NTA ক অৰ্পণ কৰিছে।

## অধ্যায় ২ ঃ ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা (NEET (UG)-2020)

### ২.১ NEET (UG)-2020 বিষয়ে

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগ অধিনিয়ম (The National Medical Commission Act, 2019) খনক ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীয়ে সন্মতি প্ৰদান কৰে ২০১৯ চনৰ ৮ আগষ্টত। এই অধিনিয়মৰ Section 14 ৰ মতে সকলো চিকিঠসাা প্ৰতিষ্ঠানত (যিকোনো বিধানৰ অধীনত পৰিচালিত সকলো প্ৰতিষ্ঠানকে ধৰি) স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে এটা উমৈহতীয়া আৰু সমতাটুক্ত ৰাষ্ট্ৰীয় যোগতা তথা প্ৰৱেশ পৰীক্ষা (National Eligibility Cum Entrance Test (NEET) পাতিবলৈ দিয়া হৈছে, সেয়েহে AIIMS, নতুন দিল্লী, JIPMER আৰু সকলোAIIMS ৰ নিচিনা প্ৰতিষ্ঠানত MBBS পাঠ্যক্ৰমৰ নাণভৰ্তি NEET ৰ জৰিয়তে কৰা হ'ব। (NMC Act, 2019, পৰিশিষ্ট - ১৬)

(a) স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ সকলো আসনত নামভৰ্তি NEET (UG)-2020 ৰ জৰিয়তে হ'ব। বিভিন্ন সংৰক্ষণৰ অধীনত নিৰ্ধাৰিত আসনৰ সবিশেষ তলত দিয়া হ'ল -

(ক) সৰ্বভাৰতীয় কোটা অনুসৰি আসন

(খ) ৰাজ্যিক চৰকাৰৰ সংৰক্ষিত আসন

(গ) কেন্দ্ৰীয় প্ৰতিষ্ঠান / বিশ্ববিদ্যালয় / প্ৰতিম বিশ্ববিদ্যালয়

(ঘ) ব্যক্তিগত চিকিৎসা / দন্ত / আয়ুৰ্বেদ/সিদ্ধা /ইউনানি /হোমিওপেথি মহাবিদ্যালয় বা যিকোনো ব্যক্তিগত বিশ্ববিদ্যালয়ত ৰাজ্যিক /পৰিচালন (Management) / NRI ৰ সংৰক্ষিত আসন।

(ঙ) কেন্দ্ৰীয় ভাৱে সংৰক্ষিত আসন (Central Pool Quota seats)।

(চ) ব্যক্তিগত বিনাসাহাৰ্য্যপ্ৰাপ্ত/ সাহাৰ্য্যপ্ৰাপ্ত সংখ্যালঘু / অসংখ্যালঘু চিকিৎসা মহাবিদ্যালয়সমূহত NRI কোটা আৰু পৰিচালন (Management) কোটাকে ধৰি সকলো আসন NEET (UG)-2020 ত প্ৰাপ্ত মেধাৰ ওপৰত ভিত্তি কৰি পূৰ্ণ কৰা হ'ব।

(b) ভাৰতীয় নাগৰিক বা প্ৰবাসী ভাৰতীয় নাগৰিকে বিদেশী চিকিৎসা/ দন্ত / আয়ুৰ্বেদ/সিদ্ধা /ইউনানি / হোমিওপেথি প্ৰতিষ্ঠানৰ পৰা স্নাতক চিকিৎসা পাঠ্যক্ৰম গ্ৰহণ কৰিবলৈ NEET (UG)- 2020 পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

(c) স্নাতক চিকিৎসা শিক্ষাৰ বাবে সৰ্বভাৰতীয় ১৫ শতাংশৰ কোটা অধীনত কৃতকাৰ্য্য প্ৰাৰ্থীসকলৰ বাবে আৰু - প্ৰতিম বিশ্ববিদ্যালয়, কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ESIC আৰু AFMC, দিল্লী বিশ্ববিদ্যালয়, BHU & AMU, AIIMS, JIPMER, ৰ সকলো আসনৰ বাবে কাউন্সেলিং MCC/ DGHS য়ে গ্ৰহণ কৰিব। অন্যান্য ৰাজ্য /বিশ্ববিদ্যালয় / প্ৰতিষ্ঠানসমূহৰ দ্ধাৰা নিয়ন্ত্ৰিত আসনত নামভৰ্তিৰ বাবে কাউন্সেলিং (মন্ত্ৰণা)সংশ্লিষ্ট কৰ্তৃপক্ষই জাৰি কৰা অধিসূচনা অনুসৰি অনুষ্ঠিত কৰা হ'ব।



(d) NEET (UG)- 2020 ৰ ফলাফল অন্যান্য কেন্দ্ৰীয় / ৰাজ্যিক প্ৰতিষ্ঠানবোৰেও নিয়মানুসৰি নামভৰ্ত্তিৰ উদ্দেশ্য ব্যৱহাৰ কৰিব পাৰিব।

(e) সংশ্লিষ্টকৰ্তৃপক্ষ আৰু চিকিৎসা / দন্ত / আয়ুৰ্বেদ/সিদ্ধা /ইউনানি /হোমিওপেথি মহাবিদ্যালয়ৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুসৰি যোগ্য প্ৰাৰ্থীসকলৰ যোগ্যতাৰ মাপকাঠি, স্বঘোষিত পত্ৰ, বিভিন্ন নথিপত্ৰ ইত্যাদি পৰীক্ষা কৰা হ'ব।

আবেদন প্ৰক্ৰিয়াৰ সময়ত আপ'লোড কৰা তথ্য/ নথিপত্ৰৰ শুদ্ধতা আৰু প্ৰকৃততাৰ বাবে NTA কোনো ধৰণৰ দায়বদ্ধ নহয়।

২.২ **NEET (UG) ৰ ক্ষেত্ৰত** NTA ৰ ভূমিকা

কেন্দ্ৰীয় চৰকাৰে NTAউচ্চ শিক্ষাৰ ক্ষেত্ৰত নামভৰ্তি অথবা বৃত্তি প্ৰদানৰ বাবে প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ গঠন কৰিছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয় অধীন উচ্চ শিক্ষা বিভাগে , Letter no. F. No. 19-5/ 2014- TS-1 dated 6th July, 2018 অনুসৰি NTA ক NEET (UG)-2019 ৰ পৰা পৰীক্ষা অনুষ্ঠিত কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছে।

NTA ৰ দায়িত্ব হ'ল অনলাইন আবেদন পত্ৰৰ আহ্বান কৰা, প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা, ফলাফল ঘোষণা কৰা আৰু প্ৰাৰ্থীসকলৰ সৰ্বভাৰতীয় স্থান ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় অধীন ৰাজহুৱা স্বাস্থ্য সেৱা সঞ্চালকালয়ক (Directorate General of Health Services) প্ৰদান কৰাটো।

**২.৩ প্ৰৱেশ পৰীক্ষাৰ তাৰিখ**

NEET (UG)- 2020 পৰীক্ষা ২০২০ চনৰ ৩ মে' দেওবাৰে দুপৰীয়া ২ বজাৰপৰা সন্ধিয়া ৫ বজাৰ ভিতৰত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ মুঠ সময়সীমা ৩ ঘন্টা।

নিৰ্ধাৰিত দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষিত হ'লেও পৰীক্ষাৰ সূচীৰ কোনো সলনি নহয়।

**২.৪ গুৰুত্ব পূৰ্ণ ৱেবছাইট**

(ক) NEET (UG)-2020 ৰ বাবে বিভাগীয় বেৱছাইট হ'ল- ntaneet.nic.in। পৰীক্ষা সম্পৰ্কীয় সকলো তথ্য (সময়ে সময়ে হোৱা সংশোধনীকে ধৰি) এই ৱেবছাইটত উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে শেহতীয়া তথ্যৰ বাবে এই ৱেবছাইটটো নিয়মীয়াভাৱে চাই থাকিব লাগিব।

(খ ) ১৫ শতাংশ সৰ্বভাৰতীয়, কেন্দ্ৰীয় প্ৰতিষ্ঠান/ বিশ্ববিদ্যালয় আৰু প্ৰতিম বিশ্ববিদ্যালয়ৰ আসনৰ বাবে কাউন্সেলিং (মন্ত্ৰণা) সম্পৰ্কীয় ৱেবচাইটসমূহ তলত উল্লেখ কৰা হ'ল-

MBBS/BDS পাঠ্যক্ৰমৰ বাবে

- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় - www.mohfw.gov.in

• চিকিৎসাৰ কাউন্সেলিং কমিটি - www.mcc.nic.in

BAMS/BSMS/ BUMS/ BHMS পাঠ্যক্ৰমৰ বাবে ঃ

• AYUSH মন্ত্ৰালয় ঃ www.gyush. gov.in

• AYUSH নামভৰ্তিৰ কেন্দ্ৰীয় কাউন্সেলিং কমিটি ঃ www.aaccc.gov.in

(গ) বাকী থকা আসনসমূহৰ বাবে নিৰ্দিষ্ট ৰাজ্য / প্ৰতিষ্ঠানৰ ৱেবছাইটসমূহ চাবলৈ অনুৰোধ জনোৱা হ'ল।

(ঘ) প্ৰচাৰ পত্ৰত উল্লেখ নথকা কোনো বিষয়ৰ ক্ষেত্ৰত NTA/ MoH&FW /MCI/ DGHS / NMC / DCI/MoA/CCIM/ BoGCCH ৰ সিদ্ধান্তই শেষ সিদ্ধান্ত হিচাপে বিবেচিত হ'ব।

**২.৫ আইনী ক্ষেত্ৰাধিকাৰ**

পৰীক্ষা পৰিচালনা আৰু আসন আবন্টন সম্পৰ্কীয় যিকোনো বিবাদ কেৱল দিল্লীৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰত অন্তৰ্ভূক্ত। NTA ৰ জ্যেষ্ঠ নিৰ্দেশক (প্ৰশাসন) আইনী লোক হ'ব যাৰ নামত NTA য়ে মোকৰ্দমা কৰিব পাৰিব বা তেওঁৰ নামত মোকৰ্দমা হ'ব পাৰে।

টোকা ঃ

(ক) স্নাতক চিকিৎসা পাঠ্যক্ৰম বুলিলে Medical/ Dental/BAMS/ BSMS/ BUMS/ BHMS পাঠ্যক্ৰমক বুজাব।

(খ) বিভিন্ন প্ৰতিষ্ঠান/ ৰাজ্য চৰকাৰৰ পৰা পোৱা পৰামৰ্শসমূহ পৰিশিষ্ট-১৬ ত সন্নিৱিষ্ট কৰা হৈছে। শেহতীয়া তথ্যৰ বাবে প্ৰাৰ্থীসকলে সংশ্লিষ্ট প্ৰতিষ্ঠান/ ৰাজ্যচৰকাৰৰ ৱেবচাইটসমূহ নিয়মীয়া চাই থাকিব লাগিব।



**অধ্যায়-৩ সাধাৰণ তথ্য**

**৩.১ সাধাৰণ নিৰ্দেশাৱলী**

NEET (UG) 2020 পৰীক্ষা National Medical Commission Act-2019, Indian Medical Council Act -1956 আৰু Dentists Act-1948 আৰু অন্যান্য সংশ্লিষ্ট ও প্ৰযোজ্য অধিনিয়ম তথা ইয়াৰ সময়ানুসৰি হোৱা সংশোধনীৰ অধিনিয়মৰ ভিত্তিত পৰিচালিত হ'ব।

- NEET (UG)-2020 পৰীক্ষাত সাধাৰণভাৱে অৱতীৰ্ণ আৰু উত্তীৰ্ণ হ'লেই স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ ৰ বাবে নামভৰ্ত্তি হোৱাটো নুবুজায়। স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ ডিগ্ৰীৰ বাবে প্ৰাৰ্থী নিৰ্বাচন আৰু নামভৰ্তিৰ সমগ্ৰ প্ৰক্ৰিয়াটো নামভৰ্তিৰ নিয়মাৱলী পূৰণ, যোগ্যতা, যোগ্যতাৰ সূচীত স্থান, চিকিৎসাজনিত সক্ষমতা আৰু ভাৰত চৰকাৰ, ৰাজ্যিক চৰকাৰ, বিশ্ববিদ্যালয় প্ৰতিষ্ঠান তথা চিকিৎসা / দন্ত / আয়ুৰ্বেদ/ সিদ্ধা/ ইউনানি/ হোমিওপথি মহাবিদ্যালয়ৰ দ্বাৰা নিৰ্ধাৰিত অন্যান্য নিয়মাৱলীৰ ভিত্তিত সম্পন্ন হয়।
- ভুল তথ্য প্ৰদান কৰা আবেদনকাৰীৰ প্ৰ-পত্ৰৰ বৈধতা বাতিল কৰা হ'ব আৰু তেনে প্ৰাৰ্থী আবেদনকাৰীক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ অনুমতি প্ৰদান কৰাৰ পৰা NTA বিৰত থাকিব। এনে প্ৰাৰ্থীক আইনী প্ৰক্ৰিয়াৰে উপযুক্ত শাস্তি ব্যৱস্থা লোৱা হ'ব।
- আধৰুৱা তথা নিৰ্দেশাৱলী অনুসৰি পূৰণ নকৰা প্ৰ-পত্ৰসমূহ অযোগ্য হিচাপে বিবেচনা কৰা হ'ব।
- এবাৰ জমা দিয়া পৰীক্ষাৰ মাচুল ঘূৰাই দিয়া নহ'ব। এই মাচুল ভৱিষ্যতৰ কোনো পৰীক্ষাৰ বাবে প্ৰযোজ্য হিচাপেও বিবেচনা কৰা নহ'ব।
- এবাৰ দাখিল কৰা প্ৰ-পত্ৰ পুনৰ ঘূৰাই ল'ব নোৱাৰিব। প্ৰাৰ্থীয়ে মনত ৰখা উচিত যে বেংক একাউণ্টৰ পৰা কেৱল জমাধন বিয়োগ হ'লেই মাচুল আদায় দিয়া নুবুজাব যেতিয়ালৈ comfirmation page লাভ নকৰে।
- তথ্য পুস্তিকাৰ এই নিৰ্দেশাৱলীসমূহ NTA আৰু অন্যান্য কৰ্তৃপক্ষই বিভিন্ন সময়ত গ্ৰহণ কৰা সিদ্ধান্তৰ ভিত্তিত সলনি হ'ব পাৰে। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলক নিয়মীয়াকৈ ntaneet.nic.in ৱেবছাইট চাই থাকিবলৈ অনুৰোধ জনোৱা হ'ল।
- ৰোল নং আৰু প্ৰৱেশ পত্ৰ প্ৰকাশ হ'লেও NTA য়ে যিকোনো অযোগ্য প্ৰাৰ্থীক NEET(UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰদান কৰা অনুমতি বাতিল কৰিব পাৰে।
- NEET (UG)-2020 পৰীক্ষাৰ বাবে প্ৰাৰ্থীৰ যোগ্যতা সম্পূৰ্ণ অস্থায়ী আৰু ই MoH & FW /MCI/ NMC/DCI/NTA/MCC/MoA/ AACCC/ CCIM/ BoGCCH আৰু অন্যান্য প্ৰতিষ্ঠানৰ দ্বাৰা নিৰ্ধাৰিত যোগ্যতাৰ ওপৰত নিৰ্ভৰশীল।
- নিৰ্দেশাৱলী / শব্দ / নীতি-নিয়ম /যোগ্যতা নিৰ্ণয়ৰ নীতি / পৰীক্ষাৰ পৰিচালনা / প্ৰাৰ্থীসকলৰ পঞ্জীয়ন / সমগ্ৰ প্ৰক্ৰিয়াটোৰ লগত জড়িত অন্যান্য তথ্য সম্পৰ্কে কোনো স্বৰ্থ্যকতাৰ সৃষ্টি হ'লে তেনে ক্ষেত্ৰত MoH&EW/MCI/NMC/



DCI/NTA/MCC/ অন্যান্য নামভৰ্তি প্ৰতিষ্ঠানৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হিচাপে বিবেচিত হ'ব।

- NEET (UG)-2020 পৰীক্ষাৰ পৰিচালনাৰ প্ৰক্ৰিয়াটোত ভিডিঅ' ৰেকৰ্ডিং কৰা হ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ মূৰ থিয়কৈ ৰাখি কেমেৰাৰ সন্মুখীন হ'ব লাগিব যাতে তেওঁলোকৰ পৰিচয় নিখুঁতভাৱে লাভ কৰিব পাৰি। পৰীক্ষাৰ সময়ত প্ৰাৰ্থীসকলে এই ভিডিঅ' ৰেকৰ্ডিঙৰ সন্মতি প্ৰদান কৰা উচিত।

**৩.২ NEET (UG)-2020 পৰীক্ষাৰ পদ্ধতি**

| **বিষয়** | **প্ৰশ্নৰ ধৰণ** | **সময়সীমা** | **প্ৰশ্নৰ সংখ্যা** | **মুঠ নম্বৰ** |
|---|---|---|---|---|
| পদাৰ্থবিজ্ঞান | Multiple choice Question হ'ব আৰু প্ৰতিটো | দুপৰীয়া ২ বজাৰ পৰা | ৪৫ | ১৮০ |
| ৰসায়নবিজ্ঞান | প্ৰশ্নৰ চাৰিটা বিকল্প থাকিব তাৰ ভিতৰত | সন্ধিয়া ৫ বজালৈ | ৪৫ | ১৮০ |
| জীৱবিজ্ঞান (উদ্ভিদবিজ্ঞান আৰু প্ৰাণীবিজ্ঞান) | এটা বিকল্প হে শুদ্ধ হ'ব | | ৯০ | ৩৬০ |
| সৰ্বমুঠ | | | ১৮০ | ৭২০ |

**মন কৰিবলগীয়া ঃ**

- প্ৰতিটো প্ৰশ্নৰ বিপক্ষে ৪ নম্বৰ ধাৰ্য কৰা হ'ব
- প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে প্ৰাৰ্থীয়ে ৪ নম্বৰকৈ পাব
- প্ৰতিটো ভুল উত্তৰৰ বাবে ১ নম্বৰকৈ বিয়োগ কৰা হ'ব
- উত্তৰ দিবলৈ প্ৰাৰ্থীয়ে বিকল্পসমূহৰ মাজৰ পৰা এটা শুদ্ধ বিকল্প বাচি উলিয়াব লাগিব।
- অৱশ্যে, Answer Key ৰ প্ৰত্যাহ্বানৰ পিছত যদি এটাকৈ অধিক বিকল্প শুদ্ধ হিচাপে নিৰ্ণয় হয়।

তেন্তে তেনে প্ৰতিটো শুদ্ধ বিকল্পৰ বাবে ৪ নম্বৰকৈ প্ৰদান কৰা হ'ব।

ভুল বিকল্প বাচনিৰ বাবে ১ নম্বৰকৈ বিয়োগ কৰা হ'ব। কোনো উত্তৰ প্ৰদান নকৰা প্ৰশ্নসমূহ পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব আৰু নম্বৰ প্ৰদান বা বিয়োগ কৰাৰ পৰা বিৰত থকা হ'ব। যদিহে কোনো প্ৰশ্ন বাতিল কৰা হয়, তেন্তে সকলো প্ৰাৰ্থীকে ৪ নম্বৰকৈ প্ৰদান কৰা হ'ব। এই ক্ষেত্ৰত প্ৰাৰ্থীগৰাকীয়ে উত্তৰ প্ৰদান কৰিছে নে নাই, সেই দিশটো বিচাৰ কৰা নহয়।

**৩.৩ পৰীক্ষাৰ ধৰণ**

NEET (UG)-2020 কলম আৰু কাগজৰ মাধ্যমেৰে সম্পন্ন হ'বলগীয়া পৰীক্ষা। প্ৰাৰ্থীসকলে যান্ত্ৰিকভাৱে পৰীক্ষণ কৰিব পৰা বিশেষভাৱে প্ৰস্তুত কৰা পৃষ্ঠাত Ball point কলমৰ সহায়ত উত্তৰ প্ৰদান কৰিব লাগিব।

### ৩.৪ পৰীক্ষাৰ সময়সীমা

পৰীক্ষাৰ সমসীমা হ'ব — ৩ ঘণ্টা

### ৩.৫ প্ৰশ্নকাকতৰ মাধ্যম

- প্ৰাৰ্থীসকলে প্ৰশ্নকাকত তলত উল্লেখ কৰা ১১ টা ভাষাৰ ভিতৰত যিকোনো এটাত লাভ কৰিব—

  **ইংৰাজী, হিন্দী, অসমীয়া, বাংলা, গুজৰাটী, কানাড়া, মাৰাঠী, উড়িয়া, তামিল, তেলেগু, উৰ্দু**

- অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত সাৱধানতাৰে প্ৰশ্নকাকতৰ মাধ্যম বাচনি কৰিব লাগিব। এবাৰ বাচনি কৰা মাধ্যম পিছত সলনি কৰিব নোৱাৰিব।
- ইংৰাজী ভাষা বাচনি কৰা প্ৰাৰ্থীসকলে কেৱল ইংৰাজীতহে প্ৰশ্নকাকত লাভ কৰিব।
- হিন্দী ভাষা বাচনি কৰা প্ৰাৰ্থীসকলে হিন্দী আৰু ইংৰাজী ভাষা থকা দ্বিভাষিক প্ৰশ্ন কাকত লাভ কৰিব।
- স্থানীয় ভাষা বাচনি কৰা প্ৰাৰ্থীসকলে বাচনি কৰা ভাষা আৰু ইংৰাজী ভাষা থকা দ্বিভাষিক প্ৰশ্নকাকত লাভ কৰিব।
- অনুবাদৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা দ্বৰ্থ্যকতাৰ ক্ষেত্ৰত ইংৰাজী সংস্কৰণটোকে চূড়ান্ত হিচাপে গণ্য কৰা হ'ব আৰু NTA ৰ সিদ্ধান্তই চূড়ান্ত হ'ব।
- কোনো প্ৰশ্নৰ অনুবাদৰ বিসংগতি থাকিলে ইয়াৰ ইংৰাজী সংস্কৰণটোক চূড়ান্ত বুলি ধৰা হ'ব আৰু NTA ৰ সিদ্ধান্তই চূড়ান্ত হ'ব।
- স্থানীয় ভাষাৰ উপলব্ধতা তলত দিয়াৰ দৰে প্ৰাৰ্থীসকলে লাভ কৰিব—

| ক্ৰমিক নং | প্ৰশ্নকাকতৰ মাধ্যম | পৰীক্ষা কেন্দ্ৰ |
|---|---|---|
| ১ | ইংৰাজী | সকলো পৰীক্ষাকেন্দ্ৰ |
| ২ | হিন্দী | সকলো পৰীক্ষাকেন্দ্ৰ |
| ৩ | ইংৰাজী আৰু অসমীয়া | অসমৰ পৰীক্ষাকেন্দ্ৰ |
| ৪ | ইংৰাজী আৰু বাংলা | পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ পৰীক্ষাকেন্দ্ৰ |
| ৫ | ইংৰাজী আৰু গুজৰাটী | গুজৰাট, দমন আৰু দিউ, দাদৰা আৰু নগৰ হাভেলিৰ পৰীক্ষাকেন্দ্ৰ |
| ৬ | ইংৰাজী আৰু কানাড়া | কৰ্ণাটকৰ পৰীক্ষাকেন্দ্ৰ |
| ৭ | ইংৰাজী আৰু মাৰাঠী | মহাৰাষ্ট্ৰৰ পৰীক্ষাকেন্দ্ৰ |
| ৮ | ইংৰাজী আৰু উড়িয়া | উড়িষ্যাৰ পৰীক্ষাকেন্দ্ৰ |
| ৯ | ইংৰাজী আৰু তামিল | তামিলনাড়ুৰ পৰীক্ষাকেন্দ্ৰ |
| ১০ | ইংৰাজী আৰু তেলেগু | অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ পৰীক্ষাকেন্দ্ৰ |
| ১১ | ইংৰাজী আৰু উৰ্দু | সকলো পৰীক্ষাকেন্দ্ৰ |

NEET (UG)-2020 পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকল সৰ্বভাৰতীয় কোটা আৰু ৰাজ্য চৰকাৰ/ প্ৰতিষ্ঠানৰ বাবে মাধ্যম আৰু বিষয় নিৰ্বিশেষে যোগ্য হিচাপে বিবেচিত হ'ব।



**৩.৬ পৰীক্ষাৰ পাঠ্যক্ৰম**

ভাৰতীয় চিকিৎসা আয়োগ (Medical Council of India)ৰ দ্বাৰা নিৰ্ধাৰিত পাঠ্যক্ৰমৰ ভিত্তিত পৰীক্ষা অনুষ্ঠিত হ'ব। পাঠ্যক্ৰম www.mciindia.org ত উপলব্ধ। সবিশেষ জানিবলৈ পৰিশিষ্ট ১ চাওক।

**৩.৭ NEET (UG)-2020 পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া চহৰসমূহ**

(ক) পৰিশিষ্ট ২ ত NEET (UG)-2020 অনুষ্ঠিত হ'বলগীয়া চহৰসমূহৰ তালিকা সংকেতেৰে সৈতে প্ৰদান কৰা হৈছে।

(খ) অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত প্ৰাৰ্থীসকলে চাৰিখন সুবিধাজনক পৰীক্ষা কেন্দ্ৰ-চহৰ অগ্ৰাধিকাৰৰ অনুক্ৰমত পৰিশিষ্ট ২ ত থকা সংকেত ব্যৱহাৰ কৰি বাচনি কৰিব লাগিব।

(গ) প্ৰাৰ্থীসকলে তেওঁলোকৰ সুবিধাৰ বাবে নিজৰ চহৰ, নিজৰ ৰাজ্যৰ অন্তৰ্গত চুবুৰীয়া চহৰ আৰু কম দূৰত্বৰ চহৰ বাচনি কৰিব পাৰে। প্ৰাৰ্থীয়ে বাচনি কৰা ভুল চহৰৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হ'ব পৰা সমস্যাৰ বাবে NTA দায়ী নহয়।

(ঘ) যদিহে কোনো চহৰত প্ৰাৰ্থীৰ সংখ্যা যথেষ্ট কম হয়, তেন্তে সেই চহৰক পৰীক্ষা কেন্দ্ৰ প্ৰদান নকৰাৰ অধিকাৰ NTA ৰ আছে।

(ঙ) প্ৰাৰ্থীয়ে বাচনি কৰা কোনো চহৰৰ স্থানীয় ভাষাৰ (ইংৰাজী আৰু হিন্দীৰ বাহিৰে) পৰীক্ষাকেন্দ্ৰত পৰীক্ষাৰ্থীৰ সংখ্যা নিৰ্দিষ্টতকৈ কম হ'লে প্ৰাৰ্থীক অগ্ৰাধিকাৰ নিৰ্বিশেষে আন চহৰত কেন্দ্ৰ প্ৰদান কৰা হ'ব।

(চ) যদিও প্ৰাৰ্থীয়ে বাচনি কৰা চহৰতে কেন্দ্ৰ প্ৰদান কৰাৰ সম্পূৰ্ণ প্ৰচেষ্টা কৰা হ'ব, তথাপিও প্ৰাৰ্থীৰ অগ্ৰাধিকাৰৰ বাহিৰত চহৰ প্ৰদান কৰাৰ সম্পূৰ্ণ অধিকাৰ NTA ৰ আছে।

(ছ) পৰীক্ষা কেন্দ্ৰৰ আবণ্টন কৰাৰ সম্পূৰ্ণ প্ৰক্ৰিয়া কম্পিউটাৰৰ জৰিয়তে সমাপন হ'ব আৰু ইয়াত ব্যক্তিৰ কোনো ভূমিকা নাথাকে।

**টোকা ঃ** কেন্দ্ৰ আৱণ্টনৰ সময়ত বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ লগতে আন প্ৰাৰ্থীসকলৰ সুবিধাৰ প্ৰতি NTA সম্পূৰ্ণ চেষ্টা কৰিব।



## অধ্যায়-৪ যোগ্যতা আৰু অৰ্হতা

**NEET (UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতা ঃ**

NEET (UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিধি অনুসৰি প্ৰয়োজনীয় যোগ্যতাসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) নামভৰ্তিৰ সময়ত প্ৰাৰ্থীগৰাকী ১৭ বছৰীয়া হোৱা উচিত অথবা স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰথম বৰ্ষৰ ৩১ ডিচেম্বৰ বা তাৰ আগত ১৭ বছৰ পূৰ্ণ কৰিব লাগিব।

(খ) NEET (UG) পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ত অধিকতম বয়স হ'ল ২৫ বছৰ। SC/ST/OBC-NCL আৰু বিশেষভাৱে সক্ষম প্ৰাৰ্থীয়ে বয়সৰ ক্ষেত্ৰত ৫ বছৰ ৰেহাই লাভ কৰিব।

**টোকা ঃ** Graduate Medical Aducation, 1997, 22-01-2018 ৰ সংশোধীনৰ অধীনত থকা উৰ্দ্ধতম সীমা ২৫ বছৰ সম্পৰ্কে দিল্লী উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হৈছিল আৰু সেই বয়সটোকে ন্যায়ালয়ে ১১-৫-২০১৮ ৰ ৰায়দানত (W/PNo.1813/2018) বাহাল ৰখা হৈছিল। এই ৰায়দানটোক আকৌ প্ৰত্যাহ্বান জনাই ভাৰতৰ উচ্চতম ন্যায়ালয়ত SLP(C) No 14320/2018 শীৰ্ষক আবেদন দাখিল কৰা হৈছিল। মাননীয় ন্যায়ালয়ে ২৯/১১/২০১৮ত ২৫ বছৰ বা তাৰ ওপৰৰ প্ৰাৰ্থীসকলক NEET (UG) -২০১৯ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনুমতি প্ৰদান কৰিবলৈ এক অন্তৰ্বৰ্তী নিৰ্দেশ জাৰি কৰিছিল। উচ্চতম ন্যায়ালয়ে এই প্ৰাৰ্থীসকলক কাউন্সেলিংত অস্থায়ীভাৱে অৱতীৰ্ণ হ'ব বাবে ২৯/০৪/২০১৯তাৰিখে নিৰ্দেশ জাৰি কৰে। এই ন্যায় প্ৰক্ৰিয়া ৰায়দান কৰিবলৈ এতিয়াও বাকী আছে আৰু কৰ্তৃপক্ষই উচ্চতম ন্যায়্যলয়ে পৰৱৰ্তী সময়ত NEET (UG) -২০২০ ৰ বাবে জাৰি কৰা নিৰ্দেশ মানি চলিব। সেয়েহে ২৫ বছৰৰ ওপৰৰ প্ৰাৰ্থীসকলক পৰীক্ষাত অস্থায়ীভাৱে অৱতীৰ্ণ হবলৈ অনুমতি প্ৰদান কৰা হৈছে। আৰু তেওঁলোকৰ প্ৰাৰ্থীত্ব সন্মানীয় উচ্চতম ন্যায়ালয়ত বিচৰাধীন হৈ থকা আবেদনৰ পৰিণামৰ ওপৰত নিৰ্ভৰ কৰিব।

সেয়েহে প্ৰাৰ্থীৰ বয়সৰ সীমা তলত দিয়া ধৰণে সংশোধন কৰা হৈছে—

General (UR) /General-EWS শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ঃ ৩১/১২/২০০৩ ত বা তাৰ পূৰ্বে জন্ম হোৱা

ST/SC/ OBC-NCL/PWD শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে ঃ ৩১/১২/২০০৩ ত বা তাৰ পূৰ্বে জন্ম হোৱা

(গ) বিদেশী চিকিৎসা/দন্ত মহাবিদ্যালয়ৰ পৰা স্নাতক পাঠ্যক্ৰম গ্ৰহণ কৰিব বিচৰা ভাৰতীয় নাগৰিক/ প্ৰবাসী ভাৰতীয় নাগৰিকেও NEET (UG) পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

৪.২ ৰাজ্য/প্ৰতিম বিশ্ববিদ্যালয়/ কেন্দ্ৰীয় বিশ্ববিদ্যালয়/ দিল্লী বিশ্ববিদ্যালয় (DU) BHU আৰু AMU কৈ ধৰি ESIC আৰু AFMC ৰোৰ/Central Pool Quita, AIIMS, JIPMER, আদিৰ আসনৰ বাবে প্ৰয়োজনীয় অৰ্হতা।

(ক) ভাৰতীয় লোক, প্ৰবাসী ভাৰতীয় (NRI), ভাৰতৰ বিদেশী নাগৰিক (OCI),ভাৰতীয় মূলৰ লোক (PIO) আৰু বিদেশী নাগৰিকসকল চিকিৎসা/ দন্ত আয়ুৰ্বেদ/ সিদ্ধায় ইউনানি/ হোমিওপেথি মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে ৰাজ্যিক চৰকাৰ, বিভিন্ন প্ৰতিষ্ঠানসমূহ আৰু ভাৰত চৰকাৰৰ নিৰ্ধাৰিত নিৰ্দেশাৱলীৰ ভিত্তিত অৰ্হতাসম্পন্ন হ'ব লাগিব।



(খ) বিদেশী নাগৰিকসকলে নিৰ্দিষ্ট চিকিৎসা/ দন্ত আয়ুৰ্বেদ/ সিদ্ধায় ইউনানি/ হোমিওপেথি মহাবিদ্যালয়/ ৰাজ্যত তেওঁলোকৰ অৰ্হতা নিশ্চিত কৰিব লগা হ'ব পাৰে।

(গ) AIIMS কে ধৰি ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানত নাম ভৰ্তি কৰিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলৰ ক্ষেত্ৰতো NEET (UG) পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া একে যোগ্যতাৰ মাপকাঠি প্ৰযোজ্য হ'ব।

**৪.৩ ১৫ শতাংশ সৰ্বভাৰতীয় কোটা আসনৰ বাবে অৰ্হতা**

(ক) ভাৰতীয় লোক, প্ৰবাসী ভাৰতীয় ভাৰতৰ বিদেশী নাগৰিক, ভাৰতীয় মূলৰ লোক আৰু বিদেশী নাগৰিকসকল ১৫ শতাংশ সৰ্বভাৰতীয় কোটা আসনৰ বাবে অৰ্হতাসম্পন্ন।

(খ) কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ আৰু লাডাখৰ প্ৰাৰ্থীৰ বাবে—

১। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ আৰু লাডাখৰ ছাত্ৰসকল ১৫ শতাংশ সৰ্বভাৰতীয় কোটা আসনৰ বাবে অৰ্হতাসম্পন্ন নহয় যিহেতু স্থাপনৰ পিছতে জম্মু-কাশ্মীৰ আৰু লাডাখে সৰ্বভাৰতীয় আঁচনিৰ বিকল্প বাচি লৈছিল। যদিহে তেওঁলোকে অৰ্হতাৰ বাবে আবেদন কৰিব বিচাৰে, তেন্তে অনলাইন স্বঘোষিত পত্ৰ দাখিল কৰিব লাগিব। পত্ৰখন পৰিশিষ্ট-11 ত উপলব্ধ হ'ব আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ বাবে Confirmation Page ৰ লগত স্বয়ংক্ৰিয়ভাৱে ছপা হ'ব। ব্যক্তিগত কাউন্সেলিংৰ সময়ত প্ৰাৰ্থীয়ে এই পত্ৰখন দাখিল কৰিব লাগিব।

২। আগতে জন্মুকাশ্মীৰ আৰু লাডাখৰ প্ৰাৰ্থীসকল সৰ্বভাৰতীয় কোটা আঁচনিৰ আওতাৰ বাহিৰত আছিল। কিন্তু J &K Reorganisation Act, 2019 বলবৎ হোৱাৰ লগে লগে তেওঁলোকক এই আঁচনিত অন্তৰ্ভুক্ত হবলৈ অনুৰোধ কৰা হৈছে। তেওঁলোকৰ প্ৰশাসনে এতিয়ালৈ এই বিষয়ে সিদ্ধান্ত দিয়া নাই। সেয়েহে এই বিষয়ে পৰৱৰ্তী সময়ত জনোৱা হ'ব।

৩। প্ৰাৰ্থীয়ে দাখিল কৰা স্ব-ঘোষিত পত্ৰখন ব্যক্তিগত সাক্ষাৎকাৰৰ সময়ত পৰীক্ষা কৰি চোৱা হ'ব। যদিহে স্ব-ঘোষিত পত্ৰখন অসত্য প্ৰতিপন্ন হয় তেন্তে তেনে প্ৰাৰ্থীৰ নামভৰ্তি প্ৰক্ৰিয়া বাতিল কৰাৰ লগতে প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে অপৰাধ সংক্ৰান্তীয় গোচৰ ৰুজু কৰা হ'ব।

৪। কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ আৰু লাডাখৰ প্ৰাৰ্থীসকলে ব্যক্তিগত চিকিৎসা/দন্ত আয়ুৰ্বেদ/ সিদ্ধায় ইউনানি/ হোমিওপেথি মহাবিদ্যালয়, ব্যক্তিগত/ প্ৰতিম বিশ্ববিদ্যালয় / সৈনিক চিকিৎসা মহাবিদ্যালয় (AFMC), AIIMS, JIPMER,ত নামভৰ্তিৰ বাবে NEET (UG) -২০২০ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব।

**৪.৪ যোগ্যতা আৰু অৰ্হতা পৰীক্ষাৰ বিধি ঃ**

NEET (UG) -২০২০ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰাৰ্থীগৰাকীৰ তলত উল্লেখ কৰা অৰ্হতাসমূহ থাকিব লাগিব—

**বিধি -১ ঃ** ২০২০ চনৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা তথা ফলাফলৰ অপেক্ষাত থকা প্ৰাৰ্থীয়েও পৰীক্ষাৰ বাবে আবেদন কৰাৰ লগতে পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কিন্তু যদিহে প্ৰথম পৰ্যায়ৰ সাক্ষাৎকাৰৰ সময়ত প্ৰাৰ্থীজনে দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত প্ৰয়োজনীয় ন্যূনতম নম্বৰৰ সৈতে উত্তীৰ্ণ নহয়, তেন্তে স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে তেওঁৰ



যোগ্যতা বাতিল কৰা হ'ব।

যিসকল প্ৰাৰ্থীয়ে অৰ্হতাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছে অথবা অৱতীৰ্ণ হ'বলৈ গৈ আছে (ইংৰাজী, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান প্ৰধান বিষয়ৰ সৈতে) আৰু উল্লেখ কৰা প্ৰয়োজনীয় নম্বৰেৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ আশা কৰিছে, তেওঁলোকেও প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অৱশ্যে প্ৰয়োজনীয় নম্বৰেৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ প্ৰমাণ দিলেহে তেওঁলোকৰ প্ৰাৰ্থীত্ব গ্ৰহণযোগ্য হিচাপে বিবেচিত হ'ব।

**অথবা**

**বিধি-২ ঃ** শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগ (National Council of Educational Research and Training) এ ৰাষ্ট্ৰীয় শিক্ষা আয়োগ (National Committee on Education)ৰ দ্বাৰা ১০+২+৩ শৈক্ষিক গাঁথনি প্ৰৱৰ্তনৰ পিছত দিয়া নিৰ্দেশাৱলী অনুসৰি উচ্চতৰ/ জ্যেষ্ঠ মাধ্যমিক চূড়ান্ত পৰীক্ষা বা School Certificate Examination যাক ১০+২ উচ্চতৰ / জ্যেষ্ঠ মাধ্যমিক পৰীক্ষাৰ সমতুল্য হিচাপে গণ্য কৰা হয়, তেনে ১২ বছৰীয়া শিক্ষাৰ শেষৰ দুটা বছৰত প্ৰাৰ্থীয়ে পদাৰ্থবিজ্ঞান, ৰাসায়ণবিজ্ঞান, জীৱবিজ্ঞান, জৈৱ-প্ৰযুক্তিবিজ্ঞান (প্ৰতিটো বিষয়ত ব্যৱহাৰিক পৰীক্ষা থকাটো বাধ্যতামূলক) আৰু গণিত অথবা যিকোনো ঐচ্ছিত বিষয়ৰ লগতে বাধ্যতামূলক বিষয় হিচাপে ইংৰাজীৰ সৈতে উত্তীৰ্ণ হ'ব লাগিব।

যিসকল প্ৰাৰ্থীয়ে ১০+২ পৰীক্ষা মুক্ত বিদ্যালয়ৰপৰা অথবা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে উত্তীৰ্ণ হৈছে তেওঁলোকে NEET পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব। ইয়াৰ উপৰিও ১০+২ স্তৰত জীৱবিজ্ঞান/ জৈৱবিজ্ঞানক অতিৰিক্ত বিষয় হিচাপেলৈ উত্তীৰ্ণ হোৱা প্ৰাৰ্থীক MBBS প্ৰৱেশ পৰীক্ষাত পৰীক্ষাত হ'ব পাৰিব।

যদিহে প্ৰতিষ্ঠানখনে ভাৰতীয় বিশ্ববিদ্যালয় বা বিদেশী বিশ্ববিদায়লৰ কোনো পৰীক্ষা ১০+২ শৈক্ষিক গাঁথনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সমকক্ষ হিচাপে বিবেচনা কৰে, তেন্তে প্ৰাৰ্থীয়ে সেই নিৰ্দিষ্ট বিশ্ববিদ্যালয়য ভাৰতীয় বিশ্ববিদ্যালয় আয়োগৰপৰা প্ৰাপ্ত এখন প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব, য'ত এইটো সূচিত হৈ থাকিব যে প্ৰাৰ্থী গৰাকীয়ে উত্তীৰ্ণ হোৱা পৰীক্ষাটো ১০+২ শৈক্ষিক গাঁথনিৰ অধীনস্থ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সমকক্ষ।

**টোকা ঃ** বক্ৰ আখৰত লিখিত নিয়মসমূহ দিল্লী উচ্চ ন্যায়ালয়, এলাহাবাদ উচ্চ ন্যায়ালয়, লক্ষ্ণৌ সত্ৰ ন্যায়ালয় আৰু জবলপুৰস্থিত মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ত জনোৱা প্ৰত্যাহ্বান অনুসৰি ন্যায়ালয়ৰ বিচাৰ্য বিষয়। অনুমতিপ্ৰাপ্ত মুক্ত বিদ্যালয় শিক্ষা সংসদৰ পৰা উত্তীৰ্ণ প্ৰাৰ্থী আৰু জীৱবিজ্ঞান/জৈৱ প্ৰযুক্তিবিজ্ঞানক অতিৰিক্ত বিষয় হিচাপে অধ্যয়ন কৰা প্ৰাৰ্থীক অযোগ্য হিচাপে বিবেচনা কৰাৰ নীতিটো ন্যায়ালয়ে নাকচ কৰিছে। ভাৰতীয় মেডিকেল কাউন্সিলে মাননীয় উচ্চতম ন্যায়ালয় আৰু মাননীয় উচ্চ ন্যায়ালয়ত এই সম্পৰ্কে এখন বিশেষ আবেদন দাখিল কৰিছে। সেয়েহে মুক্ত বিদ্যালয়ৰ ৰাষ্ট্ৰীয় আয়োগ বা ৰাজ্যিক মুক্ত বিদ্যালয়ৰপৰা উত্তীৰ্ণ প্ৰাৰ্থী বা জীৱবিজ্ঞান/জৈৱ প্ৰযুক্তিবিজ্ঞানৰ অতিৰিক্ত বিষয় হিচাপে লৈ উত্তীৰ্ণ প্ৰাৰ্থীকক NEET (UG) -২০২০ পৰীক্ষাৰ বাবে অনুমতি প্ৰদান কৰা হ'ব যদিও ই ভাৰতীয় মেডিকেল কাউন্সিলৰ আবেদনৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব।



**অথবা**

**বিধি -৩ ঃ** এখন ভাৰতীয় বিশ্ববিদ্যালয়/ বোৰ্ড/ অন্যান্য অনুমতি প্ৰাপ্ত পৰীক্ষণ সংস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত বিজ্ঞান শাখাত ইণ্টাৰমিডিয়েট/ প্ৰাক্-স্নাতক পৰীক্ষা পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান জীৱনবিজ্ঞান/ জৈৱ-প্ৰযুক্তিবিজ্ঞান (প্ৰতিটো বিষয়ত ব্যৱহাৰিক পৰীক্ষা থাকিব লাগিব) তথা বাধ্যতামূলক বিষয় হিচাপে ইংৰাজীসহ প্ৰাৰ্থীগৰাকী উত্তীৰ্ণ হ'ব লাগিব।

**অথবা**

**বিধি-৪ ঃ** পদাৰ্থবিজ্ঞান ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান/ জৈৱ-প্ৰযুক্তিবিজ্ঞান আৰু ইংৰাজী সৈতে প্ৰাক্-পেচাদাৰী/ প্ৰাক্-মেডিকেল পৰীক্ষা উচ্চতৰ মাধ্যমিক পৰীক্ষা বা প্ৰাক্-বিশ্ববিদ্যালয় বা তেনে সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত। বিষয়সমূহত ব্যৱহাৰিক পৰীক্ষা অন্তৰ্ভুক্ত হৈ থকাৰ লগতে ইংৰাজী বাধ্যতামূলক হিচাপে থকাটো প্ৰয়োজনীয়।

**অথবা**

**বিধি-৫ ঃ** অনুমতি প্ৰাপ্ত বিশ্ববিদ্যালয়ৰ অধীনৰ তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বছৰ পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান/ জৈৱ প্ৰযুক্তিবিজ্ঞান (ব্যৱহাৰিক পৰীক্ষাসহ)ৰ উপৰিও প্ৰাৰ্থীসকলে পূৰ্বৰ অৰ্হতাৰ পৰীক্ষাত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান/ জৈৱ প্ৰযুক্তিবিজ্ঞান আৰু বাধ্যতামূলক বিষয় হিচাপে ইংৰাজীসহ উত্তীৰ্ণ হ'ব লাগিব।

**অথবা**

**বিধি -৬ ঃ** কোনো ভাৰতীয় বিশ্ববিদ্যালয়পৰা পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান (উদ্ভিদবিজ্ঞান, প্ৰাণীবিজ্ঞান)/ জৈৱ প্ৰযুক্তিবিজ্ঞান বিষয়সহ বিজ্ঞান শাখাত স্নাতক পৰীক্ষাত আৰু অৰ্হতাৰ পৰীক্ষাত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান আৰু ইংৰাজী বিষয়সহ উত্তীৰ্ণ হ'ব লাগিব।

**অথবা**

**বিধি-৭ ঃ** অন্য যিকোনো পৰীক্ষা, পৰিসৰ আৰু মৰ্যাদাৰ দিশৰপৰা (১০+২ পৰীক্ষা পদ্ধতিত শেষৰ দুটা বছৰত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান/ জৈৱপ্ৰযুক্তিবিজ্ঞান, য'ত তিনিটা বিষয়ত ব্যৱহাৰিক পৰীক্ষা অন্তৰ্ভুক্ত হোৱা উচিত) কোনো ভাৰতীয় বিশ্ববিদ্যালয়/আয়োগৰ দ্বাৰা পৰিচালিত ইণ্টাৰমিডিয়েট বিজ্ঞান পৰীক্ষাৰ (ব্যৱহাৰিক পৰীক্ষাসহ পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান / জৈৱ-প্ৰযযুক্তিবিজ্ঞান আৰু ইংৰাজী) সমকক্ষ হিচাপে বিবেচনা কৰা হ'ব।

- NEET (UG) -২০২০ পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জনৰ হেতু প্ৰাৰ্থীসকলে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান/ জৈৱ-প্ৰযুক্তিবিজ্ঞান আৰু ইংৰাজী প্ৰতিটো বিষয়ত উত্তীৰ্ণ হোৱাৰ লগতে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান/ জৈৱ প্ৰযুক্তিবিজ্ঞান এই তিনিটা বিষয় মিলাই গড় হিচাপত অৰ্হতাৰ পৰীক্ষাত ন্যূনতম ৫০ শতাংশ নম্বৰ লাভ কৰিব লাগিব। লগতে স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে Graduate Medical Regulations, 1997, ৰ ২০১৮ চনত হোৱা সংশোধনীৰ অনুসৰি প্ৰাৰ্থীসকলে NEET (UG) -২০২০ পৰীক্ষাৰ যোগ্যতাৰ সূচীত স্থান পাব লাগিব।
- অসংৰক্ষিত/সাধাৰণ আৰু আৰ্থিকভাৱে অনগ্ৰসৰ সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকলৰ ৫০ শতাংশ নম্বৰৰ পৰিবৰ্তে অনুসূচিত



জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকলে পদাৰ্থবিজ্ঞান ৰসায়নবিজ্ঞান আৰু জীৱবিজ্ঞান/ জৈৱ-প্ৰযুক্তিবিজ্ঞানত সন্মিলিতভাৱে গড় হিচাপত ৪০ শতাংশ নম্বৰ লাভ কৰিব লাগিব। NMC, CCIM And BO GCCH ৰ নিৰ্দেশাৱলী অনুসৰি বিশেষভাৱে সক্ষম প্ৰাৰ্থীসকলে ৫০ শতাংশৰ পৰিৱৰ্তে ৪৫ শতাংশ নম্বৰ লাভ কৰিব লাগিব।

- যিসকল প্ৰাৰ্থীয়ে বিদেশত শিক্ষা অৰ্জন কৰিছে আৰু ভাৰতৰ চিকিৎসা মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ বিচাৰিছে তেওঁলো দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত বা ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ (AIU), MCI আৰু নিৰ্দিষ্ট বিশ্ববিদ্যালয়খনৰ সহযোগত ধাৰ্য কৰা অন্য সমকক্ষ পৰীক্ষাত পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান/জৈৱ-প্ৰযুক্তিবিজ্ঞান আৰু ইংৰাজীত ৫০ শতাংশ নম্বৰ লাভ কৰিব লাগিব।

- MBBS পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে লগা ন্যূনতম যোগ্যতা-নম্বৰ ভাৰতৰ সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ (INI) ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

**টোকা ঃ** আন সকলো ক্ষেত্ৰত, ৰাজ্য/ প্ৰতিষ্ঠাসমূহৰ অৰ্হতাৰ বাবে 'কাট্- অফ' ওপৰত উল্লেখ কৰাতকৈ যদি পৃথক হয়, তেওঁলোকে নিজৰ নীতি অনুসৰণ কৰিব লাগিব।

- যদি কোনো প্ৰাৰ্থী ওপৰৰ ১-৭ নম্বৰৰ অধীনস্থ বিধিৰ ভিতৰত অন্তৰ্ভুক্ত নহয়, তেন্তে প্ৰাৰ্থীগৰাকীয়ে তেওঁৰ সম্পূৰ্ণ তথ্য যোগ্যতা নিৰূপণৰ বাবে দিব লাগিব।

**টোকা ঃ**

- প্ৰাক্-মেডিকেল পাঠ্যক্ৰম চিকিৎসা মহাবিদ্যালয় অথবা যিকোনো বিজ্ঞান মহাবিদ্যালয় পৰিচালিত হ'ব পাৰে।
- গণিতত লাভ কৰা নম্বৰ স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ বাবে অৰ্হতা নিৰূপণৰ মানদণ্ড হিচাপে গ্ৰহণ কৰা নহ'ব।
- বিদেশীয় আন্তঃৰাষ্ট্ৰীয় শিক্ষা সংসদৰপৰা উত্তীৰ্ণ প্ৰাৰ্থীসকলে নিশ্চিত হ'ব লাগিব যে তেওঁলোকে উত্তীৰ্ণ হোৱা যোগ্যতা নিৰ্ণয়ৰ পৰীক্ষা 'বিধি-৭' ত অন্তৰ্ভুক্ত নিৰ্দেশাৱলীৰ অধীন।

## অধ্যায় ৫. নামভৰ্তি আৰু সংৰক্ষণ

**৫.১ নামভৰ্তি প্ৰক্ৰিয়া ঃ**

উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ সৰ্বভাৰতীয় যোগ্যতাৰ সূচী NEET (UG) -২০২০ ৰ সৰ্বভাৰতীয় স্থান আৰু ৰাজ্যিক স্থানৰ ভিত্তিত প্ৰস্তুত কৰা হ'ব আৰু প্ৰাৰ্থীসকলে স্নাতক চিকিৎসা পাঠ্যক্ৰমত এই সূচীৰ ভিত্তিত সংৰক্ষণৰ নীতিৰ অধীনত নামভৰ্তি কৰিব পাৰিব। আনহাতে নামভৰ্তি প্ৰদান কৰা প্ৰতিষ্টানসমূহে প্ৰাৰ্থীসকলক ব্যক্তিগত সাক্ষাৎকাৰৰ বাবে মাতিব আৰু যোগ্যতাৰ প্ৰতিষ্ঠানবোৰে সৰ্বভাৰতীয় স্থানৰ ভিত্তিত প্ৰস্তুত কৰিব। নিৰ্দিষ্ট শ্ৰেণীৰ অন্তৰ্গত স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ বাবে নামভৰ্তি NEET (UG) -২০২০ সৰ্বভাৰতীয় যোগ্যতাৰ সূচীৰ ভিত্তিত প্ৰদান কৰা হ'ব।

**(ক) চৰকাৰী চিকিৎসা মহাবিদ্যালয়/বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান/ ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়ত ১৫ শতাংশ সৰ্বভাৰতীয় কোটাৰ অধীনত ধাৰ্য কৰা আসনৰ বাবে নামভৰ্তি**

১। ৰাজ্যিক কোটা আসনৰ বাবে সংৰক্ষণ আঁচনি আৰু যোগ্যতাৰ নীতিসমূহ সেই নিৰ্দিষ্ট ৰাজ্য/ কেন্দ্ৰীয় শাসিত অঞ্চলত প্ৰচলিত নীতি অনুসৰি নিৰ্ধাৰিত হ'ব।

২। নিৰ্দিষ্ট শ্ৰেণীৰ বাবে চিকিৎসা মহাবিদ্যালয়সমূহত সংৰক্ষিত আসন সেই ৰাজ্য/ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত প্ৰচলিত আইন অনুসৰি নিৰ্ধাৰিত হ'ব।

৩। ব্যক্তিগত খণ্ডৰ চিকিৎসা মহাবিদ্যালয়ত স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ বাবে নামভৰ্তিৰ বিষয়টো ভাৰত চৰকাৰ/ ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ আঁচনিৰ অধীন।

৪। সৰ্বভাৰতীয় পোন্ধৰ শতাংশ কোটাৰ আসনৰ বাবে নামভৰ্তি MCI/ NMC/BCI/MCC নীতি-নিয়ম আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ভিত্তি হ'ব। সেইদৰে ৮৫ শতাংশ ৰাজ্যিক কোটাৰ আসনৰ বাবে নামভৰ্তি MCI/ NMC/ BCI/MCC নীতি-নিয়ম আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ উপৰিও সংশ্লিষ্ট ৰাজ্য বা কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি হ'ব।

**(খ) AIIMS, JIPMER/ প্ৰতিম বিশ্ববিদ্যালয়/ কেন্দ্ৰিয় বিশ্ববিদ্যালয় /**BHU **আৰু** AMU **কে ধৰি** ESIC আৰু AFMC ত নামভৰ্তি

১। AIIMS/ JIPMER প্ৰতিম বিশ্ববিদ্যাল / কেন্দ্ৰীয় বিশ্ববিদ্যালয়/ESIC তথা দিল্লী বিশ্ববিদ্যালয় (DU), BHU আৰু AMU ৰ নামভৰ্তি প্ৰক্ৰিয়া DGHS/MoA/AACCC দ্বাৰা পৰিচালিত হ'ব। সংৰক্ষণৰ আঁচনিসমূহ নিৰ্দিষ্ট বিশ্ববিদ্যালয় বা প্ৰতিষ্ঠানৰ নীতি আৰু নিৰ্দেশনাৰ অনুসৰি ধাৰ্য কৰা হ'ব। প্ৰতিম/ কেন্দ্ৰীয় বিশ্ববিদ্যালয়/ ESIC আৰু AFMC ত MBBS/BDS নামভৰ্তিৰ বাবে প্ৰাৰ্থীয়ে MCC ৰ ৱেবচাইটত পঞ্জীয়ন কৰিব লাগিব। প্ৰতিম বিশ্ববিদ্যালয়/ কেন্দ্ৰীয় বিশ্ববিদ্যালয়/ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানত স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে AACCC ৱেবচাইতত পঞ্জীয়ন কৰিব লাগিব।

২। পুনেস্থিত AFMC নামভৰ্তিৰ প্ৰক্ৰিয়াটো ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অন্তৰ্গত সৈন্যবাহিনী চিকিৎসা সেৱা সঞ্চালকালয়ৰ নীতি অনুসৰি নিৰ্ধাৰিত হ'ব। যিসকল প্ৰাৰ্থীয়ে AFMC ত নামভৰ্তি কৰিব বিচাৰে, তেওঁলোকে NEET (UG) -২০২০ ৰ লগতে AFMC ৰ ৱেবচাইট www.afmc.nic.in/www afmcdgld.gov.in ত আবেদন কৰিব লাগিব। সীমিত তালিকাত স্থান পোৱা প্ৰাৰ্থীসকলে AFMC ৰ দ্বাৰা পৰিচালিত দ্বিতীয়টো পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। অধিক জানিবৰ বাবে প্ৰাৰ্থীসকলক AFMC ক যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। ব্যক্তিগত সাক্ষাৎকাৰ DGHS এ পৰিচালনা কৰিব।

৩। প্ৰতিম বিশ্ববিদ্যালয়/ কেন্দ্ৰিয় বিশ্ববিদ্যালয় /BHU আৰু AMU কে ধৰি ESIC আৰু AFMC ত নামভৰ্তি বাবে MCI/ NMC/BCI/MCC নীতি-নিয়ম আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ভিত্তি হ'ব। সেইদৰে ৮৫ শতাংশ ৰাজ্যিক কোটাৰ আসনৰ বাবে নামভৰ্তি MCI/ NMC/BCI/MCC নীতি-নিয়ম আৰু উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ উপৰিও সংশ্লিষ্ট ৰাজ্য বা কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্ধাৰিত নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি হ'ব।

৪। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহত MBBS পাঠ্যক্ৰমত নামভৰ্তি বাবে হবলগীয়া উমৈহতীয়া কাউন্সেলিং MCI নিয়ম অনুসৰি DGHS পৰিচালনা কৰিব।

(গ) যিসমূহ প্ৰতিষ্ঠানত DGHS অধীনত MCC য়ে কাউন্সেলিং পৰিচালনা কৰে, প্ৰাৰ্থীসকলে এই প্ৰতিষ্ঠানসমূহৰ বাবে দৰকাৰী যোগ্যতা জানিবলৈ MCC য়ে প্ৰকাশ কৰা FAQ চাব। উমৈহতীয়া কাউন্সেলিংত আসন আৱদ্ধতাৰ প্ৰতিৰোধ কৰিবলৈ Gradual Medical Education , 1997, 5A4 নিয়ম অনুসৰি বিগত কাউন্সেলিং ৰাউণ্ডত হোৱা অযোগ্যতাৰ বিষয়েও জানিব পাৰিব।

(ঘ) যিসমূহ প্ৰতিষ্ঠানত ৰাজ্য চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই কাউন্সেলিং পৰিচালনা কৰে, প্ৰাৰ্থীসকলে এই প্ৰতিষ্ঠানসমূহৰ বাবে দৰকাৰী যোগ্যতা জানিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ অধিসূচনা চাব পাৰে। MBBS পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে উমৈহতীয়া কাউন্সেলিংত আসন আৱদ্ধতাৰ প্ৰতিৰোধ কৰিবলৈ Graduate Medical Education , 1997, 5A4 নিয়ম অনুসৰি বিগত কাউন্সেলিং ৰাউণ্ডত হোৱা অযোগ্যতাৰ বিষয়েও জানিব পাৰিব।

**৫.২ সংৰক্ষণৰ নীতি**

ভাৰত চৰকাৰৰ সংৰক্ষণৰ নীতি NEET (UG)-২০২০ পৰীক্ষাতো কাৰ্যকৰী হ'ব। সেই অনুসৰি কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহত যিবোৰক প্ৰতিম বিশ্ববিদ্যালয় আখ্যা দিয়া হয় ১০ শতাংশ আসন আৰ্থিকভাৱে অনগ্ৰসৰ সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থী (GEN-EWS)ৰ বাবে, ১৫ শতাংশ আসন অনুসূচিত জাতি (SC) প্ৰাৰ্থীৰ বাবে, ৭.৫ শতাংশ আসন অনুসূচিত জনজাতি (ST) ৰ বাবে আৰু ২৭ শতাংশ আসন অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থী (OBC-NCL) ৰ বাবে সংৰক্ষণ কৰা হৈছে। সৰ্বভাৰতীয় ১৫ শতাংশ আসন বাদ দি বাকী আসনৰ বাবে সংশ্লিষ্ট ৰাজ্যিক চৰকাৰৰ সংৰক্ষণ নীতি প্ৰযোজ্য হ'ব।

**বিশেষভাৱে সক্ষম (PWD) প্ৰাৰ্থীৰ বাবে সংৰক্ষণ নীতি ঃ**

Graduate Medical Education , 1997, ১৪-৫-২০১৯ তাৰিখৰ সংশোধনী নিয়ম অনুসৰি চিকিৎসা পাঠ্যক্ৰমৰ

নামভৰ্তি বাবে বিশেষভাৱে সক্ষমপ্ৰাৰ্থী বাবে সংৰক্ষণ বিবেচনা কৰা হ'ব।

Graduate Medical Education , 1997ৰ ১৪-৫-২০১৯ তাৰিখত পৰিশিষ্ট-H-1 ত সংশোধনী অনুসৰি নিৰ্দিষ্টভাৱে সক্ষম প্ৰাৰ্থীসকলৰ বাবে Rights of persons with disability Act, 2016 অধীনত MBBS পাঠ্যক্ৰমত নামভৰ্তিৰ নিয়মাৱলী দিয়া হৈছে। (পৰিশিষ্ট-IX-B চাওক)

০৫/০২/২০১৯ ৰ Gazette of India ৰ উল্লেখ অনুসৰি MBBS পাঠ্যক্ৰমৰ বাবে, ১৮/০৬/২০১৯ ৰ Gazette of India ৰ উল্লেখ অনুসৰি BAMS/ BSMS/BUMS পাঠ্যক্ৰমৰ বাবে, ১৯/০৬/২০১৯ ৰ Gazette of India ৰ উল্লেখ অনুসৰি BHMS পাঠ্যক্ৰমৰ বাবে 'বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ সম্পৰ্কীয় আইন, ২০১৬'ৰ অধীনত 'সু-নিৰ্দিষ্ট অক্ষমতা (Specified disability)ৰ প্ৰাৰ্থীৰ বাবে নিৰ্দেশাৱলীসমূহ পালন কৰা হয়।

AIIMS বাবেঃ Rights of persons with disability Act, 2016 অনুসৰি PWD সংৰক্ষণৰ বাবে প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ধাৰণ কৰিব প্ৰতিষ্ঠানটোৰ মেডিকেল ব'ৰ্ডে।

**টোকা -**

১। অক্ষমতাৰ প্ৰমাণ পত্ৰ ২০১৭ চনৰ ১৫ জুনত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয় (বিশেষভাৱে সক্ষম ব্যক্তিৰ দিব্যাংগজন সবলীকৰণ বিভাগ)ৰ দ্বাৰা Gazette of India ত উল্লেখ কৰা বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ নীতি, ২০১৭ অনুসৰি প্ৰদান কৰা হ'ব।

২। 'সুনিৰ্দিষ্ট অক্ষমতা'ৰ মাপ৪ জানুৱাৰী ২০১৮ত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয় (বিশেষভাৱে সক্ষম ব্যক্তি দিব্যাংগজনৰ সবলীকৰণ বিভাগ)ৰ দ্বাৰা Gazette of India ত উল্লেখ কৰা 'বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ সম্পৰ্কীয় আইন, ২০১৬ত ধাৰ্য কৰা পৰিমাপণৰ নিৰ্দেশাৱলী অনুসৰি নিৰ্ধাৰণ কৰা হ'ব।

৩। বিশেষভাৱে সক্ষমতাৰ অধীনত সংৰক্ষণৰ বাবে প্ৰাৰ্থীৰ অক্ষমতাৰ ন্যূনতম মাপ ৪০ শতাংশ (অক্ষমতাৰ মাপকাঠি) হ'ব লাগিব। সবিশেষ পৰিশিষ্ট নং- ৯ ত পাব।

৪। পৰিশিষ্টত IX তসন্নিৱিষ্ট আৰ্হিত বিশেষভাৱে সক্ষম প্ৰাৰ্থীসকলে অক্ষমতাৰ প্ৰমাণ পত্ৰ উলিয়াব লাগিব, যদিহে তেওঁলোকে পাঁচ শতাংশ সংৰক্ষণ পাবলৈ বিচাৰে। এই প্ৰমাণ পত্ৰ Appendix-IX A ত সন্নিৱিষ্ট বাৰটা নিৰ্দিষ্ট কেন্দ্ৰৰ যিকোনো এটাৰ পৰা ল'ব লাগিব।

- এই শ্ৰেণীৰ প্ৰাৰ্থীসকলে চৰকাৰী চিকিৎসা মহাবিদ্যালয় বা জিলা চিকিৎসালয় বা চৰকাৰী চিকিৎসালয়ত নিজকে পৰীক্ষা কৰাই প্ৰমাণ পত্ৰ লব্ধ লাগিব। এই প্ৰমাণ পত্ৰ Rights of persons with disability Act, 2016, Rights of persons with disability Act, 2017 ৰ chapter-VII নিয়ম অনুসৰি হ'ব লাগিব। সেয়েহে প্ৰাৰ্থী সকলে নিশ্চিত হব লাগিব যে প্ৰাপ্ত প্ৰমাণ পত্ৰখনেৰে NEET (UG)- 2020 পৰীক্ষাত অৱতীৰ্ণ হবৰ বাবে NTA ক আবেদন কৰিব পাৰি নে নোৱাৰি।

- উমৈহতীয়া অনলাইন কাউন্সেলিংত অংশ গ্ৰহণ বা পঞ্জীয়ন কৰিব পাৰে নে নোৱাৰে নিৰ্ণয় কৰিবলৈ বিশেষভাৱে



সক্ষমপ্ৰাৰ্থীসকলে ফলাফল ঘোষণা কৰাৰ পাছত **বিশেষ সক্ষমতা নিৰ্ণায়ক বোৰ্ড**ৰ আগত অৱতীৰ্ণ হ'ব লাগিব। যদি বিশেষ সক্ষমতা নিৰ্ণায়ক বোৰ্ডৰ দ্বাৰা তেওঁ অযোগ্য হয়, তেনে প্ৰাৰ্থীয়ে কাউন্সেলিংত অংশ গ্ৰহণ কৰিব নোৱাৰে। এইটো দৰকাৰী যে চিকিৎসা মহাবিদ্যালয়ৰ নামভৰ্তিৰ সময়ত শৈক্ষিক আৰু বিশেষভাৱে সক্ষমতাৰ প্ৰমাণ পত্ৰকে ধৰি বিভিন্ন নথিপত্ৰ পৰীক্ষা কৰা হ'ব।

- **বিশেষ সক্ষমতা নিৰ্ণায়ক বোৰ্ড**ৰ দ্বাৰা প্ৰদান কৰা প্ৰমাণ পত্ৰহে চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তি বাবে বিবেচিত হ'ব। কোনো চৰকাৰী চিকিৎসা মহাবিদ্যালয় বা জিলা চিকিৎসালয় বা চৰকাৰী চিকিৎসালয়ে প্ৰদান কৰা কোনো ধৰণৰ প্ৰমাণ পত্ৰ এই ক্ষেত্ৰত বিবেচনা কৰা নহব।
- Graduate Medical Education , 1997, ১৪-৫-২০১৯ তাৰিখৰ সংশোধনী আৰু MCC, DGHS ৰ অধিসূচনা অনুসৰি নিৰ্দিষ্ট আৰ্হিত **বিশেষ সক্ষমতা নিৰ্ণায়ক বোৰ্ডে** বিশেষভাৱে সক্ষমতা প্ৰমাণ পত্ৰ প্ৰদান কৰিব। সৰ্বভাৰতীয় কোটাৰ প্ৰাৰ্থীৰ বাবে আৰু চিকিৎসা প্ৰতিষ্ঠানসমূহৰ বাবে MCC, DGHS ৰ দ্বাৰা পৰিচালিত উমৈহতীয়া কাউন্সেলিং সন্দৰ্ভত MCC, DGHS য়ে ইয়াৰ ৱেবছাইডট দিয়া অধীসূচনা অনুসৰি এই প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।
- Graduate Medical Education , 1997, ১৪-৫-২০১৯ তাৰিখৰ সংশোধনী অনুসৰি ৰাজ্য বা কেন্দ্ৰিয় শাসিত অঞ্চলৰ নিৰ্দিষ্ট কাউন্সেলিং কৰ্তৃপক্ষই প্ৰাৰ্থীসকলৰ বিশেষ সক্ষমতা নিৰ্ণয় কৰিবলৈ নিজাববীয়াকৈ **বিশেষ সক্ষমতা নিৰ্ণায়ক বোৰ্ড গ**ঠন কৰিব।

**বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ সম্পৰ্কীয় আইন (RPwD Act.) ২০১৬ ৰ ২ (r) দফাত থকা উল্লেখ অনুসৰি বিশেষ সক্ষমতা মাপকাঠিযুক্ত প্ৰাৰ্থীক লিপিকাৰ / পাঠক / বিজ্ঞানাগাৰ সহায়ক প্ৰদান কৰা হ'ব যদি তেওঁ বিচাৰে। ইয়াত লিখাৰ গতিৰ ক্ষেত্ৰত সীমাবদ্ধতা থাকিব।**

দৃষ্টিশক্তিসম্পন্ন বাধা, দৈহিক বাধাগ্ৰস্ততা (উভয় হাতৰ অক্ষমতা) মগজুৰ আঘাত সম্বন্ধীয় অক্ষমতা মাপকাঠিযুক্ত প্ৰাৰ্থীয়ে বিচাৰিব লিপিকাৰ বিজ্ঞানাগাৰ সহায়কৰ সুবিধা প্ৰদান কৰা হ'ব।

অন্যান্য শ্ৰেণী ক্ষেত্ৰত বিশেষ সক্ষমতাৰ মাপ-কাঠি (Benchmark)থকা প্ৰাৰ্থীক লিপিকাৰ/ পঢ়োতা /বিজ্ঞানাগাৰ সহায়ক লবলৈ অনুমতি প্ৰদান কৰা হ'ব, যদিহে প্ৰাৰ্থীগৰাকীয়ে লিখাৰ ক্ষেত্ৰত থকা সীমাবদ্ধতাৰ প্ৰমাণ পত্ৰ দিব পাৰে। লিপিকাৰ লাগে বুলি প্ৰমাণ পত্ৰ চৰকাৰী চিকিৎসালয়ৰ শীৰ্ষ চিকিৎসা বিষয়া/ অস্ত্ৰোপচাৰক /চিকিৎসা অধীক্ষককে পৰিশিষ্ট IX-C ত দিয়া আৰ্হি অনুসৰি দিব লাগিব।

ইয়াৰ উপৰিও নিৰ্দেশাৱলীত উল্লেখ থকা অনুসৰি বিশেষভাৱে সক্ষম প্ৰাৰ্থীজনে ব্যৱহাৰ কৰিবলগীয়া লিপিকাৰ বা পাঠকজনৰ শিক্ষাগত অৰ্হতা প্ৰাৰ্থীজনতকৈ এটা স্তৰ কম হ'ব লাগিব। পৰিশিষ্ট IX-D ত উল্লেখ থকা আৰ্হি অনুসৰি প্ৰাৰ্থীগৰাকীয়ে ব্যৱহাৰ কৰিবলগীয়া লিপিকাৰজনে নিজৰ সম্পূৰ্ণ তথ্য প্ৰদান কৰিব লাগিব। যিসকলে পৰীক্ষা কেন্দ্ৰৰ পৰা লিপিকাৰ বিচাৰে তেওঁলোকে পৰীক্ষাৰ এদিনৰ আগতে পৰীক্ষাকেন্দ্ৰৰ লগত যোগাযোগ কৰিব লাগিব।

**টোকা ঃ**

১।  লিপিকাৰজনে আবেদনখনত উল্লেখ থকা চৰকাৰী পৰিচয় পত্ৰ লগত আনিব লাগিব



২।		লিপিকাৰজনে দুখন পাচপ'ৰ্ট ফটো আনিব লাগিব।

লিপিকাৰ/ পাঠক/ বিজ্ঞানাগাৰ সহায়ক ব্যৱহাৰ কৰা প্ৰাৰ্থীসকলক প্ৰতিটো ঘন্টাৰ বিপৰীত ২০ মিনিটকৈ অধিক সময় প্ৰদান কৰা হ'ব।

সময়ে-সময়ে চৰকাৰে জাৰি কৰা সংৰক্ষণৰ নীতিসমূহ প্ৰতিষ্ঠানসমূহে মানি চলিব লাগিব। নামভৰ্ত্তিৰ সময়ত প্ৰাৰ্থীসকলক সবিশেষ তথ্য চাবলৈ অনুৰোধ কৰা হ'ল।

**গুৰুত্বপূৰ্ণ টোকা ঃ** NEET (UG) -২০২০ ৰ প্ৰ-পত্ৰ পুৰণৰ অন্তিম তাৰিখৰ পিছত শ্ৰেণী সম্বন্ধীয় কোনো পৰিবৰ্তনৰ বাবে অনুমোদন জনোৱা নহ'ব। লগতে NEET (UG) -২০২০ ৰ ফলাফল ঘোষণা পিছত কোনো পৰিবৰ্তন গ্ৰহণযোগ্য হিচাপে বিবেচিত নহ'ব।



**অধ্যায়-৬ ঃ আবেদন পত্ৰ দাখিলকৰণ আৰু মাচুল আদায়**

**৬.১ আবেদন পত্ৰ পূৰণৰ বাবে প্ৰস্তুতি**

NEET (UG) ২০২০ ৰ বাবে আৱেদন পত্ৰ পূৰণ কৰিবলৈ প্ৰাৰ্থীৰ ntaneet.nic.into লগইন কৰি লাগিব।

**আবেদন পত্ৰ দাখিল কৰাৰ আগতে তলৰ তথ্যসমূহ সাজু ৰাখিব লাগিব ঃ**

* অনলাইন আৱেদন পত্ৰত পিতৃ/মাতৃ আৰু প্ৰাৰ্থীৰ নামৰ বানান শুদ্ধতা, আধাৰ নম্বৰ (শেষৰ চাৰিটা অংক) / দ্বাদশ শ্ৰেণীৰ বোৰ্ড ৰোল নং নিৰ্বাচন কাৰ্ড (EPIC No)/পাচপৰ্ট নং/ৰেচন কাৰ্ড নং/বেংক একাউন্ট নম্বৰ/অন্যান্য চৰকাৰী বৈধ-পৰিচয় পত্ৰৰ নং জন্মৰ তাৰিখ, ঠিকনা মবাইল নম্বৰ, ইমেইল id. আদি লগত সাজু ৰাখিব লাগিব। প্ৰাৰ্থী সকলক আৱেদন পত্ৰৰ পূৰণৰ আগত পৰিশিষ্ট১৭ ত থকা আবেদন পত্ৰৰ আৰ্হি চাই লববলৈ পৰামৰ্শ দিয়া হৈছে।

* **পৰীক্ষাৰ্থী সকলে তলত উল্লেখিত যিকোনো এটা পৰিচয় পত্ৰ দাখিল কৰিব লাগিব ঃ**

| পৰীক্ষাৰ্থীৰ প্ৰকাৰ | গ্ৰহণীয় পৰিচয় পত্ৰ |
|---|---|
| সকলো ভাৰতীয় নাগৰিক | আধাৰ নম্বৰ (শেষৰ চাৰিটা সংখ্যা), দ্বাদশ শ্ৰেণী বোৰ্ড ৰোল নং,ভোটাৰ কাৰ্ড (EPIC নম্বৰ) ৰেচন কাৰ্ড ৰেচন কাৰ্ড, ফটোগ্ৰাফ সহ বেংকৰ পাছবুক, পাছপৰ্ট নাম্বাৰ নতুবা চৰকাৰী ভাৱে প্ৰদান কৰা যিকোনো এটা ফটো পৰিচয় পত্ৰ। |
| NRIs | পাছপৰ্ট নাম্বাৰ, আধাৰ নাম্বাৰ (শেষৰ চাৰিটা সংখ্যা) |
| বিদেশত থকা ভাৰতীয় নাগৰিক/OCI/PIO | পাছপৰ্ট নাম্বাৰ |

পৰীক্ষাৰ্থী সকলে অনলাইন আবেদন কৰোতে নিজৰ পাৰ্চপ'ট ফটো (10 kb ৰ পৰা 200 kb লৈ), পোষ্ট কাৰ্ড আকাৰৰ ফটো (4"x6") (আকাৰ 100 kb ৰ পৰা 500 kb লৈ) আৰু বাওঁহাতৰ বুঢ়া আঙুলিৰ টিপ চহী (আকাৰ 10 kb ৰ পৰা 50 kb লৈ) JPG/JPEG ৰূপত স্কেন কৰি লব লাগিব। বাওঁহাতৰ বুঢ়া আঙুলি নাথাকিলে সোহাতৰ বুঢ়া আঙুলিৰ টিপ চহী ল'ব পাৰিব।

**৬.২ অনলাইন প্ৰ-পত্ৰ পূৰণৰ নিৰ্দেশাৱলী সমূহ ঃ**

a) অনলাইন আবেদন কৰাৰ পূৰ্বে পৰীক্ষাৰ্থী গৰাকীয়ে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতাৰ বিষয়ে নিশ্চিত হোৱাৰ দৰকাৰ। পৰীক্ষাৰ্থীগৰাকীয়ে তথ্য পুস্তিকাখন পঢ়ি লোৱাতো দৰকাৰী আৰু তাত উল্লেখ কৰা নিদেশাৱলীসমূহৰ বিষয়ে স্পষ্টহোৱাতো দৰকাৰী।

b) পৰীক্ষাৰ্থীয়ে নিজৰ সম্পূৰ্ণ যোগাযোগ আৰু স্থায়ী ঠিকনা পিনকড্‌সহ আৰু ইমেইল (নিজৰ বা মাক-দেউতাকৰ)উল্লেখ কৰিব লাগিব, পৰৱৰ্তী যোগাযোগৰ বাবে।



c) পৰীক্ষাৰ্থীয়ে অকল নিজৰ বা মাক-দেউতাকৰহে মোবাইল নম্বৰ আৰু ইমেইল অনলাইন আবেদনত উল্লেখ কৰিব লাগিব যিহেতু NTA য়ে পৰীক্ষাৰ্থীৰ লগত উল্লেখিত মবাইল নম্বৰত SMS নতুবা emailৰ যোগেদিহে যোগাযোগ কৰিব।

d) পৰীক্ষাৰ্থীয়ে অনলাইন আবেদনত কোনো কচিং চেন্টাৰৰ যোগাযোগৰ নাম্বাৰ, মোবাইল নম্বৰ ডাকঘৰৰ ঠিকনা নতুবা ইমেইল ID দিব নোৱাৰিব।

e) পৰীক্ষাৰ্থীসকলে উত্তীৰ্ণ পৰীক্ষাৰ বিপৰীতে উল্লেখিত (০২ আৰু ০৭) কড্ (code) দুটা পুৰ কৰিব লাগিব। যদিহে পৰীক্ষাৰ্থীগৰাকীৰ যোগ্যতা ০২ আৰু ০৭ মতে নহয়, তেতিয়া পৰীক্ষাৰ্থীগৰাকীয়ে উল্লেখিত 'অন্যান্য' শিতানটো সম্পূৰ্ণ ভৰ্তি কৰিব লাগিব।

f) যিসকল পৰীক্ষাৰ্থী ২০২০ বৰ্যত দ্বাদশশ্ৰেণীৰ পৰীক্ষাত অৱত্তীৰ্ণ হব তেওঁলোকে ০১ নম্বৰ কড্‌টো বাছনি কৰিব লাগিব।

g) অনলাইন চিষ্টেমত পৰীক্ষাৰ্থীৰ এখনতকৈ অধিক আবেদন পত্ৰ গ্ৰহণ কৰা নহব। পৰীক্ষাৰ্থীয়ে আবেদন পত্ৰ দাখিল কৰাৰ পিছত উপলব্ধ নিশ্চিতি পত্ৰ নতুবা অন্যকোনো মানপত্ৰ NTA লৈ পঠোৱাৰ প্ৰয়োজন নাই।পৰীক্ষাৰ্থীসকলক ভৱিষ্যতৰ বাবে নূন্যতম চাৰিখন নিশ্চিতি পত্ৰ (মাচুল প্ৰদানৰ ৰছিদ সহ) নিজৰ লগত ৰাখিবলৈ পৰামৰ্শ দিয়া হল।

h) জম্মু-কাশ্মীৰ (UT) আৰু লাদাখৰ পৰীক্ষাৰ্থী সকলে Chapter-4 ৰ para 4.3 (b)ত উল্লেখিত সৰ্বভাৰতীয় ১৫% আসন সংৰক্ষনৰ বাবে অনলাইন স্বঘোষিত পত্ৰ পূৰণ কৰিব লাগিব।

**টোকা ঃ**

i. অনলাইন আবেদন পত্ৰ সম্পূৰ্ণ হোৱাৰ পিছত কোনো কাৰণতে সালসলনি কৰিব পৰা নহ'ব।

ii. অসম্পূৰ্ণ আবেদন গ্ৰহণ কৰা নহয়।

iii. যদি এজন পৰীক্ষাৰ্থীয়ে এখনতকৈ বেছি আবেদন পত্ৰ দাখিল কৰে, তেতিয়া তেওঁৰ আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব।

iv. পৰীক্ষাৰ যিকোনো পৰ্য্যায়ত প্ৰাৰ্থীজনৰ যদি সন্দেহ হয় যে তেওঁ কেইবাখনো আবেদন পত্ৰ পূৰণ কৰিছে বা প্ৰকৃত তথ্য দিয়া নাই তেনে ক্ষেত্ৰত প্ৰাৰ্থীক তেওঁৰ অতিৰিক্ত প্ৰমাণ বিচৰা হ'ব পাৰে।

v. যিকোনো পৰ্যায়ত (আনকি ফলাফল ঘোষণা কৰাৰ পিছতো) যদি পৰীক্ষাৰ্থীসকলে নকল তথ্যপাতি দাখিল কৰাটো ধৰা পৰে, তেনেক্ষেত্ৰত NTA এ পৰীক্ষাৰ্থীসকলক তিনি বছৰৰ বাবে পৰীক্ষাত অৱত্তীৰ্ণ হোৱাৰ পৰা বঞ্চিত কৰাৰ লগতে ভাৰতীয় সংশ্লিষ্ট আইনৰ অধীনত অপৰাধী হিচাপে কঠোৰ শাস্তিৰ সন্মুখীন হ'ব।

vi. আবেদন পত্ৰ পঞ্জীয়ন/জমা কৰোতে NEET (UG)-২০২০ ৱেবচাইটত অনলাইন পাছৱৰ্ড (OTP) টো মাত্ৰ ১৫ মিনিটৰ বাবেহে কাৰ্য্যকৰী হৈ থাকিব। নিৰ্দিষ্ট সময় পাৰ হৈ যোৱাৰ পিছত পৰীক্ষাৰ্থীয়ে পুনৰ নতুন অনলাইন পাছৱৰ্ডৰ বাবে নিৰ্দিষ্ট বুটাম টিপিব লাগিব।

**স্তৰ-১ ঃ পঞ্জীয়ন পৃষ্ঠা**

**পৰ্যায়-১ ঃ পঞ্জীয়ন কৰাৰ বাবে**

প্ৰাথমিক তথ্যখিনিৰ ভৰ্তীকৰণ আৰু চিষ্টেমত উপলব্ধ আবেদন পত্ৰৰ নম্বৰ সংগ্ৰহ।



i. পৰীক্ষাৰ্থীৰ নাম /মাতৃৰ নাম /পিতৃৰ নাম /মাধ্যমিক পৰীক্ষা বৰ্ড/সমপৰ্য্যাৰ বৰ্ড/বিশ্ববিদ্যালয়ৰ চাৰটিফিকেটত উল্লেখ কৰাৰ দৰে হব লাগিব।

ii. জন্মৰ তাৰিখটো দিন /বাৰ/চন ৰূপত মাধ্যমিক পৰীক্ষা বৰ্ড /বিশ্ববিদ্যালয় চাৰটিফিকেটত উল্লেখ থকা হ'ব লাগিব।

iii. চিনাক্তকৰণৰ উপায় ঃ প্ৰাৰ্থীসকলে তলত উল্লেখ কৰা যিকোনো এটা পৰিচয় পত্ৰ দাখিল কৰিব লাগিব

| **পৰীক্ষাৰ্থীৰ প্ৰকাৰ** | **গ্ৰহণীয় পৰিচয় পত্ৰ** |
|---|---|
| সকলো ভাৰতীয় নাগৰিক | আধাৰ নম্বৰ (শেষৰ চাৰিটা সংখ্যা), ভোটাৰ কাৰ্ড (EPIC নম্বৰ) ৰেচন কাৰ্ড, ফটোগ্ৰাফ সহ বেংকৰ পাছবুক, পাছপৰ্ট নাম্বাৰ নতুবা চৰকাৰী ভাৱে প্ৰদান কৰা যিকোনো এটা ফটো পৰিচয় পত্ৰ। |
| NRIs | পাছপৰ্ট নাম্বাৰ/আধাৰ নাম্বাৰ (শেষৰ চাৰিটা সংখ্যা) |
| বিদেশত থকা ভাৰতীয় নাগৰিক/OCI/PIO | পাছপৰ্ট নাম্বাৰ /আধাৰ নাম্বাৰ (শেষৰ চাৰিটা সংখ্যা) |

iv) আবেদন পত্ৰ পঞ্জীয়ণ কৰোতে পৰীক্ষাৰ্থীয়ে নিজৰ বা মাক-দেউতাৰ মোবাইল নম্বৰ আৰু ইমেইল উল্লেখ কৰিব লাগিব।

v) ডাক সূচাংক (PIN Code) সহ ডাকঘৰৰ ঠিকনা (স্থায়ী আৰু যোগাযোগৰ ঠিকনা) পিছৰ পৰ্যায়ত যোগাযোগৰ বাবে উল্লেখ কৰিব লাগিব। যোগাযোগৰ ঠিকনাৰ PIN Code টো উল্লেখিত ঠাইত লিপিবদ্ধ কৰিব লাগিব।

**স্তৰ ২ ঃ আবেদন পত্ৰ পূৰণকৰণ**

**সম্পূৰ্ণ আবেদন পত্ৰৰ পূৰণ কৰাৰ বাবে**

১. স্তৰ ১. ত অন্তৰ্ভুক্ত তথপাতি (মোবাইল নম্বৰ আৰু ই-মেইলৰ বাহিৰে) আবেদন পত্ৰ চূড়ান্তভাৱে দাখিল কৰাৰ আগতে সংশোধন কৰিব পৰা যাব। অৱশ্যে স্তৰ-২ স্পূৰ্ণ কৰাৰ পিছত মোবাইল নাম্বাৰ আৰু ই-মেইল সংশোধন কৰিব পৰা যাব।

২. **শ্ৰেণী ঃ** সাধাৰণ শ্ৰেণী সাধাৰণ শ্ৰেণী-অৰ্থনৈতিক ভাৱে দুৰ্বল, SC, ST & OBC-NCL শ্ৰেণীৰ তালিকাখন Categary option ত উপলব্ধ হ'ব। শ্ৰেণীৰ প্ৰমাণ পত্ৰ আবেদন পত্ৰৰ লগত আপলোড্ কৰিব নালাগে। প্ৰমাণ পত্ৰখন কাউন্সেলিংৰ সময় সংশ্লিষ্ট কৰ্তৃপক্ষই পৰীক্ষা কৰিব।

- **অন্যান্য পিছপৰা শ্ৰেণী** (OBC-NCL) অন্যান্য পিছপৰা শ্ৰেণীৰ NCLৰ তালিকাখন National ccommission of Backward class (NCBC), ভাৰত চৰকাৰৰ website (www.ncbc.nic.in) উপলব্ধ হ'ব। গতিকে এই তালিকাত অন্তৰ্ভুক্ত প্ৰাৰ্থীসকলে OBC-NCL শ্ৰেণীটো উল্লেখ কৰিব লাগিব। ৰাজিক OBC-NCL তালিকাত অন্তৰ্ভুক্ত প্ৰাৰ্থীসকলে, যিসকল Central OBC-NCL তালিকাত অন্তৰ্ভুক্ত নহয়স তেওঁলোকে সাধাৰণ শ্ৰেণীটো পূৰ্ণ কৰিব লাগিব।



- **অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী** (EWS)— Ministry of Social Justice and Empowerment ৰ দ্বাৰা জৰিত .OM No. 20013/01/2018-BC-11দিনাংক ১৭ জানুৱাৰী, ২০১৯ চন আৰু MHRD Department of Higher Education ৰ দ্বাৰা জাৰিত OM No. 12-4/2019-U1 দিনাংক ১৭/০১/ ২০১৯ আৰু চিঠি নং 35-2/ 2019-T.S.I.দিনাংক ২১/০১/২০১৯, ০১/০২/ ২০১৯, ০৪/০২/ ২০১৯ আৰু ১৫/০২/২০১৯ নিৰ্দেশাৱলী অনুসৰি কেন্দ্ৰীয় নিক্ষানুষ্ঠানহোৰত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণ ব্যৱস্থা গ্ৰহণ কৰা হয়।

৩. **নাগৰিকত্ব** ঃ NEET (UG)-২০২০ পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে প্ৰাৰ্থীসকল ভাৰতীয় নাগৰিক, ভাৰতীয় মূলৰ নাগৰিক, বিদেশত বাস কৰা ভাৰতীয় নাগৰিক হ'ব লাগিব।

৪. **ৰাজ্যি/ কেন্দ্ৰীয় শাসিত অঞ্চলৰ সংকেত** ঃ প্ৰাৰ্থীসকলে অনলাইন NEET (UG)-২০২০ পৰীক্ষাৰ বাবে পঞ্জীয়ন কৰাৰ সময়ত পৰিশিষ্ট- ৫ ত উল্লেখ থকাৰ দৰে ৰাজ্যি/ কেন্দ্ৰীয় শাসিত অঞ্চলৰ সংকেত উল্লেখ কৰিব লাগিব।

৫. **PwD ষ্টেচাচ** ঃ Provision of the Rights of Persons with Disability Act, 2016 আৰু MCI ৰ নিৰ্দেশনা অনুসৰি PwD ৰ সংজ্ঞা দিয়য়া হৈছে। PwD কেটেগৰীৰ অধীনত আবেদন কৰিবৰ বাবে প্ৰাৰ্থীসকলে উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত মানপত্ৰ দাখিল কৰিব লাগিব।

৬. **পৰীক্ষা কেন্দ্ৰৰ পছন্দৰ চহৰ** ঃ পৰিশিষ্ট - ২ ত উল্লেখিত নীতি অনুসৰি NEET (UG)-২০২০ পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলে কেৱল মাত্ৰ চাৰিখন চহৰৰ নাম পৰীক্ষা কেন্দ্ৰ হিচাপে বাছনি কৰিব লাগিব। পৰীক্ষাকেন্দ্ৰৰ বাছনি কম্পিউটাৰৰ দ্বাৰা কৰা হ'ব আৰু তাত মানুহৰ কোনো হস্তক্ষেপ নাথাকিব।

৭. **প্ৰশ্নকাকতৰ মাধ্যম ঃ**

- ইংৰাজী মাধ্যম নিৰ্বাচন কৰা পৰীক্ষাৰ্থী সকলক কেৱল ইংৰাজী মাধ্যমৰ প্ৰশ্নকাকত বিতৰণ কৰা হ'ব।
- হিন্দী / আঞ্চলিক ভাষা নিৰ্বাচন কৰা পৰীক্ষাৰ্থীসকলক দ্বিভাষিক প্ৰশ্নকাকত বিতৰণ কৰা হ'ব, অৰ্থাৎ হিন্দী/ আঞ্চলিক ভাষাৰ আৰু ইংৰাজী মাধ্যম। কিবা কাৰণত প্ৰশ্নকাকতত দ্ব্যৰ্থকতা থাকিলে ইংৰাজী মাধ্যমৰ প্ৰশ্নকাকত খনক চূড়ান্ত বুলি বিবেচনা কৰা হ'ব।

৮. **শিক্ষা সমন্ধীয় বিৱৰণ (X,XI & XII)** ঃ পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ সম্পূৰ্ণ শৈক্ষিক বিৱৰণ (X,XI & XII) শ্ৰেণীৰ বিষয়ে / যোগ্যতা অৰ্জন কৰা পৰীক্ষাৰ বিষয়ে উল্লেখ কৰিব লাগিব। প্ৰাৰ্থীসকলে উত্তীৰ্ণ পৰীক্ষাৰ বিপৰীতে (০২ আৰু ০৭) কড্ দুটা পূৰ কৰিব লাগিব। যদিহে প্ৰাৰ্থী গৰাকীৰ যোগ্যতা ০২ আৰু ০৭ কড্‌ৰ মতে নহয়, তেতিয়া প্ৰাৰ্থী গৰাকীয়ে উল্লেখিত 'অন্যান্য' শিতানটো পূৰ কৰিব লাগিব। যিসকল প্ৰাৰ্থী ২০২০ বৰ্ষত XII শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব তেওঁলোকে ০১ কডটো বাছনি কৰিব লাগিব।

৯. **একমাত্ৰ ছোৱালী সন্তান** ঃ উল্লেখিত বিকল্পটো প্ৰাৰ্থীসকলে কেৱল মাত্ৰ 'Female' শিতানটো নিৰ্বাচন কৰিলেহে উপলব্ধ হ'ব। পৰীক্ষাৰ্থীসকলে যাৰ পৰিয়য়ালত কোনো ককাই-ভাই আৰু ভনিয়েক নাই তেওঁলোকেহে এই শিতানটো নিৰ্বাচন কৰিব পাৰিব। যমজ সন্তান থকা পৰিয়ালৰ পৰীক্ষাৰ্থীয়েও এই শিতানটো নিৰ্বাচন কৰিব পাৰিব।

১০. **সংখ্যালঘূ ঃ** প্ৰাৰ্থীসকলে (Section 2 (c) of National Commission for Minaritiy Act, 1992 অন্তৰ্গত) যিকোনো এটা সংখ্যালঘু সম্প্ৰদায় যেনে মুছলমান, খ্ৰীষ্টিয়ান, শিখ, বৌদ্ধ, জৈন, পাৰচী বাছনি কৰিব

লাগিব। পৰিশিষ্ট - ১৫ ত উল্লেখিত ৰূপত প্ৰাৰ্থীসকলে সংখ্যালঘু সম্প্ৰদায়ৰ স্বঘোষিত পত্ৰ দাখিল কৰিব লাগিব।

১১. **পিতৃ-মাতৃ/অভিভাৱকৰ বিষদ বিৱৰণ ঃ** এই শিতানটোত পৰীক্ষাৰ্থীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ বৃত্তিৰ সংকেত, আয় অৰ্হতা ভৰাব লাগিব।

**টোকা ঃ**

- অনলাইন আবেদন পত্ৰৰ তথ্যবোৰ আবেদন পত্ৰ সম্পূৰ্ণ জমা কৰাৰ পূৰ্বে সালসলনি ঘটাব পৰা যাব।
- এবাৰ সম্পূৰ্ণকৈ জমা কৰাৰ পিছত, আবেদন পত্ৰৰ যিকেতানো তথ্য কেৱলমাত্ৰ "কাৰকচন উইনদছত" হে সালসলনি কৰিব পৰা যাব। তাৰ পিছত কোনো সালসলনি কৰিব পৰা নাযাব।
- মাচুল সম্পূৰ্ণকৈ আদায়ৰ পিছতহে আবেদন পত্ৰৰ পঞ্জীয়ন হোৱাতো নিশ্চিত হ'ব, অন্যথা আবেদন পত্ৰ অগ্ৰাহ্য কৰা হ'ব।
- পৰীক্ষাৰ্থীসকলে মন কৰা উচিত যে বেংকৰ পৰা টকা কৰ্তন কৰিলেই মাছুল আদায়ৰ প্ৰমাণ হ'ব নোৱাৰে। প্ৰাৰ্থী গৰাকীয়ে মাছুল পৰিশোধ কৰাটো তেওঁৰ বেংকৰ একাউণ্টত আপডেট হ'ব লাগিব। নিশ্চিত পত্ৰৰ উপলব্ধিয়ে প্ৰাৰ্থীগৰাকীৰ আবেদন পত্ৰখন কৃতকাৰ্য্যতাৰে দাখিল হোৱাতো বুজাব।
- অনলাইন পৰীক্ষাৰ্থীসকলে আবেদন পত্ৰ জমা কৰাৰ নিশ্চিত পত্ৰ NTA কাৰ্য্যলয়লৈ পঠিওৱাব নতুবা জমা কৰাৰ প্ৰয়োজন নাই। পিছে পৰীক্ষাৰ্থীসকলক ভৱিষ্যতে প্ৰয়োজনৰ খাতিৰত আবেদন জমাৰ নিশ্চিত পত্ৰ আৰু মাচুল আদায়ৰ চালানৰ হাৰ্ড কপি লগত ৰাখিবলৈ পৰামৰ্শ জনোৱা হ'ল।
- বেংক একাউণ্টৰ পৰা মাচুলৰ কৰ্তনে মাচুল জমা দিয়াৰ প্ৰমাণ নুবুজায়। Confirmation Page ৰ উপলব্ধিয়েহে আবেদন পত্ৰৰ দাখিল কৰাৰ কৃতকাৰ্য্যতাৰ প্ৰমাণ কৰে।

**স্তৰ ৩ ঃ স্কেন ইমেজ আপলোড**

i. **পৰীক্ষাৰ্থীৰ ফটোগ্ৰাফ আপলোড কৰিব লাগিব**

* ফটোগ্ৰাফটো 01.09.2019 তাৰিখে নতুবা তাৰ পিছত তোলা হ'ব লাগিব আৰু তাত সম্পূৰ্ণকৈ পৰীক্ষাৰ্থীৰ নাম -তাৰিখ সহ উল্লেখ থাকিব লাগিব। ফটোগ্ৰাফৰ লগত টুপি বা চশমা থাকিব নোৱাৰিব। ফকাছটো মুখত হব লাগিব (মুখৰ ৮০% ওলাই থকাকৈ, কাণ দুখন সম্পূৰ্ণ দৃশ্যমান হ'ব লাগিব)।
* দৈনন্দিন ব্যৱহাৰ কৰা পৰীক্ষাৰ্থীৰ বাবে চছমাৰ সৈতে তোলা ফটো গ্ৰহণ কৰা হ'ব।
* কালাৰইড আৰু কম্পিউটাৰ দ্বাৰা তৈয়াৰী ফটো ফটো গ্ৰহণ যোগ্য নহয়।
* এই নিৰ্দেশনাবোৰৰ মতে পূৰণ নকৰা আবেদন পত্ৰ নতুবা অস্পষ্ট ফটোগ্ৰাফ লগোৱা আবেদন পত্ৰ অগ্ৰাহ্য কৰা হ'ব।
* ফটোগ্ৰাফ নথকা আবেদন পত্ৰ অগ্ৰাহ্য হ'ব।
* ফটোগ্ৰাফ অনুপ্ৰমানিত কৰিব নালাগে। পৰীক্ষাৰ্থী সকলক ৬ ৰ পৰা ৮ খন ৰঙিন পাছপৰ্ট ফটো ৪ ৰপৰা পোষ্টকাৰ্ড আকাৰৰ 4"x6" ৰঙীণ ফটো (বগা পৃষ্ঠভূমিৰ সৈতে)লগত লৈ যাবলৈ কোৱা হ'ল।
* পৰীক্ষাৰ্থী সকলে আপলোড কৰা ফটোখন যদিহে হাতেৰে অংকন কৰা নতুবা কম্পিউটাৰত বনোৱা



বুলি প্ৰমাণিত হয়, তেতিয়া আবেদন পত্ৰ গ্ৰাহ্য কৰা নহ'ব আৰু এই কামটো এটা অনুচিত কাম হিচাপে গ্ৰহণ কৰা হ'ব আৰু পৰীক্ষাৰ্থীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* যদিহে আন বক্তিৰ ফটো আপলোড কৰা হয়, তেওঁৰ প্ৰাৰ্থীত্ব বাতিল হোৱাৰ লগতে শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব।

**টোকা :** অনলাইন আবেদনত আপলোড কৰা একে আকাৰৰ পাছপোৰ্ট ফটো পৰীক্ষা গৃহত উপস্থিতি পত্ৰৰ লগত গাঠি দিব লাগিব আৰু কাউন্সেলিং/ নামভৰ্তি কৰিব বাবেও লাগিব।

পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ পাছপোৰ্ট আকাৰৰ ফটো আপলোডৰ কাৰণে স্কেন কৰিব লাগিব আৰু ফাইলৰ আকাৰ 10 Kb ৰপৰা 200kb ৰ ভিতৰত হ'ব লাগিব।

ii. **পৰীক্ষাৰ্থীৰ চহী :** আপলোড কৰিব লাগিব

* পৰীক্ষাৰ্থীয়ে তেওঁৰ সম্পূৰ্ণ চহীটো এখন বগা কাগজত কলা ৰঙৰ চিয়াহীয়ে লিখি (ডাঙৰ বৰ্ণমালাত নালাগে) আপলোডৰ কাৰণে স্কেন কৰিব লাগিব।
* ফাইলৰ আকাৰটো 4kb ৰ পৰা 30 kb ৰ ভিতৰত হব লাগিব।
* চহীবিহীন অনলাইন আবেদন পত্ৰ গ্ৰাহ্য কৰা নহ'ব।
* যদিহে আন বক্তিৰ চহী আপলোড কৰা হয়, তেওঁৰ প্ৰাৰ্থীত্ব বাতিল হোৱাৰ লগতে শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব।

iii) **পৰীক্ষাৰ্থীৰ বাঁও হাতৰ বুঢ়া আঙুলিৰ টিপ চহী ঃ** আপলোড কৰিব লাগিব।

* পৰীক্ষাৰ্থীসকলে এখন বগা কাগজত তেওঁলোকৰ বাঁও হাতৰ বুঢ়া আঙুলিৰ নীলা ৰঙৰ চিয়াহীৰে টিপ চহী মাৰি আপলোডৰ বাবে স্কেন কৰিব লাগিব। বাওহাতৰ বুঢ়া আঙুলি নাথাকিলে সোহাতৰ বুঢ়া আঙুলিৰ টিপ চহী ল'ব পাৰে।
* ফাইলৰ আকাৰটো 10kb ৰ পৰা 50 kb ৰ ভিতৰত হব লাগিব।
* অস্পষ্ট টিপ চহী থকা আবেদন পত্ৰ গ্ৰহণ কৰা নহব।

**টোকা ঃ**

আপলোড কৰা ছবি (Image) স্পষ্ট আৰু সঠিক হ'ব লাগিব।

iv) **পৰীক্ষাৰ্থীৰ দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰ আপলোড কৰিব লাগিব।**

- পৰীক্ষাৰ্থীয়ে দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰখন আপলোডৰ বাবে স্কেন কৰিব।
- ফাইলৰ আকাৰটো 100kb ৰ পৰা 400 kb ৰ ভিতৰত হব লাগিব।

**স্তৰ ৪ : মাছুল প্ৰদান আৰু অনলাইন আবেদনৰ মাছুল আদায়ৰ চালান ঃ**

অনলাইন আবেদন পত্ৰৰ ৩নং স্তৰটো সম্পূৰ্ণ হোৱাৰ পিছত পৰীক্ষাৰ্থীসকলে মাচুল আদায়ৰ বাবে তলত উল্লেখিত বিকল্প সমূহ পালন কৰিব লাগিব।

* Debit/Credit কাৰ্ড আৰু Net Banking/UPI mode মাধ্যমৰ দ্বাৰা নিৰ্দেশাৱলী মতে মাচুল পৰিশোধ কৰিব লাগিব। (18% GST আৰু Processing ৰ মাচুল আদায় দিব লাগিব।)
* মাচুল পৰিশোধ কৰাৰ পিছত নিশ্চিতি পত্ৰখনৰ প্ৰিন্ট ল'ব লাগিব। (Debit card/ credit card/ Net banking/ SBI, Syndicate bank, HDFC bank, ICICI bank ৰ UPI/ Paytm জৰিয়তে মাচুল পৰিশোধ)
* যদি পৰীক্ষাৰ্থীসকলে ৪ নং স্তৰটো সম্পূৰ্ণ কৰিব নোৱাৰে, তেতিয়া আবেদন পত্ৰ অসম্পূৰ্ণ হৈ ৰব।
* নিশ্চিতি পত্ৰৰ উপলব্ধিয়ে আবেদন পত্ৰ দাখিলৰ চুৰান্তভাৱে নিশ্চিত কৰিব। যদিহে নিশ্চিতি পত্ৰখন

উপলব্ধ নহয়, তেতিয়া আবেদন পত্ৰ দাখিল অসম্পূৰ্ণ হব।

**টোকা ঃ** যদিহে মাচুল প্ৰদানৰ status টো ok নহয়, তেতিয়া পৰীক্ষাৰ্থীসকলক তলত উল্লেখিত কথাখিনি পালন কৰিবলৈ কোৱা হ'ল।

***** যদি মাচুল Debit/Credit কাৰ্ড ৰ দ্বাৰা পৰিশোধ কৰা হৈছে আৰু status টো ok নহয়, তেনে ক্ষেত্ৰত লেন-দেন বাতিল হোৱাটো বুজাব। তেতিয়া পৰীক্ষাৰ্থীসকলে পুনৰ মাচুল আদয় দিব লাগিব আৰু ok status ৰ নিশ্চিত কৰিব লাগিব।

লেন-দেন বাতিৰল হলে মাচুলৰ পৰিমাণটো আবেদন পত্ৰ পূৰণৰ অন্তিম দিনা ঘূৰাই দিয়া হব।

**৬.৩ অনলাইন আবেদন পত্ৰ পূৰণৰ বাবে প্ৰয়োজনীয় চেক্ লিস্ট (Check List):**

পৰীক্ষাৰ্থী সকলে অনলাইন আবেদন পত্ৰ পূৰণ কৰাৰ আগতে নিম্নোক্ত কথাবোৰ মন কৰিব লগিব

i. পৰীক্ষাৰ্থী গৰাকীয়ে পৰীক্ষাৰ বাবে উপৰোক্ত অৰ্হতা অৰ্জন কৰিছে নে নাই।

ii. পৰীক্ষাৰ্থীয়ে শুদ্ধভাৱে লিংগ নিৰ্বাচন কৰিব লাগে।

iii. জাতিৰ প্ৰমাণ পত্ৰ (যেনে সাধৰণ শ্ৰেণী / সাধাৰণ শ্ৰেণী অৰ্থনৈতিক ভাবে দুৰ্বল / OBC-NCL (Nou-Creamy layer) /SC / ST /PWD/ Transender) নিৰ্দিষ্ট ঘৰত উল্লেখ কৰিব লাগিব।

iv. বিশেষভাবে সক্ষম পৰীক্ষাৰ্থীয়ে (PWD) অনলাইন আবেদন পত্ৰৰ নিৰ্দিষ্ট কলমটো পূৰণ কৰিব লাগিব। বিশেষভাবে অক্ষম প্ৰাৰ্থীৰ বাহিৰে বাকী পৰীক্ষাৰ্থীসকলে সেই নিৰ্দিষ্ট কলমটো পুৰণ কৰিব নালাগে।

v. আবেদন পত্ৰৰ এটা কপি প্ৰিন্ট লব লাগিব পৰীক্ষাৰ্থীৰ নিজৰ সুবিধাৰ বাবে।

**৬.৪ পৰীক্ষাৰ মাছুল আদায়ৰ সম্পৰ্কে**

**আবেদনকাৰীসকলে প্ৰদান কৰিবলগীয়া মাচুলৰ সবিশেষ**

| | |
|---|---|
| সাধাৰণ শ্ৰেণী (General) | ১৫০০ টকা |
| General/EWS (সাধাৰণ-আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী)/ OBC/NCL* | ১৪০০ টকা |
| SC/ ST/PWD/ Transgender | ৮০০ টকা |

নিৰ্ধাৰিত Processing charge আৰু জি. এছ. টি. আবেদনকাৰীসকলে প্ৰদান কৰিব লাগিব।



**অধ্যায় ঃ ৭ অনলাইন আবেদন পত্ৰত অন্তৰ্ভুক্ত কৰিব লগীয়া বিবৰণ সমূহ**

**পৰীক্ষাৰ্থীয়ে অনলাইন আবেদন পত্ৰত তলত উল্লেখ কৰা বিবৰণ সমূহ অন্তৰ্ভুক্ত কৰিব লাগিব।**

* নাগৰিকত্ব
* স্বঘোষিত প্ৰমাণ পত্ৰ (পৰিশিষ্ট-III)
* লিংগ
* শ্ৰেণী
* স্থায়ী ঠিকনা আৰু যোগাযোগৰ ঠিকনা
* পাছপৰ্টৰ নম্বৰ/ ৰেচন কাৰ্ডৰ নম্বৰ/ বেংকৰ একাউন্ট নম্বৰ/চৰকাৰে প্ৰদান কৰা যিকোনো ID নম্বৰ / আধাৰ নম্বৰ (শেষৰ চাৰিটা সংখ্যা)/ ভোটাৰ কাৰ্ড ( EPIC নম্বৰ) দ্বাদশ শ্ৰেণীৰ বোৰ্ড ৰোল নম্বৰ
* জন্ম গ্ৰহণ কৰা জিলা /ৰাজ্য
* পিতৃ/মাতৃ /অভিভাৱকৰ জীৱিকা (পৰিশিষ্ট- VI)
* পিতৃ/অভিভাৱক / মাতৃৰ শিক্ষাগত অৰ্হতা (পৰিশিষ্ট- VI)
* পিতৃ / অভিভাৱক / মাতৃৰ বাৰ্ষিক উপাৰ্জনৰ পৰিমাণ (পৰিশিষ্ট- VI)
* প্ৰশ্নকাকতৰ মাধ্যম
* শ্ৰেণী XII / সমপৰ্যাযৰ পৰীক্ষাত উত্তীৰ্ণৰ বৰ্ষ/অৱতীৰ্ণ বৰ্ষ
* শতকৰা নম্বৰ/ ক্লাছ X ৰ গ্ৰেড / সমপৰ্যায়
* শ্ৰেণী X, XI & XII ত অধ্যয়ন কৰা জিলা / ৰাজ্য
* ধৰ্ম
* সংখ্যালঘু ষ্টেটাচ
* N M C বা নিয়মাৱলী মতে বিশেষভাৱে সক্ষম
* শ্ৰেণী XII / সমপৰ্যায় শ্ৰেণীৰ বিদ্যালয়
* গাঁও / চহৰৰ বাসিন্দা
* NEET (UG) বাবে প্ৰস্তুতি ধৰণ
* প্ৰাৰ্থী গৰাকীৰ ৰাজ্য (পৰিশিষ্ট- V)
* উত্তীৰ্ণ পৰীক্ষাৰ কড্ (4.4 of Section 4)
* বিদ্যালয়ৰ শৈক্ষিক বৰ্ড (পৰিশিষ্ট- VII )
* পৰীক্ষাৰ কেন্দ্ৰ / চহৰ (পৰিশিষ্ট- II)



**অধ্যায় ঃ ৮ নিষিদ্ধ সামগ্ৰী আৰু পোছাকৰ বিধি (ক'ড)**

**৮.১ নিষিদ্ধ সামগ্ৰী সমূহ**

পৰীক্ষাৰ্থী সকলে তলত উল্লেখ কৰা সামগ্ৰী সমূহ পৰীক্ষা গৃহৰ ভিতৰলৈ নিব নোবাৰিব। পৰীক্ষাৰ্থী সকলক পৰীক্ষা গৃহত প্ৰৱেশ কৰাৰ আগতে মেটেল ডিটেকটৰৰ দ্বাৰা তন্ন তন্ন কৈ পৰীক্ষা কৰা হ'ব।

a) যিকোনো ষ্টেচনাৰী সামগ্ৰী যেনে কিতাপ (প্ৰিন্ট কৰা বা হাতেৰে লিখা), কাগজ , জ্যামিতি / পেঞ্চিল, বাকচ, কেল্কুলেটৰ, কলম, স্কেন, লিখাৰ সজুলি, পেনড্ৰাইভ, ৰাবাৰ, লগ টেবুল, ইলেকট্ৰনিক কলম, স্কেনাৰ ইত্যাদি।

b) যোগাযোগৰ যিকোনো আহিলা যেনে মবাইল, ব্লুটুথ, হেডফোন, মাইক্ৰফোন, পেজাৰ ইত্যাদি।

c) অন্যান্য সজুলি যেনে ওৱালেট, চছমা, মোনা, বেল্ট, টুপি ইত্যাদি।

d) যিকোনো ঘড়ী/হাতঘড়ী, কেমেৰা, খাৰু ইত্যাদি।

e) যিকোনো ধৰণৰ গহনাপাতি

f) খাদ্য সামগ্ৰী (খোলা বা পেকেট) পানীৰ বটল ইত্যাদি।

g) অনুচিত কামৰ বাবে ব্যবহাৰ হ'ব পৰা যি কোনো ধৰণৰ সামগ্ৰী , লুকুৱাই ৰাখিব পৰা সামগ্ৰী যেনে মাইক্ৰচিপছ, কেমেৰা, ব্লুটুথ ইত্যাদি।

**টোকা ঃ**

যিসকল পৰীক্ষাৰ্থীয়ে লগত নিষিদ্ধ ধাতব সজুলি যেনে- *কাৰা* আৰু *কৃপণ* পৰীক্ষা কেন্দ্ৰলৈ লগত লৈ যায় তেওঁলোকে পৰীক্ষাগৃহত ডেৰঘন্টাৰ আগতে সজুলিসমূহ পৰীক্ষা কেন্দ্ৰৰ প্ৰৱেশ দ্বাৰত জমা দিব লাগিব। স্কেনিং কৰাৰ সময়ত যদি কোনো পৰীক্ষাৰ্থীৰ লগত ধাতৰ সজুলি থকাটো ধৰা পৰে, তেতিয়া পৰীক্ষাৰ্থীগৰাকীক পৰীক্ষাত বহাৰ অনুমতি দিয়া নহ'ব (দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা মতে, দিনাংক 03.05. 2018)।

পৰীক্ষা গৃহত পৰীক্ষাৰ্থীৰ কোনো সামগ্ৰী ৰখাৰ ব্যৱস্থা কৰা নহয়।

যদি কোনো পৰীক্ষাৰ্থীক পৰীক্ষাকেন্দ্ৰৰ ভিতৰত নিষিদ্ধ সামগ্ৰীৰ সৈতে ধৰা পেলোৱা হয়, তেতিয়া পৰীক্ষাৰ্থীৰ উপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

**৮.২ পোছাকৰ বিধি (ক'ড)**

পৰীক্ষাৰ্থীসকলক NEET (U.G)- 2020 পৰীক্ষাত অৱতীৰ্ণ হওঁতে তলত উল্লেখ কৰা পোছাকৰ নিৰ্দেশাৱলী মানি চলিবলৈ কোৱা হ'ল।

a) অৰ্দ্ধ আৰু সম্পূৰ্ণ দীঘল স্লিভ (Sleev) পৰিধান কৰিব নোৱাৰিব। যিসকল পৰীক্ষাৰ্থীয়ে জাতীয় পোছাক পৰিধান কৰি আহে তেওঁলোকে নূন্যতম আধাঘন্টাৰ (12.30 pm) আগতে উপস্থিত হ'ব লাগিব যাতে পৰীক্ষাৰ নিয়মাৱলী অনুসৰি যাবতীয় নিৰীক্ষণৰ পিছত পৰীক্ষা গৃহত প্ৰৱেশ কৰিব পাৰে।

b) চাপৰ গোৰোহাৰ স্লিপাৰ, চেন্দেল পিন্ধাৰ অনুমতি আছে। জোতা পৰিধানৰ অনুমতি নাই।

c) এৰাব নোৱাৰা চিকিৎসাজনিত অসুবিধাৰ বাবে NTA এ পৰা আগতীয়াকৈ প্ৰৱেশ পত্ৰ আগতে বিশেষ অনুমতি ল'ব লাগিব।



আশা কৰা হৈছে যে পৰীক্ষাৰ্থীসকলে NTA এ নিৰ্ধাৰণ কৰি দিয়া নিৰ্দেশাবলী সমূহ কঠোৰ ভাৱে পালন কৰে। এই নিয়মে NTA ক স্বচ্ছ আৰু নিকা পৰীক্ষা অনুষ্ঠিত কৰাত সাহয় কৰিব।

**টোকা ঃ পৰীক্ষাকেন্দ্ৰত পৰীক্ষাৰ্থীক তলাচী কৰাৰ ক্ষেত্ৰত বিভাগীয় কাৰ্য্যালয়ৰ কৰ্মচাৰীক বিশেষ নিৰ্দেশনা দিয়া হ'ব।**



**অধ্যায় ৯ ঃ পিতৃ-মাতৃ বা অভিভাৱকৰ বাবে তথ্য**

1. আশা কৰা হৈছে যে অভিভাৱক সকলে তেওঁলোকৰ সন্তানক NEET(UG)-2020 পৰীক্ষাত অৱৰ্ত্তীণ কৰাবৰ বাবে ঘৰৰপৰা উলিয়াই লৈ যোৱাৰ আগতে তলত উল্লেখ কৰা কথা কেইটা মন কৰে ঃ

a) প্ৰাৰ্থীসকলক 1.30pm ৰ পাচত পৰীক্ষা কেন্দ্ৰত প্ৰবেশৰ অনুমতি দিয়া নহ'ব। সেইবাবে প্ৰাৰ্থীসকলে বিভিন্ন কাৰকৰ যেনে ৰাস্তাৰ ট্ৰেফিক, পৰীক্ষা কেন্দ্ৰৰ স্থান, বতৰৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি ঘৰৰপৰা আগতিয়াকৈ ওলায় আহিব লাগে।

b) প্ৰাৰ্থীসকলে পৰীক্ষাৰ সকলো নীতি নিৰ্দেশনা মানিব লাগিব।

c) পৰীক্ষাৰ্থীসকলে কোনো ধৰণৰ নীতি নিয়ম ভংগ কৰিব নোৱাৰিব।

d) পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীসকলে কোনো ধৰণৰ অবাঞ্চিত কাৰ্য্য কৰিব নোৱাৰিব।

e) যদি কোনো পৰীক্ষাৰ্থীয়ে আন পৰীক্ষাৰ্থীক নীতি বিৰুদ্ধ কাম কৰা দেখে তেনে ক্ষেত্ৰত পৰীক্ষাৰ্থী গৰাকীয়ে দায়িত্বত থকা নিৰীক্ষক জনক সেই বিষয়ে আনতি পলমে জনাব লাগিব।

f) পৰীক্ষাৰ্থীসকলে তলত উল্লেখ কৰা সামগ্ৰীসমূহহে পৰীক্ষাকেন্দ্ৰলৈ নিব পাৰিব ঃ

- পাছপ'ৰ্ট ফটো সংলগ্ন এডমিট কাৰ্ড।
- উপস্থিতিৰ বহীত গাঁঠিবৰ বাবে এখন পাছপ'ৰ্ট আকাৰৰ ফটো।
- বৈধ পৰিচয় পত্ৰ, PWD চাৰ্টিফিকেট (যদি প্ৰযোজ্য হয়)
- প্ৰাৰ্থীয়ে ডাউনলোড কৰা প্ৰৱেশ পত্ৰ আৰু আৰ্হি পত্ৰত নিজৰ পোষ্ট আকাৰৰ (4"x6") বগা পৃষ্ঠভূমিৰ সৈতে ৰঙীণ ফটো লগাই কেন্দ্ৰৰ নিৰীক্ষকক জমা দিব লাগিব।

**টোকা ঃ** যিসকল প্ৰাৰ্থীয়ে ওপৰত উল্লেখ কৰাৰ দৰে নিৰ্দিষ্ট প্ৰপত্ৰত ফটো লগাই নানে আৰু নিজৰ পাচপ'ৰ্ট ফটো লৈ নাহে তেওঁক পৰীক্ষাত অৱতীৰ্ণ হবলৈ দিয়া নহব।

g) পৰীক্ষাৰ্থীসকলে কোনো ধৰণৰ নিষিদ্ধ সামগ্ৰী পৰীক্ষা কেন্দ্ৰলৈ নিব নোৱাৰিব।

h) পৰীক্ষাৰ্থীসকলে পৰীক্ষাকেন্দ্ৰত তালাচীৰ সময়ত কৰ্মচাৰী সকলক সহযোগ কৰিব লাগিব।

i) তালাচী চলোৱা হেতুকে পৰীক্ষাৰ্থীসকলে পৰীক্ষাকেন্দ্ৰত আগতীয়াকৈ উপস্থিত হ'ব লাগিব।

**j) পৰীক্ষাৰ্থীসকলে NEET(UG)-2020 পৰীক্ষাত অৱৰ্ত্তীৰ্ণ হওঁতে প্ৰয়োজনীয় ড্ৰেচ ক'ড মানি চলিব লাগিব। যদি পৰীক্ষাৰ্থীসকলে জাতীয় সাজপাৰ পৰিধান কৰি আহে, তেতিয়া তেওঁলোকে পৰীক্ষাৰ দিনাখন 12.30 pm বজাত পৰীক্ষাকেন্দ্ৰত উপস্থিত হ'ব লাগিব।**

k) শেহতীয়া পৰীক্ষা সম্পৰ্কীয় তথ্যৰ বাবে প্ৰাৰ্থীয়ে নিয়মীয়াকৈ NTA ৰ Website পঞ্জীভুক্ত ই-মেইল/ এছ

এম এছ চাই থাকিব।

2) আপোনাৰ সন্তানে যদি ওপৰত উল্লেখিত নিৰ্দেশাৱলী সমূহ উলংঘন কৰে, তেন্তে পৰীক্ষাৰ্থীসকলে পৰীক্ষাত অৱত্তীৰ্ণ হ'ব নোৱাৰিব।

3) আপোনালোকৰ সন্তানে যদি পৰীক্ষাৰ নীতি নিৰ্দেশনাৰ লগত সংলগ্ন যিকোনো ধৰণৰ নীতি বিৰুদ্ধ কামত লিপ্ত হয়, তেতিয়া পৰীক্ষাৰ নিৰ্দেশনা অনুসৰি পৰীক্ষাৰ্থী সকলক পৰীক্ষাত অৱত্তীৰ্ণ হ'বৰ বাবে অনুমতি দিয়া নহ'ব আৰু আইনমতে জগৰীয়া হ'ব।

4) পৰীক্ষাৰ দিনাখন যাতে পৰীক্ষাৰ্থীসকল পৰীক্ষাকেন্দ্ৰত 1.30pm নতুবা তাৰ আগতে উপস্থিত হয়, সেইটো আপুনি নিশ্চিত থাকিব। সেইবাবে ৰাস্তাৰ ট্ৰেফিক, বতৰৰ অৱস্থা, পৰীক্ষাকেন্দ্ৰৰ দূৰত্ব ইত্যাদি কথাবোৰ বিবেচনা কৰি ঘৰৰপৰা পৰীক্ষাকেন্দ্ৰলৈ যাওঁতে আগতীয়াকৈ অহাতো খুবেই দৰকাৰী। পৰীক্ষাৰ্থীসকলে পৰীক্ষা অনুষ্ঠিত হোৱাৰ আগদিনা পৰীক্ষাকেন্দ্ৰটোৰ অৱস্থিতি নিৰীক্ষণ কৰি গ'লে পৰীক্ষাৰ দিনা আহি পোৱাত পলম হোৱাৰ পৰা বাচিব পাৰিব।



**অধ্যায় ১০ ঃ প্ৰৱেশ পত্ৰ**

যোগ্যতাৰ চৰ্তপূৰণৰ সাপেক্ষে প্ৰাৰ্থীসকলক প্ৰৱেশ পত্ৰ অস্থায়ীভাৱে প্ৰদান কৰা হ'ব।

পৰীক্ষাৰ্থীসকলে NTA ৰ Website ৰপৰা 27 মাৰ্চ 2020 ৰপৰা কাৰ্যকৰী হোৱাকৈ এডমিট কাৰ্ডসমূহ ডাউনলোড আৰু এডমিট কাৰ্ডত উল্লেখ থকা সময় আৰু দিনাংক অনুসৰি পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

**এডমিট কাৰ্ডত উল্লেখিত সময় আৰু তাৰিখৰ বাহিৰে বেলেগ সময় আৰু তাৰিখত পৰীক্ষাৰ্থীসকলে পৰীক্ষাত অৱত্তীৰ্ণ হ'ব নোৱাৰিব।**

প্ৰাৰ্থীসকলে যদিহে এডমিট কাৰ্ডসমূহ Website ৰ পৰা ডাউনলোড কৰাৰ বাবে অসমৰ্থ হয়, তেতিয়া তেওঁলোকে হেল্পলাইন নম্বৰত 27 মাৰ্চ, 2020 পৰা 10 এপ্ৰিল, 2020, সময় পুৱা 10 বজাৰপৰা আবেলি 5 বজাৰ ভিতৰত যোগাযোগ কৰিব পাৰিব।

প্ৰাৰ্থীসকলক তথ্যপুস্তিকা আৰু প্ৰৱেশ পত্ৰত উল্লেখ থকা নিৰ্দেশাৱলীসমূহ সাৱধানেৰে পঢ়িবলৈ আৰু পৰীক্ষাৰ সময়ত সেইবোৰ পালন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

পৰীক্ষাৰ্থীসকলক এডমিট কাৰ্ডত উল্লেখিত নিৰ্দেশাৱলী সমূহ ভালদৰে পঢ়ি চাবলৈ কোৱা হ'ল আৰু নিৰ্দেশাৱলীসমূহ পৰীক্ষা চলি থকা সময়ত মানি চলিবলৈ কোৱা হ'ল।

যদি এডমিট কাৰ্ড আৰু নিশ্চিতি পত্ৰত পৰীক্ষাৰ্থীসকলৰ নাম, ফটোগ্ৰাফ আৰু চহী ভুল থাকে, তেতিয়া তেওঁলোকে হেল্পলাইন নম্বৰত পুৱা 10 বজাৰপৰা আবেলি 5 বজালৈ 27 মাৰ্চ 2020 ৰপৰা 10 এপ্ৰিল, 2020 ৰ ভিতৰত যোগাযোগ কৰি ল'ব লাগিব। তেনে ক্ষেত্ৰত পৰীক্ষাৰ্থীসকলে আগতে ডাউনলোড কৰা এডমিট কাৰ্ডেৰে পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অৱশ্যে NTA শুদ্ধ তথ্যটো পঞ্জীয়ন কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

**টোকা ঃ**

a. পৰীক্ষাৰ্থীসকললৈ এডমিট কাৰ্ড ডাকযোগে পঠোৱা নহয়।

b. কোনো কাৰণতে পৰীক্ষাৰ্থীসকলক বিকল্প এডমিট কাৰ্ড যোগান ধৰা নহয়।

c. এডমিট কাৰ্ডত অন্তৰ্ভূক্ত কোনো তথ্য পৰীক্ষাৰ্থীসকলে সলনি কৰিব নোৱাৰিব।

d. পৰীক্ষাৰ্থীসকলক তেওঁলোকৰ এডমিট কাৰ্ডসমূহ ভৱিষ্যতৰ বাবে লগত ৰাখিবলৈ কোৱা হ'ল।

e. অসম্পূৰ্ণ আবেদন ( অস্পষ্ট / সন্দেহজনক ফটোগ্ৰাফ / বিনা চহী ) আৰু পৰীক্ষাৰ বাবে যোগ্যতা নথকা পৰীক্ষাৰ্থীসকলক এডমিট কাৰ্ড প্ৰদান কৰা নহ'ব।

f. এডমিট কাৰ্ড প্ৰদান কৰিলেই পৰীক্ষাৰ্থী সকলৰ যোগ্যতাৰ মান থকাটো নিশ্চিত নকৰে, যিটো পিছত নামভৰ্ত্তিৰ সময়ত বিশেষভাৱে চালিজাৰি চোৱা হ'ব।



**অধ্যায় ১১ ঃ পৰীক্ষাগৃহত মানি চলিব লগা নিৰ্দেশাৱলীসমূহ**

a) পৰীক্ষাকেন্দ্ৰ পৰীক্ষা আৰম্ভ হোৱাৰ দুই (02) ঘণ্টাৰ আগতে খোলা হ'ব। কোনো পৰীক্ষাৰ্থীক 1.30 pm ৰ পিছত পৰীক্ষাকেন্দ্ৰত প্ৰবেশৰ অনুমতি দিয়া নহ'ব। গতিকে পৰীক্ষাৰ্থীসকলে পথৰ ট্ৰেফিক, পৰীক্ষাকেন্দ্ৰৰ স্থান, বতৰ এইবিলাকৰ কথা বিবেচনা কৰি পৰ্য্যাপ্ত সময়ৰ আগতে ঘৰৰপৰা ওলাব লাগে। পৰীক্ষাৰ্থীসকলক পৰীক্ষাগৃহ খোলাৰ লগে লগে নিজৰ নিজৰ আসনত বহিবলৈ কোৱা হ'ল।

| **পৰীক্ষাৰ দিন** | 03-05-2020 (**দেওবাৰ**) |
|---|---|
| **পৰীক্ষাৰ বাবে নিৰ্ধাৰিত সময়** | 2.00 pm **ৰপৰা** 5.00pm (03 **ঘণ্টা**) |
| • পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ চূড়ান্ত সময় | • 1.30 pm |
| • পৰীক্ষাগৃহত আসনত বহাৰ সময় | • 1.15 pm |
| • নিৰীক্ষকৰ দ্বাৰা দৰকাৰী নিৰ্দেশাৱলী আৰু এডমিট কাৰ্ড পৰীক্ষাৰ ঘোষণা | • 1.30 pm to 1.45 pm |
| • নিৰীক্ষকৰ দ্বাৰা প্ৰশ্নকাকত বিতৰণ | • 1.45 pm |
| • প্ৰশ্নোত্তৰ বহীৰ ওপৰত পৰীক্ষাৰ্থীৰ বিভিন্ন তথ্যৰ লিখন | • 1.50 pm |
| • পৰীক্ষাৰ আৰম্ভ | • 2.00 pm |
| • পৰীক্ষাৰ অন্ত | • 5.00 pm |

b) পৰীক্ষাৰ্থীসকলে পৰীক্ষাগৃহত সোমাবৰ বাবে এডমিট কাৰ্ড দেখুৱাব লাগিব। যিসকল পৰীক্ষাৰ্থীৰ বৈধ ডেমিট কাৰ্ড নাথাকে, তেওঁলোকক পৰীক্ষাকেন্দ্ৰৰ পৰিদৰ্শকে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ অনুমতি প্ৰদান নকৰে।

c) ৰোল নম্বৰ থকা আসনহে পৰীক্ষাৰ্থীসকলক প্ৰদান কৰা হ'ব। পৰীক্ষাৰ্থীসকলে নিজৰ নিজৰ আসনবোৰ বিচাৰি লৈ বহিব লাগিব। যদি কোনো পৰীক্ষাৰ্থীয়ে নিজৰ আসনৰ পৰিৱৰ্তে বেলেগৰ আসন দখল কৰি বহি থাকে তেতিয়া পৰীক্ষাৰ্থীগৰাকীক পৰীক্ষাত বহাৰ অনুমতি দিয়া নহ'ব।

d) পৰীক্ষা চলি থকাৰ সময়ত নিৰীক্ষকে পৰীক্ষাৰ্থীৰ পৰিচয় পত্ৰ সহ এডমিট কাৰ্ড পৰীক্ষা কৰিব। নিৰীক্ষকসকলে প্ৰশ্নোত্তৰ বহী আৰু উপস্থিতিৰ বহীত নিৰ্দিষ্ট স্থানত চহী কৰিব লাগিব।

**e) কোনো কাৰণতে 1.30 pm ৰ পিছত অহা পৰীক্ষাৰ্থীক পৰীক্ষাকেন্দ্ৰত সোমাবলৈ দিয়া নহ'ব।**

**f) পৰীক্ষাৰ দিনা পৰীক্ষাৰ্থীসকলে একমাত্ৰ তলত উল্লেখ কৰা নথি বা পত্ৰখিনিহে লগত আনিব লাগিব।**

**উল্লেখিত নথি পত্ৰখিনি লগত ননা পৰীক্ষাৰ্থীক পৰীক্ষাত বহাৰ অনুমতি দিয়া নহ'ব।**

- **NTA ৰ Website ৰপৰা ডাউনলোড কৰা এডমিট কাৰ্ডৰ (আবেদন পত্ৰত আপলোড কৰা একে পাচপ'ৰ্ট ফটোৰ সৈতে) প্ৰিণ্ট কপি।**
- এখন পাছপ'ৰ্ট আকাৰৰ ফটো (অনলাইন আবেদনৰ সৈতে একে ফটো) NEET (UG)-2020 পৰীক্ষাৰ উপস্থিতি বহীত নিৰ্দিষ্ট ঠাইত গাঁঠি দিবৰ বাবে।
- বগা পোষ্টকাৰ্ড আকাৰৰ .. এখন ৰঙীণ ফটো প্ৰৱেশ পত্ৰৰ লগত ডাউললোড কৰা আৰ্হি পত্ৰত আঠা লগাই আনিব লাগিব।
- যিকোনো এখন গ্ৰহণীয় ফটো পৰিচয় পত্ৰ (বৈধ আৰু প্ৰকৃত পৰিচয়পত্ৰ যেনে - পানকাৰ্ড / ড্ৰাইভিং লাইচেন্স / ভোটাৰ কাৰ্ড / পাছপ'ৰ্ট / আধাৰ কাৰ্ড (ফটো সংলগ্ন) / ৰেচন কাৰ্ড / দ্বাদশ শ্ৰেণীৰ বোৰ্ড ৰোল নং আৰু অন্যান্য বৈধ্য ফটো পৰিচয় পত্ৰ (চৰকাৰে প্ৰদান কৰা)।
- PWD শ্ৰেণী সংৰক্ষণৰ বাবে উপযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা গৃহীত কৰা PWD মানপত্ৰ।
- লিপিকাৰ (লিপিকাৰ ব্যৱহাৰ কৰাৰ প্ৰতিশ্ৰুতি পত্ৰৰ সৈতে) যদি দৰকাৰ

g) পৰীক্ষাৰ্থীসকলক যিকোনো ধৰণৰ পৰীক্ষাৰ নীতি-নিৰ্দেশনাৰ লগত জৰিত থকা নীতি বিৰুদ্ধ কামত লিপ্ত হ'ব পৰা যিকোনো ধৰণৰ আপত্তিজনক বয়বস্তু পৰীক্ষাকেন্দ্ৰলৈ লগত লৈ যোৱাত অনুমতি প্ৰদান কৰা নহ'ব। পৰীক্ষাৰ্থীসকলে তেনে ধৰণৰ সামগ্ৰী পৰীক্ষাকেন্দ্ৰৰ ভিতৰলৈ লৈ গ'লে তেওঁলোকক জগৰীয়া কৰা হ'ব।

h) পৰীক্ষাৰ্থীসকলক ইচ্ছামতে নিষিদ্ধ বয়বস্তু লগত নানিবৰ বাবে (Section-17) উপদেশ দিয়া হ'ল, যিহেতু পৰীক্ষাকেন্দ্ৰত তেনে সামগ্ৰী ৰখাৰ বাবে কোনো ব্যৱস্থা কৰা নহ'ব আৰু যদিহে কোনো পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহলৈ তেনে সামগ্ৰী লগত লৈ যায়, তেতিয়া পৰীক্ষাৰ্থীগৰাকীক পৰীক্ষাত বহাৰ অনুমতি প্ৰদান কৰা নহ'ব।

i) নিৰ্দ্ধাৰিত সময়ত পৰীক্ষা শেষ নোহোৱালৈকে পৰীক্ষাৰ্থী সকলে নিজৰ আসন বা কোঠা এৰি যাব নোৱাৰিব। কোনো পৰীক্ষাৰ্থীকে OMR পত্ৰ নিৰীক্ষকৰ হাতত জমা নিদিয়ালৈকে পৰীক্ষাগৃহৰ পৰা ওলায় যাবলৈ অনুমতি দিয়া নহ'ব।

j) পৰীক্ষাকেন্দ্ৰৰ ভিতৰত চিগাৰেট সেৱন কৰাটো নিষিদ্ধ।

**k) পৰীক্ষাকেন্দ্ৰৰ ভিতৰলৈ পানীৰ বটল, চাহ, কফি, ঠাণ্ডা-পানীয় ইত্যাদি নিয়াটো নিষিদ্ধ। ডায়বেটিছ ৰোগত ভুক্ত পৰীক্ষাৰ্থীসকলৰ বাবে খাদ্য সামগ্ৰী (আগতীয়া অনুমতি সাপেক্ষে) যেনে - চুগাৰ টেবলেট / ফল-মূল (যেনে - কল / আপেল / কমলা) আৰু পানীৰ বটল নিয়াৰ অনুমতি দিয়া হ'ব। কিন্তু তেনে পৰীক্ষাৰ্থীয়ে পেকেটত থকা খাদ্য যেনে - চকলেট / কেন্দী / চেন্দউইচ লগত নিব নোৱাৰিব।**

l) পৰীক্ষা এডমিট কাৰ্ডত উল্লেখ কৰা নিৰ্দিষ্ট সময়মতেই অনুষ্ঠিত হ'ব আৰু তাৰ বাবে নিৰীক্ষকে এটা ঘোষণা কৰিব।



m) পৰীক্ষা আৰম্ভ হোৱাৰ আগেয়ে নিৰীক্ষকে পৰীক্ষাৰ্থীসকলক প্ৰয়োজনীয় নীতি-নিৰ্দেশনাৰ বিষয়ে অৱগত কৰিব।

**n) পৰীক্ষাৰ আৰম্ভণি আৰু অৰ্দ্ধ সময়ত এটাকৈ সংকেত ধ্বনি বজোৱা হ'ব। পৰীক্ষা শেষ হোৱাৰ আগে আগেও এটা সংকেত বজোৱা হ'ব আৰু তাৰ পিছত পৰীক্ষাৰ্থীসকলে লিখা বন্ধ কৰিব লাগিব।**

o) পৰীক্ষাৰ্থীসকলে উপস্থিতিৰ বহী নিৰ্দিষ্ট ঠাইত দুবাৰ চহী কৰিব লাগিব। প্ৰথমতে পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগে আৰু দ্বিতীয়বাৰ উত্তৰ বহী নিৰীক্ষকৰ হাতত জমা কৰোতে। পৰীক্ষাৰ্থীসকলে উপস্থিতিৰ বহীত নিৰ্দিষ্ট ঠাইত আঙুলিৰ চাপ বহুৱাব লাগিব।

p) পৰীক্ষাৰ্থীসকলে প্ৰশ্ন কাকতৰ ওপৰৰ পৃষ্ঠাত উল্লেখ কৰা মুঠ পৃষ্ঠাৰ সংখ্যাটো প্ৰশ্নকাকতৰ পৃষ্ঠাৰ লগত মিলাই চাই নিশ্চিত হ'ব লাগে।

**q) নিৰ্দিষ্ট দিনত পৰীক্ষাত অৱতীৰ্ণ নোহোৱা পৰীক্ষাৰ্থীসকলৰ বাবে কোনো কাৰণেতে NTA পুনৰ পৰীক্ষা অনুষ্ঠিত নকৰে।**

r) ডায়বেটিছ ৰোগত আক্ৰান্ত পৰীক্ষাৰ্থীসকলে NTA ৰ নিয়মাৱলী অনুসৰি পৰীক্ষাকেন্দ্ৰত বিশেষ যত্ন ল'ব পাৰিব।



**অধ্যায় ১২ ঃ পৰীক্ষাৰ নীতি-নিৰ্দেশনাৰ উলংঘন আৰু নীতি বিৰুদ্ধ কাৰ্য্য**

**সংজ্ঞা**

**পৰীক্ষাৰ নীতি-নিৰ্দেশনাৰ উলংঘনে পৰীক্ষাৰ্থীসকলক নীতি বিৰুদ্ধ কাৰ্য্য কৰিবলৈ সুবিধা দিয়ে। তেনে কাৰ্য্যবোৰ তলত উল্লেখ কৰা হ'ল —**

a) যিকোনো ধৰণৰ বৰ্জিত সামগ্ৰী, যেনে - ষ্টেচনাৰী বস্তু, যোগাযোগৰ সঁজুলি, খাদ্য-সামগ্ৰী, গহণাপাতি বা অন্য কোনো সামগ্ৰী নতুবা নকল লগত কঢ়িয়াই লৈ যোৱাতো।

b) পৰীক্ষাত লিখিবৰ বাবে কাৰোবৰ পৰা সহায় লোৱাটো।

c) NEET (UG)-2020 পৰীক্ষাৰ বাবে NTA সময়ে সময়ে ঘোষণা কৰা পৰীক্ষাৰ নীতি নিৰ্দেশনাৰ উলংঘন।

d) পৰীক্ষাত কাৰোবাৰ পৰা বা কাৰোবাক পৰোক্ষ বা প্ৰতক্ষ্য ভাৱে সহায় লোৱা বা সহায় কৰাতো।

e) কেন্দ্ৰ অধীক্ষকে প্ৰদান কৰা উত্তৰ বহীৰ পৰিৱৰ্ত্তে অন্য কাগজ পাতিত উত্তৰ লিখা।

f) উত্তৰ বহী নতুবা প্ৰশ্নকাকতৰ পৃষ্ঠা ফলা।

g) পৰীক্ষাকেন্দ্ৰত পৰীক্ষা চলি থকাৰ সময়ত নিয়োজিত কৰ্মচাৰীৰ বাহিৰে যিকোনো বাহিৰা ব্যক্তিক যোগাযোগ কৰিব বিচৰাতো।

h) পৰীক্ষাগৃহৰ বাহিৰলৈ উত্তৰ বহী লৈ যোৱাতো।

i) গোপনে প্ৰশনকাকত বা প্ৰশ্নকাকতৰ পৃষ্ঠা নতুবা উত্তৰ বহী বা উত্তৰবহীৰ পৃষ্ঠা লগত লৈ যোৱাতো।

j) পৰীক্ষাৰ লগত জৰিত কোনো সামগ্ৰী বা অন্য কোনো পৰীক্ষাৰ্থীৰ সা-সামগ্ৰী চুৰি কৰা কাৰ্য্য।

k) পৰীক্ষাৰ লগত জৰিত কোনো নকৰিবলগীয়া কাৰ্য্য কৰা বা কাৰ্য্য কৰিবলৈ চেষ্টা কৰা।

l) অনলাইন ডকুমেণ্ট যেনো - এডমিট কাৰ্ড, স্থানপ্ৰাপ্ত পত্ৰ, স্বঘোষিত পত্ৰৰ হেৰফেৰ নতুবা বিকৃতি কৰা।

m) বল প্ৰয়োগ কৰি পৰীক্ষাকেন্দ্ৰৰ ভিতৰত প্ৰৱেশ কৰা বা প্ৰস্থান কৰা।

n) পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ পিছত যিকোনো ধৰণৰ ইলেকট্ৰ'নিক সা-সজুঁলি ব্যৱহাৰ কৰা নতুবা ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা।

o) আবেদন পত্ৰ / এডমিট কাৰ্ড / অন্য প্ৰ-পত্ৰৰ লগত ভুল বা ৰূপান্তৰিত ফটো গাঁঠি দিয়া নতুবা আপলোড কৰা।

p) উত্তৰ বহীৰ ওপৰত প্ৰিণ্ট কৰা তথ্যপাতি এৰুৱাই বা মোহাৰি পেলোৱা।

q) উত্তৰ বহীত ভুল তথ্য সন্নিবিষ্ট কৰা।

r) পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ আগতে বা পিছত পৰীক্ষাৰ উত্তৰ বহী বিকৃতি বা হেৰফেৰ কৰি Website ত আপলোড কৰি মিছাকৈ অভিযোগ কৰা।



s) নিয়াৰিকৈ পৰীক্ষা অনুষ্ঠিত কৰাত বাধা প্ৰদান কৰা।

t) NTA নিষিদ্ধ বা নীতি বিৰুদ্ধ বুলি ঘোষণা কৰা যিকোনো কাৰ্যত লিপ্ত হোৱা।

12.1 **নীতি বিৰুদ্ধ কাৰ্যত লিপ্ত হ'লে পাবলগীয়া শাস্তি ঃ**

পৰীক্ষা চলি থকাৰ সময়ত, আগত বা পাছত ওপৰত উল্লেখিত কাৰ্য্যবোৰত লিপ্ত হ'লে এজন পৰীক্ষাৰ্থীক নীতি বিৰুদ্ধ কাৰ্য্যত অভিযুক্ত বুলি গণ্য কৰি গোচৰ ৰুজু কৰা হ'ব। **পৰীক্ষাৰ্থী গৰাকীক 3 বছৰৰ বাবে পৰীক্ষাত অৱত্তীৰ্ণ হ'বলৈ দিয়া নহ'ব আৰু তেওঁৰ বিপক্ষে অপৰাধ মূলক গোচৰ তৰা হ'ব।**

12.2 **ফলাফল নাকচ ঃ**

a) নীতি বিৰুদ্ধ কাৰ্য্যত লিপ্ত হোৱা কোনো পৰীক্ষাৰ্থীৰে NEET (UG) -2020 পৰীক্ষাৰ ফলাফল নাকচ আৰু ঘোষণা কৰা নহ'ব।

b) একেধৰণেৰে, যিসকল পৰীক্ষাৰ্থীয়ে নিজৰ পৰীক্ষাকেন্দ্ৰৰ সলনি অন্য পৰীক্ষাকেন্দ্ৰত অৱতীৰ্ণ হয় নতুবা অন্য পৰীক্ষাৰ্থীয়ে কোনোবাই তেওঁৰ হৈ পৰীক্ষাত অৱতীৰ্ণ হয়, তেনে পৰীক্ষাৰ্থীৰ ফলাফল নাকচ আৰু ঘোষণা কৰা নহ'ব।



অধ্যায় ১৩ ঃ মেধাৰ তালিকা আৰু যোগ্যতাৰ মাপকাঁঠি

13.1 যোগ্যতাৰ মাপকাঁঠি-

Indian Medical Council Act-1956 ৰ অধীনত Graduate Medical Education Regulations-1997 আৰু Dentist Act, 1948ৰ অধীনত BDS Course Regulations-2007 ৰ অধীনত Medical Council of India, Dental Council of India আৰু অন্যান্য সংশ্লিষ্ট অধীনিয়ম অনুসৰি নিৰ্দ্ধাৰণ কৰা যোগ্যতাৰ ভিত্তিত NEET(UG)-2020 পৰীক্ষাত কৃতকাৰ্য্য হোৱা প্ৰাৰ্থীসকলৰ সৰ্বভাৰতীয় মেধাৰ তালিকা NTA য়ে প্ৰস্তুত কৰিব।

**যোগ্যতাৰ মাপকাঁঠিসমূহ তলত উল্লেখ কৰা হ'ল ঃ**

a) এটা নিৰ্দিষ্ট শৈক্ষিক বৰ্ষৰ বাবে স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ যোগ্যতাৰ বাবে পৰীক্ষাৰ্থীগৰাকীয়ে সৰ্বনিম্ন 50th Percentile নম্বৰ NTA অনুষ্ঠিত কৰা প্ৰবেশ পৰীক্ষাত পাব লাগিব। অৱশ্যে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে পৰীক্ষাৰ্থীৰ সৰ্বনিম্ন যোগ্যতাৰ নম্বৰ হৈছে 40th Percentile। Rights of Personality with Disabilities Act, 2016 ৰ অধীনত জাৰি কৰা নিৰ্দেশনা অনুসৰি সাধাৰণ শ্ৰেণী বা অৰ্থনৈতিক ভাবে দুৰ্বল (সাধাৰণ) শ্ৰেণীৰ অন্তৰ্গত বিশেষভাৱে সক্ষম পৰীক্ষাৰ্থীৰ বাবে 45th Percentile আৰু SC/ST/OBC-NCL শ্ৰেণীৰ অন্তৰ্ভূক্ত বিশেষভাৱে সক্ষম শ্ৰেণীৰ পৰীক্ষাৰ্থীৰ বাবে যোগ্যতাৰ সৰ্বনিম্ন নম্বৰ হ'ল 40th Percentile স্নাতক চিকিৎসা পাঠ্যক্ৰমৰ বাবে নামভৰ্ত্তিৰ বাবে অনুষ্ঠিত কৰা National Eligibility cum Entrance পৰীক্ষাৰ যোগেদি সৰ্বভাৰতীয় মেধাৰ ভিত্তিত প্ৰস্তুত কৰা সৰ্ব্বোচ্চ নম্বৰ প্ৰাপ্তৰ ওপৰত ভিত্তি কৰি Percentile নিৰ্দ্ধাৰণ কৰা হ'ব।

b) National Eligibility cum Entrance Test-ৰ যোগেদি স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে অনুষ্ঠিত পৰীক্ষাত যদি বিশেষ শ্ৰেণীৰ প্ৰাৰ্থীসকলে নিৰ্দ্ধাৰণ কৰি দিয়া সৰ্বনিম্ন নম্বৰ পাবলৈ অসমৰ্থ হয়, তেনে ক্ষেত্ৰত কেন্দ্ৰ চৰকাৰে Medical Council of India আৰু Dental Council of India, Central Council of Indian Medicine আৰু Central Council of Homeopathy -ৰ লগত আলোচনা মৰ্মে স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে সৰ্বনিম্ন নম্বৰৰ পৰিমাণ কমকৈ নিৰ্দ্ধাৰণ কৰিব আৰু কেন্দ্ৰ চৰকাৰে কমকৈ নিৰ্দ্ধাৰণ কৰি দিয়া নম্বৰটো সেই বিশেষ শৈক্ষিক বৰ্ষৰ বাবেহে প্ৰযোজ্য হ'ব।

c) স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীজনে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান / জৈৱপ্ৰযুক্তি বিজ্ঞান আৰু ইংৰাজী বিষয়ত সৰ্বনিম্ন 50% নম্বৰসহ উত্তীৰ্ণ হ'ব লাগিব, যিটো স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে National Eligibility Cum Entrance Test -ৰ অধীনত Graduate Medical Education Regulations-1997 আৰু BDS Course Regulations, 2007 দ্বাৰা নিৰ্ধাৰিত। SC, ST আৰু OBC-NCL শ্ৰেণীৰ অন্তৰ্ভূক্ত পৰীক্ষাৰ্থীসকলৰ বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান / জৈৱ প্ৰযুক্তি বিজ্ঞান বিষয়ত যোগ্যতাৰ পৰীক্ষাত অৱতীৰ্ণ



হ'বৰ বাবে 50% নম্বৰৰ সলনি 40% নম্বৰ প্ৰাপ্ত হ'ব লাগিব। অন্যহাতে Rights of Persons with Disabilities Act, 2016 ৰ অধীনত বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ (Unreserved Category of Gen(EWS)) বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান / জৈৱবিজ্ঞান বিষয়ত নিম্নতম নম্বৰ 50% ৰ পৰিৱৰ্তে 45% আৰু SC/ST/OBC-NCL প্ৰাৰ্থীৰ বাবে 50% ৰ পৰিৱৰ্তে 40% প্ৰযোজ্য হ'ব। BUMS পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীসকলে 10th Standard ত উৰ্দু বা আৰবি বা পাৰচিয়ান ভাষাক এটা বিষয় হিচাপে লৈ কোনো বিশ্ববিদ্যালয় বা পৰিষদে অনুষ্ঠিত কৰা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। BSMS পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰাৰ্থীসকলে তামিল ভাষাক বিষয় হিচাপে লৈ 10th Standard / Higher Secondeary পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

d) যিসকল প্ৰাৰ্থীয়ে 10+2 পৰীক্ষাটো মুক্ত বিদ্যালয় নতুবা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষাত উত্তীৰ্ণ হৈছে, তেওঁলোকে National Eligibility Cum Entrance Test পৰীক্ষাত অৱতীৰ্ণৰ বাবে যোগ্যতা অৰ্জন নকৰে। তদুপৰি 10+2 পৰীক্ষাত জীৱ বিজ্ঞান / জৈৱ প্ৰযুক্তি বিজ্ঞানক অতিৰিক্ত বিষয় হিচাপে লৈ উত্তীৰ্ণ হোৱা প্ৰাৰ্থীয়ে বাচনি পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব।

Medical Council of India ই উচ্চ আৰু উচ্চতম ন্যায়ালয়ৰ ওচৰত বিশেষ ছুটীৰ মঞ্জুৰৰ বাবে আবেদন কৰা আছে। গতিকে যিসকল প্ৰাৰ্থীয়ে NEET(UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হ'ব ৰাবে যোগ্যতাৰ পৰীক্ষাত যেনে 10+2 পৰীক্ষাটো ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় বা ৰাজ্যিক মুক্ত বিদ্যালয় নতুবা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে কোনো স্বীকৃতি প্ৰাপ্ত ৰাজ্যিক শিক্ষা পৰিষদৰ পৰা পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান / জৈৱ প্ৰযুক্তি বিজ্ঞান বিষয় হিচাপে উত্তীৰ্ণ হয়, তেওঁলোকে বাছনি পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব, যদিহে Medical Council of India ৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত বিশেষ ছুটীৰ অন্তৰ্ভূক্ত হয়।

e) যদি কোনো প্ৰাৰ্থীয়ে যোগ্যতাৰ পৰীক্ষাত অৱতীৰ্ণ হয়, অথচ তাৰ ফলাফল প্ৰাপ্ত কৰা নাই, তেনে প্ৰাৰ্থীয়ে বাছনি পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব (Provisionally) আৰু প্ৰাৰ্থীগৰাকী যদি বাছনি পৰীক্ষাত উত্তীৰ্ণ হয়, তেনেক্ষেত্ৰত তেওঁ স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে প্ৰথমতে যোগ্যতাৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। ইয়াৰ বিষয়ে সবিশেষ জানিবৰ বাবে প্ৰাৰ্থীসকলে Graduate Medical Education Regulation, 1997, BDS Course Regulations, 2007, Indian Medicine Central Council Regulation (Minimum Standards of Education in Indian Medicine) আৰু Homeopathy (Degree Course) Regulations, 1983 ৰ নিয়মাৱলীসমূহ পঢ়ি চাব পাৰে। NTA ৰ দ্বাৰা অনুষ্ঠিত কৰা National Eligibility Cum Entrance Test (NEET) UG-2020 বাছনি পৰীক্ষাৰ যোগেদি উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ প্ৰাপ্ত নম্বৰৰ ওপৰত ভিত্তি কৰি সৰ্বভাৰতীয় স্থানৰ তালিকা প্ৰস্তুত কৰা হ'ব।

13.2 ঃ **একে নম্বৰ প্ৰাপ্ত প্ৰাৰ্থীৰ বাছনি**

যদি দুজন বা ততোধিক প্ৰাৰ্থী সমান নম্বৰ/পাৰ্চেণ্টতাইল প্ৰাপ্ত কৰি উত্তীৰ্ণ হয়, তেন্তে তলত উল্লেখ কৰা নিৰ্দেশাৱলী অনুসৰি প্ৰাৰ্থী বাছনি কৰা হ'ব ঃ

a) জীৱ বিজ্ঞান (প্ৰাণীবিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান) বিষয়ত সৰহ নম্বৰ/পাৰ্চেণ্টতাইল সহ উত্তীৰ্ণ প্ৰাৰ্থী, পিছৰ পৰ্য্যায়ত।

b) ৰসায়ন বিজ্ঞানত সৰহ নম্বৰ/পাৰ্চেণ্টতাইল সহ উত্তীৰ্ণ প্ৰাৰ্থী, পিছৰ পৰ্য্যায়ত।

c) কম সংখ্যক অশুদ্ধ উত্তৰ দিয়া, সকলো বিলাক বিষয়তে প্ৰাৰ্থীগৰাকীয়ে নিৰ্ভুল ভাবে কৰা প্ৰশ্নোত্তৰ, পিছৰ পৰ্য্যায়ত।

d) বেছি বয়সীয়াল প্ৰাৰ্থী গৰাকী।

13.3 ঃ **সৰ্বভাৰতীয় 15% কোটাৰ ভিত্তিত মেধাৰ তালিকা**

NTA অনুষ্ঠিত কৰা NEET(UG)-2020 বাছনি পৰীক্ষাৰ যোগেদি প্ৰাপ্ত নম্বৰৰ ভিত্তিত সৰ্বভাৰতীয় 15% কোটাৰ মেধাৰ তলিকা প্ৰকাশ কৰা হ'ব। এই মেধাৰ তালিকাখন The Director General of Health Services (Medical Examination Cell), Ministry of Health and Family Welfare, Government of India আৰু Ministry of AYUSH লৈ পঠোৱা হ'ব যাতে 15% সৰ্বভাৰতীয় কোটাৰ ভিত্তিত নামভৰ্ত্তীৰ বাবে অনলাইন Counselling কৰিব পাৰে।

13.4 ঃ **15% সৰ্বভাৰতীয় কোটাৰ বাহিৰে মেধাৰ তালিকা**

a) NTA য়ে সৰ্বভাৰতীয় মেধাৰ তালিকা প্ৰকাশ কৰিব আৰু এই তালিকা ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰণালয়ৰ অধীন DGHS জনাব যাতে একেখন তালিকা সংশ্লিষ্ট নাম ভৰ্তি কৰ্তৃপক্ষই পায়।

b) কৰ্ত্তৃপক্ষই প্ৰাৰ্থীসকলক Counselling ৰ বাবে নিমন্ত্ৰণ জনাব।

c) কাউন্সেলিং কৰ্তৃপক্ষই প্ৰাৰ্থীসকলে উল্লেখ কৰা সংশ্লিষ্ট শ্ৰেণীত তেওঁলোকৰ সৰ্বভাৰতীয় স্থান ভিত্তি কৰি এখন মেধাৰ তালিকা প্ৰস্তুত কৰিব (ৰাজ্যিক নিয়মানুসৰি)।



**অধ্যায় ১৪ঃ নামভৰ্ত্তিৰ বাবে নিৰ্দেশাৱলীসমূহ**

14.1 সৰ্বভাৰতীয় 15% সংৰক্ষণৰ বাবে আৰু সকলো আসনৰ বাবে কেন্দ্ৰীয় প্ৰতিষ্ঠান যেনে AIIMS, JIPMER, AFMC, ESI, DU, BHU & AMU আৰু ড্ৰীমভ্ ইউনিভাৰ্চিটিত নামভৰ্ত্তি।

অনলাইন নামভৰ্ত্তিৰ প্ৰক্ৰিয়াটো Directorate General of Health Servicesৰ অধীনত মেডিকেল কাউন্সিলিং কমিটিয়ে পৰিচালনা কৰিব। অনলাইন কাউন্সিলিং প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় নীতি নিৰ্দেশনা কেৱলমাত্ৰ Medical Counselling Committee (MCC)-ৰ Website -ত হে উপলব্ধ হ'ব (mcc.nic.in) । যোগ্যতা অৰ্জনকাৰী প্ৰাৰ্থীসকলক নামভৰ্ত্তিৰ প্ৰক্ৰিয়াৰ নীতি নিৰ্দেশনাসমূহ খৰচী মাৰি পঢ়ি ল'বলৈ কোৱা হ'ল। সৰ্বভাৰতীয় 15% আসন সংৰক্ষণৰ অধীনত কেন্দ্ৰীয় প্ৰতিষ্ঠান সমূহত যেনে AFMC, ESI, Delhi University, BHU & AMU, AIIMS, JIPMER, আৰু Deemed University নামভৰ্ত্তিৰ সংক্ৰান্তত কিবা জানিব লগা থাকিলে তলত উল্লেখ কৰা Address ত যোগাযোগ কৰিব পাৰিব।

**MBBS/BDS পাঠ্যক্ৰমৰ বাবে ঃ**

The Assistant Director General (ME)

Directorate General of Health Services

Nirman Bhawan, New Delhi-110108

E-mail : aiqpmt-mcc@nic.in

**BAMS/BSMS/BUMS/BHMS পাঠ্যক্ৰমৰ বাবে ঃ**

The Director (SRKV) Ministry of AYUSH, AYUSH Bhawan,

B-Block, GPO Complex, INA, New Delhi-110023

E-Mail : counselling-ayush@gov.in

নামভৰ্ত্তি প্ৰক্ৰিয়াৰ লগত জড়িত সকলোধৰণৰ পদ্ধতি, FAQs' জানিবৰ বাবে mcc.nic.in ত আৰু আন কাউন্সেলিং কৰ্তৃপক্ষৰ Websiteত চাব পৰা যাব। পৰীক্ষাৰ্থীসকলক ওপৰত উল্লেখ কৰা Websiteত সঘনাই জাৰি কৰা চাৰকোলাৰ, জাননী ইত্যাদিবোৰ লক্ষ্য কৰি থাকিবৰ বাবে কোৱা হ'ল।

**14.2) সৰ্বভাৰতীয় 15% আসনৰ বাহিৰে বাকী আসনৰ বাবে নামভৰ্ত্তিৰ**

যিসকল প্ৰাৰ্থীয়ে NEET(UG)-2020 পৰীক্ষাৰ মেধা তালিকাৰ ওপৰত ভিত্তি কৰি ৰাজ্যিক মেডিকেল কলেজ/ বিশ্ববিদ্যালয়/প্ৰতিষ্ঠান বোৰত নামভৰ্ত্তি কৰিব বিচাৰে তেওঁলোকে ৰাজ্য চৰকাৰ নতুবা Medical/Dental/Ayurveda/ Siddha/Unani/Homeopathy Colleges/Institution/University কৰ্তৃপক্ষৰ নীতি নিৰ্দেশনা নামভৰ্ত্তিৰ বাবে মানি



চলিব লাগিব। বিভিন্ন ব্যক্তিগত মেডিকেল কলেজত নামভৰ্ত্তিৰ প্ৰক্ৰিয়াটো ৰাজ্য চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি হ'ব।

NTA য়ে প্ৰাৰ্থীসকলে উল্লেখ কৰা কেটেগৰী অনুসৰি মেধাৰ তালিকা নামভৰ্ত্তিৰ বাবে প্ৰকাশ কৰিব। ঘোষণা কৰা দিন আৰু অন্তিম তাৰিখ অতিক্ৰম কৰাৰ পিছত কোনো কাৰণতে প্ৰাৰ্থীৰ তথ্যপাতি NTA সালসলনি নকৰে। তদুপৰি ফলাফল ঘোষণা কৰাৰ পিছত কোনো কাৰণতে অনলাইন আবেদন পত্ৰত প্ৰাৰ্থীৰ তথ্যপাতি NTA সালসলনি নঘটায়।

আবেদন পত্ৰত উল্লেখ কৰা প্ৰাৰ্থীৰ বৰ্গটো কেন্দ্ৰীয় শ্ৰেণীৰ লিষ্টত উল্লেখ কৰা মতে হ'ব লাগিব। সৰ্বভাৰতীয় 15% আসনৰ বাহিৰে বাকী আসনৰ কাৰণে নামভৰ্ত্তিৰ বাবে যোগ্য প্ৰাৰ্থীসকলে প্ৰথমে ৰাজিক্য কেটেগৰী লিষ্ট মতে পঞ্জীয়ন কৰিব লাগিব আৰু NTA তাৰ ওপৰত ভিত্তি কৰি মেধাৰ তালিকা প্ৰস্তুত কৰিব।

ৰাজ্য চৰকাৰৰ কৰ্তৃপক্ষৰ লিষ্টখন পৰিশিষ্ট-IV ত সংলগ্ন কৰা আছে।



**অধ্যায় ১৫ ঃ পৰীক্ষাৰ পিছৰ কাৰ্য্য প্ৰণালী আৰু ফলাফল ঘোষণা**

15.1) OMR পত্ৰৰ প্ৰদৰ্শন আৰু Website ত প্ৰতিক্ৰিয়া ঃ

a) NTA য়ে OMR উত্তৰ বহীৰ ইমেজ প্ৰদৰ্শন কৰিব আৰু প্ৰত্যেকজন প্ৰাৰ্থীৰ প্ৰতিক্ৰিয়া ntaneet.nic.in websiteৰ যোগেদি লিপিবদ্ধ কৰা হ'ব। OMR উত্তৰ বহীৰ ইমেজ আৰু সহাৰিৰ বাবে নিৰ্দিষ্ট তাৰিখ পৰীক্ষা অনুস্থিত হোৱাৰ পিছত NTA য়ে website ত দিয়া হ'ব।

b) OMR গ্ৰেডিং পত্ৰত কিবা আসোঁৱাহ থাকিলে প্ৰাৰ্থীসকলে 1000 টকা পৰিশোধ কৰি তাৰ বিপক্ষে অভিযোগ কৰিব পাৰিব।

c) OMR গ্ৰেডিং পত্ৰত প্ৰাপ্ত নম্বৰৰ বিষয়ে প্ৰাৰ্থীয়ে কৰা অভিযোগৰ বিষয়ে NTA পুনৰীক্ষণ কৰিব আৰু দাখিল কৰা অভিযোগ শুদ্ধ বুলি প্ৰমাণত হ'লে আপডেট কৰা হ'ব। অৱশ্যে এই বিষয়ে প্ৰাৰ্থীসকললৈ ব্যক্তিগত ভাৱে কোনো খবৰ প্ৰেৰণ কৰা নহয়।

প্ৰত্যেকগৰাকী পৰীক্ষাৰ্থীক ntaneet.nic.in website টো OMR উত্তৰ বহী download আৰু প্ৰতিক্ৰিয়া দাখিল কৰিবৰ বাবে সঘনাই নিৰীক্ষণ কৰি থাকিবৰ বাবে উপদেশ দিয়া হ'ল।

**15.2 ঃ প্ৰত্যাহ্বানৰ বাবে প্ৰশ্নোত্তৰৰ (Answer Key) প্ৰকাশ ঃ**

a) NTA প্ৰশ্নবোৰৰ উত্তৰ প্ৰকাশ কৰিব আৰু পৰীক্ষাৰ্থী সকলৰ প্ৰকাশ কৰা প্ৰশ্নোত্তৰ ওপৰত কিবা সন্দেহ হ'লে website : ntaneet.nic.in দ্বাৰা অভিযোগ কৰিব পাৰিব। **প্ৰশ্নোত্তৰ প্ৰকাশৰ প্ৰকৃত দিন-বাৰ জানিবৰ বাবে প্ৰাৰ্থীসকলে পৰীক্ষাৰ পিছত সঘনাই NTA ৰ Website চাই থাকিব পাৰে।**

b) প্ৰাৰ্থীসকলে প্ৰকাশ কৰা প্ৰশ্নোত্তৰৰ শুদ্ধতাৰ বিষয়ে অভিযোগ প্ৰদান কৰিব বিচাৰিলে **১০০০.০০** টকা পৰিশোধ কৰিব লাগিব।

c) প্ৰাৰ্থীয়ে কৰা অভিযোগ NTA বিষয় বিশেষজ্ঞৰ সহায়ত পুনৰীক্ষণ কৰাব। শুদ্ধ বুলি প্ৰমাণিত হ'লে প্ৰশ্নোত্তৰ সংশোধিক কৰা হ'ব। সংশোধিত প্ৰশ্নৰ ওপৰত ভিত্তি কৰি ফলাফল প্ৰস্তুত আৰু ঘোষণা কৰা হ'ব।

**d) কোনো প্ৰাৰ্থীকে তেওঁলোকে কৰা অভিযোগ গ্ৰহণ/নস্যাৎ কৰাৰ বিষয়ে ব্যক্তিগত ভাৱে জনোৱা নহয়।**

e) প্ৰতিক্ৰিয়াৰ পিছত প্ৰকাশ কৰা প্ৰশ্নোত্তৰ সমূহক চূড়ান্ত প্ৰশ্নোত্তৰ হিচাপে গ্ৰহণ কৰা হ'ব।

**15.3 ঃ ফলাফল ঘোষণা**

a) National Testing Agency য়ে বিশেষ পদ্ধতি ব্যৱহাৰ কৰি প্ৰশ্নোত্তৰ প্ৰস্তুত কৰিব আৰু ফলাফল ntaneet.nic.in website ত প্ৰকাশ কৰিব আৰু তাৰ পিছত পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ ফলাফল ডাউনলোড কৰি ল'ব পাৰিব।

b) DGHS আৰু AYUSH মন্ত্ৰণালয়ৰ নামভৰ্তিৰ কেন্দ্ৰিয় কাউন্সেলিং কমিতিৰ নিৰ্দেশনা অনুসৰি NTA য়ে মেধাৰ তালিকা প্ৰস্তুত কৰিব।

c) প্ৰাৰ্থীসকলৰ শ্ৰেণী অনুসৰি ফলাফল প্ৰস্তুত কৰা নহব।

d) NEET(UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হোৱা প্ৰত্যেকজন পৰীক্ষাৰ্থীয়ে যিকোনো ধৰণৰ আপডেটৰ বাবে NTA, N.H of FW, Medical Councelling Committee (mcc.nic.in), M.A., AYUSH, Admission Central Counselling Committee (accc.gov.in) আৰু পৰীক্ষা অনুষ্ঠিত কৰা ৰাজ্যিক / কেন্দ্ৰীয় বিশ্ববিদ্যালয় / প্ৰতিষ্ঠান বিলাকৰ চূড়ান্ত পৰ্যায় নামভৰ্ত্তিৰ প্ৰক্ৰিয়া অন্ত নোহোৱালৈকে নিয়মীয়াকৈ Website চাই থাকিব লাগিব। **15.4 ঃ প্ৰশ্নোত্তৰ পুনৰীক্ষণ**

- মেচিনৰ দ্বাৰা উত্তৰ বহীৰ গ্ৰেডবোৰ যথেষ্ট সাৱধানতাৰে বাৰে বাৰে পুণৰীক্ষণ কৰা হয়।
- উত্তৰ বহীৰ পুনৰীক্ষণৰ বাবে কোনো ধৰণৰ সুবিধা নাই। তাৰ কাৰণবোৰ তলত উল্লেখ কৰা হ'ল —

  i) প্ৰাৰ্থীসকলক OMR পত্ৰ দিয়া হয় আৰু ঘোষিত প্ৰশ্নোত্তৰত কিবা সন্দেহ থাকিলে তাৰ কাৰণে অভিযোগ দাখিল কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে।

  ii) OMR পত্ৰবোৰত মেচিনৰ দ্বাৰ নিৰ্দিষ্ট চফ্‌টৱেৰৰ দ্বাৰাহে গ্ৰেড প্ৰদান কৰা হয়।

  - **এই বিষয়ত কোনো ধৰণৰ অনুৰোধ গ্ৰহণ কৰা নহ'ব।**

**15.5 ঃ অন্য প্ৰতিষ্ঠানৰ দ্বাৰা NEET(UG)-2020 ৰ ফলাফল ব্যৱহাৰ**

NEET(UG)-2020 পৰীক্ষাৰ পশ্ৰাফল অন্য কোনো কেন্দ্ৰীয় / ৰাজ্য চৰকাৰৰ প্ৰতিষ্ঠানে বিধিসন্মতভাৱে নামভৰ্ত্তিৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

**15.6 ঃ নীতি নিৰ্দেশনাৰ ম্যাদ**

National Eligibility Cum Entrance Test (NEET) ৰ ফলাফল 90 দিন পৰ্য্যন্ত সংৰক্ষণ কৰি থোৱা হ'ব।

অভিযোগ প্ৰদানকাৰী প্ৰাৰ্থীসকলক দাখিল কৰা অভিযোগ নিৰ্মূলৰ প্ৰত্যুত্তৰৰ বাবে NEET(UG)-2020 লৈ Email ID কৰাৰ আগতে Website ত উপলব্ধ অনলাইন সুবিধা গ্ৰহণ কৰিবলৈ উপদেশ দিয়া হৈছে।



অধ্যায়- **১৬ ঃ উমৈহতীয়া সেৱাৰ কেন্দ্ৰ/ সুবিধা প্ৰদানকাৰী কেন্দ্ৰ**

অনলাই প্ৰ-পত্ৰ পুৰণ কৰোতে প্ৰাৰ্থীসকলে বিভিন্ন ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'লে, তেনে ক্ষেত্ৰত ভাৰত চৰকাৰৰ অধীনৰ Digital India ৰ অন্তৰ্গত সাধাৰণ সেঁৱা প্ৰদানকাৰী কেন্দ্ৰ Information Technology বিভাগে বিশেষ পদক্ষেপ ল'ব লাগে। সাধাৰণ সেঁৱা প্ৰদানকাৰী কেন্দ্ৰটো ভাৰত চৰকাৰৰ National E-Governance Plan (NeGP) ৰ এটা অংশ হয় আৰু এই কেন্দ্ৰটো প্ৰত্যেক গাঁও পঞ্চায়ত পৰ্য্যায়ত Villiage Level Entreprenour (VLE) ৰ দ্বাৰা পৰিচালিত হয়।

গোটেই দেশত সৰ্বমুঠ 2.4 লাখতকৈও অধিক সাধাৰণ সেঁৱা কেন্দ্ৰ আছে আৰু এই সেঁৱা কেন্দ্ৰবিলাকে একেবাৰে কম মাননিৰ বিনিময়ত অনলাইন প্ৰ-পত্ৰ পূৰণ আৰু E-Wallet ৰ যোগেদি মাছুল পৰিসোধ কৰাত সহায় কৰিব। http://www.csc.gov.in website ৰ যোগেদি সাধাৰণ সেঁৱা কেন্দ্ৰ বিলাকৰ লিষ্টখন উপলব্ধ হ'ব।



## গুৰুত্বপূৰ্ণ বিষয়

প্ৰাৰ্থীসকলে তথ্য পুস্তিকাখন ভালদৰে পঢ়ি তলত দিয়া বিষয়বোৰৰ লগত পৰিচিত হ'ব লাগিব।

**১)** প্ৰাৰ্থীসকলে NEET(UG), 2020 পৰীক্ষাৰ বাবে কেৱল 'অনলাই' পদ্ধতিতহে প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব। অফলাইন পদ্ধতিত জমা দিয়া কোনো প্ৰ-পত্ৰ গ্ৰহণযোগ্য বিবেচিত নহ'ব।

**২)** www.nta.ac.in/ntaneet.nic.in ৱেবচাইটৰপৰা তথ্য পুস্তিকাখন ডাউনলোড কৰিব পাৰিব।

**৩)** ভৱিষ্যত প্ৰয়োজনীয়তাৰ বাবে প্ৰাৰ্থীসকলে তলত দিয়া নথিসমূহ লগত ৰাখিব—

ক) অনলাই প্ৰ-পত্ৰৰ Confirmation Page ৰ কমেও চাৰিটা ছপা প্ৰতিলিপি।

খ) মাচুল আদায়ৰ প্ৰমাণ (Bank Transaction ৰ সম্পূৰ্ণ তথ্য Confirmation Page ৰ সৈতে)

গ) স্কেন আৰু আপলোড কৰা পাচপোৰ্ট ফটোৰ কমেও **৪-৬** কপি অনুৰূপ ফটো আৰু পোষ্ট কাৰ্ড আকাৰ **৪-৬** কপি।

ঘ) কেন্দ্ৰীয় শাসিত অঞ্চল, জম্মু আৰু কাশ্মীৰ / লাডাখৰ যিসকল শিক্ষাৰ্থীয়ে **১৫%** সৰ্বভাৰতীয় কোটাৰ অধীনৰ আসনৰ বাবে আবেদন কৰিছে, তেওঁলোকৰ কম্পিউটাৰে স্বতঃস্ফূৰ্তভাৱে যোগন ধৰা স্ব-ঘোষিত পত্ৰ।

**৪)** প্ৰাৰ্থীসকলে এইটো ক্ষেত্ৰত নিশ্চিত হ'ব লাগিব যে অনলাইন প্ৰ-পত্ৰত যি মোবাইল নম্বৰ, ই-মেইল আই.ডি প্ৰদান কৰিছে, সেয়া প্ৰাৰ্থীৰ নিজৰ অথবা মাক-দেউতাকৰ হয়। NTA প্ৰদান কৰা মোবাইল নম্বৰ অথবা ই-মেইল আই.ডি.ত SMS বা মেইলৰ জৰিয়তে যোগাযোগ কৰিব।

**৫)** অনলাইন প্ৰ-পত্ৰত প্ৰদান কৰা ভুল মোবাইল নম্বৰ, ই-মেইল আই.ডি. আৰু যোগাযোগৰ ঠিকনাৰ বাবে প্ৰাৰ্থীয়ে কোনো তথ্য লাভ নকৰিলে NTA দায়ী নহয়।

**৬)** মাচুল কেৱল তলত দিয়া ধৰণে আদান দিব পাৰিব —

ক) অনলাইন পদ্ধতি অৰ্থাৎ ডেবিট/ক্ৰেডিট কাৰ্ড আৰু নেটবেংকিং /UPI using SBI/ Syndicate bank/ ICICI bank/ HDFC/ Paytmৰ জৰিয়তে মাচুল পৰিশোধ কৰিব পাৰিব।



— ডেবিট/ক্রেডিট কার্ডৰ ম্যাদ পৰীক্ষী কৰক আৰু প্র-পত্র পূৰণৰ বাবে ৱেবছাইটত লগইন কৰাৰ সময়ত সাজু কৰি ৰাখক। প্রার্থীসকলে আৰু নেটবেংকিংৰ জৰিয়তে মাচুল পৰিশোধ কৰিব পাৰিব।

খ) কেৱল ভাৰতীয় ষ্টেট বেংকৰ শাখাত ই-চালানৰ জৰিয়তে নগদ জমা —

NTA ৱেবচাইটত থকা ই-শ্লিপৰ আৰ্হিটো এখন A4 আকাৰৰ কাগজত পথালিকৈ ছপা কৰি লওক আৰু ই-স্লিপত দিয়া নির্দেশাৱলী অনুসৰি ভাৰতীয় ষ্টেট বেংকৰ যিকোনো শাখাত ই-চালানৰ জৰিয়তে মাচুল আদায় দিব পাৰিব।

৭) অনলাইন আবেদন প্র-পত্রৰ ৩ নং স্তৰ সম্পূর্ণ নকৰিলে অর্থাৎ মাচুল আদান নকৰিলে অনলাইন আবেদন প্র-পত্রৰ চূড়ান্ত ৰূপত জমা হোৱাৰ প্রক্রিয়া আধৰুৱা আৰু অসফল হৈ ৰ'ব। Confirmation Page প্রাপ্তিয়ে প্র-পত্র সফলভাৱে জমা হোৱাটো সূচাব। Confirmation Page প্রাপ্ত নহ'লে মাচুল আদায়ৰ প্রক্রিয়াটো সম্পূর্ণ নোহোৱা বুজাব আৰু এইদৰে আবেদন পত্র সফলভাৱে জমা দিয়া নহ'ব।

৮) প্রার্থীসকলে তেওঁলোকৰ প্রৱেশ পত্র MBBS/BDS পাঠ্যক্রমত নামভর্ত্তি নোহোৱালৈ লগত ৰাখিব লাগিব।

৯) অনলাইন প্র-পত্রত যাতে শুদ্ধ তথ্য প্রদান কৰে, তাৰ প্রতি নিশ্চিত হওঁক। ফটোগ্রাফ আৰু চহী সম্বন্ধীয় যিকোনো সংশোধন ই-মেইল /SMS ৰ জৰিয়তে কৰা হ'ব আৰু এই আটাইখিনি প্রার্থীৰ লগ-ইন একাউণ্টত উপলব্ধ হ'ব। অন্যান্য অনুমোদিত সংশোধন নির্দিষ্ট সময়ৰ ভিতৰত লগ্ ইন একাউণ্টৰ দ্বাৰা কৰিব পাৰিব। প্রার্থীসকলে স্পষ্ট ফটোগ্রাফ আৰু চহী আপলোড দিব লাগিব। গতিকে সকলো প্রকাৰৰ সংশোধনী প্রক্রিয়া চলি থকাৰ বাহিৰে অন্য সময়ত সংশোধন কৰিব নোৱাৰিব।

১০) প্রার্থীসকলৰ যোগ্যতা অনলাইন প্র-পত্র পূৰণৰ অন্তিম তাৰিখৰ দিনা নির্ধাৰণ কৰা হ'ব।

১১) NEET(UG)-2020 পৰীক্ষা 3 মে' 2020 দেওঁবাৰে অনুষ্ঠিত হ'ব।

১২) NEET(UG)-2020 পৰীক্ষা এটা স্তৰতে অনুষ্ঠিত হ'ব আৰু ই বস্তুনিষ্ঠ প্রকাৰৰ পৰীক্ষা হ'ব। (Objective Type)

১৩) ভাৰতীয় নাগৰিক, প্রবাসী ভাৰতীয় (NRI), ভাৰতৰ বিদেশী নাগৰিক (OCI),



ভাৰতীয় মূলৰ ব্যক্তি (PIO) আৰু বিদেশী নাগৰিকে NEET(UG)-2020 পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব।

১৪) এগৰাকী প্ৰাৰ্থীয়ে কেৱল এখনহে অনলাইন প্ৰ-পত্ৰ জমা দিব পাৰিব।

১৫) সংশোধনী চলি থকাৰ বাহিৰে অন্য সময়ত পৰীক্ষা কেন্দ্ৰ, প্ৰশ্ন কাকতৰ মাধ্যমকে ধৰি এবাৰ নিৰ্বাচন কৰা বিকল্প সলৰনি কৰিব নোৱাৰিব। সেয়েহে আবেদন প্ৰ-পত্ৰৰ এই দিশসমূহ পূৰণ কৰোঁতে প্ৰাৰ্থীয়ে অতি সাৱধানতাৰে বিকল্প বাচনি কৰিব লাগিব।

১৬) পৰীক্ষা কেন্দ্ৰৰ আৱণ্টন প্ৰক্ৰিয়া কম্পিউটাৰৰ জৰিয়তে সম্পন্ন কৰা হ'ব আৰু ইয়াত ব্যক্তিৰ কোনো ভূমিকা নাথাকে। এবাৰ আৱণ্টিত কেন্দ্ৰ কোনো কাৰণতে NTA সলনি নকৰে।

১৭) প্ৰাৰ্থীয়ে পৰীক্ষাৰ প্ৰবেশপত্ৰ ntaneet.nic.inপৰা ডাউনলোড কৰিব পাৰিব।

১৮) প্ৰাৰ্থীসকলে ফলাফল, নম্বৰ, স্থানৰ তালিকা / স্থানৰ পত্ৰ ntaneet.nic.in ৰপৰা ডাউনলোড কৰিব পাৰিব। তথ্যসমূহ Digilocker ত www.digilocker.gov.in ৱেবচাইটতো উপলব্ধ হ'ব।

১৯) শেহতীয়া খবৰৰ বাবে প্ৰাৰ্থীসকলক নিয়মিতভাৱে ntaneet.nic.in, www.mohfw.gov.in আৰু www.ncc.nic.in আৰু নিৰ্দিষ্ট ৰাজ্য/প্ৰতিষ্ঠানৰ ৱেবচাইট শেষৰ পৰ্যায়ৰ সাক্ষাৎকাৰৰ প্ৰক্ৰিয়া শেষ নোহোৱালৈকে চাই থাকিবলৈ অনুৰোধ জনোৱা হ'ল।

২০) প্ৰাৰ্থীসকলে চাৰ্ভাৰত শেষ মুহূৰ্ত্তৰ ভিতৰপৰা আঁতৰি থাকিবলৈ আগতীয়াকৈ প্ৰ-পত্ৰ পূৰণ আৰু মাচুল জমা দিয়া উচিত। কোনো কাৰণতে আবেদন প্ৰ-পত্ৰ/মাচুল জমা নিদিয়াৰ যিকোনো অনুৰোধ গ্ৰহণযোগ্য হিচাপে বিবেচিত নহ'ব।

২১) প্ৰাৰ্থীসকলে মনত ৰখা উচিত যে বেংক একাউণ্টৰপৰা কেৱল জমা ধন বিয়োগ হ'লেই মাচুল আদায় দিয়া নুবুজায়। মাচুল আদায় প্ৰক্ৰিয়া একাউণ্টৰ শেহতীয়া স্থিতিৰ জৰিয়তে নিশ্চিত হ'ব লাগিব। Confirmation Page লাভ কৰাটো আবেদন প্ৰ-পত্ৰ সফল পূৰণৰ প্ৰমাণ হিচাপে চিহ্নিত।

২২) NEET(UG)-2020 ৰ ফলাফল কেন্দ্ৰীয় / ৰাজ্যিক চৰকাৰৰ অন্যান্য প্ৰতিষ্ঠানেও নিজস্ব নিয়মৰ ভিত্তিত নামভৰ্তিৰ বাবে ব্যৱহাৰ কৰিব পাৰিব।



২৩) বিদেশী চিকিৎসালয় / দন্ত মহাবিদ্যালয়ৰপৰা MBBS/BDS ডিগ্ৰী গ্ৰহণ কৰিব বিচৰা ভাৰতীয় নাগৰিক / ভাৰতৰ বিদেশী নাগৰিকে NEET(UG)-2020 পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

**প্ৰাৰ্থীসকলক নিয়মীয়া NTA ৱেবচাইট চাই থাকিবলৈ অনুৰোধ জনোৱা হ'ল। NTA বেৱচাইটৰ জৰিয়তে সকলো নিৰ্দেশাৱলী প্ৰধান কৰিব।**

Help Line No.
0120-6895200
E-mail : neetug-nta@nic.in


National Testing Agency
(MHRD, Department of Higher Education, Government of India)

**Office for Communication:**
Block C-20/1A/8, Sector - 62,
Gautam Budh Nagar, Noida - 201309 (UP)

www.nta.ac.in, neetug-nta@nic.in